# তৃতীয় অধ্যায়

## ঊনবিংশ শতিকাৰ অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাত আমেৰিকান খ্ৰীষ্টান মিছনাৰী, ব্ৰিটিছ প্ৰশাসনীয় বিষয়া আৰু অসমীয়া সাহিত্যিকসকলৰ ভূমিকা

# তৃতীয় অধ্যায়
# ঊনবিংশ শতিকাৰ অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাত আমেৰিকান খ্ৰীষ্টান মিছনাৰী, ব্ৰিটিছ প্ৰশাসনীয় বিষয়া আৰু অসমীয়া সাহিত্যিকসকলৰ ভূমিকা

## ৩.০১ ঊনবিংশ শতিকাৰ অসমত আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে অসমীয়া ভাষা-সাহিত্যৰ উন্নয়নাৰ্থে আগবঢ়োৱা অৱদান ঃ

ঊনবিংশ শতিকাত অসমত গ্ৰন্থ প্ৰকাশন ব্যৱস্থাৰ উপৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নয়নৰ ক্ষেত্ৰত আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে যুগান্তকাৰী অৱদান আগবঢ়াইছে। দৰাচলতে অসমত জাতীয় চেতনা, আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত তেওঁলোকে এক নৱজাগৰণৰ সৃষ্টি কৰিছিল। নাথান ব্ৰাউন, মাইলছ ব্ৰনছন আদিকে ধৰি সৰ্বমুঠ ৫৬ জন আমেৰিকান মিছনাৰীয়ে অসমৰ জনসাধাৰণৰ হিতৰ বাবে কাম কৰিছিল। এওঁলোকৰ ভিতৰত ২৭ জন পুৰুষ আৰু ২৭ গৰাকী মহিলা আছিল। তেওঁলোকে ঘাইকৈ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে আহিছিল যদিও কাৰ্যতঃ শিক্ষা বিস্তাৰৰ উদ্দেশ্যে পাঠ্যপুথি ৰচনা, অসমীয়া গ্ৰন্থ আৰু আলোচনী প্ৰকাশৰ কাম-কাজেই মুখ্য হৈ পৰিছিল। এই অধ্যায়ত তেওঁলোকৰ প্ৰত্যেকৰে গাইগুটীয়া অৱদান আৰু কৰ্ম সম্পৰ্কে পৃথক পৃথকভাৱে বিতং বিৱৰণ দাঙি ধৰা হৈছে।


## ৩.০২ আমেৰিকান বেপ্টিষ্ট মিছনৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ ঃ

নাথান ব্ৰাউন, এলিজা হুইটনী ব্ৰাউন, হেৰিয়েট বি.এল. কট্টাৰে শদিয়াত আৰম্ভ কৰা পঢ়াশালিত অসমৰ স্থানীয় ভাষাত পাঠদান কৰাৰ বাবে পাঠ্যপুথিৰ প্ৰয়োজনীয়তা উপলব্ধি কৰাৰ ফলতেই আৰম্ভ হয় শিক্ষণ কাৰ্যৰ বাবে অসমীয়া বৰ্ণাক্ষৰ শিক্ষাৰ পাঠ আৰু অন্যান্য পুথি ৰচনাৰ কাম। নাথান ব্ৰাউনে ইংৰাজী, অসমীয়া আৰু টাই ভাষাক সাঙুৰি বৰ্ণমালা শিক্ষাৰ বাবে প্ৰস্তুত কৰা *'A Spelling Book in English, Assamese and Tai'* শীৰ্ষক গ্ৰন্থখনেই অসমত ছপা প্ৰথম গ্ৰন্থ। আনহাতে অসমত সেই সময়ত আখৰ

চিনাকিৰ কোনো আনুষ্ঠানিক সুবিধাযুক্ত পাঠ বা বৰ্ণমালাৰ শিক্ষণ সঁজুলি নথকা হেতু তেওঁলোকে মুদ্ৰণ যন্ত্ৰৰ সহায়ত এখিলা ডাঠ কাগজত '*The Alphabet*' শীৰ্ষক আখৰ চিনাকি পৃষ্ঠা আৰু '*The Alphabet and Spelling Lessons*' নামেৰে ১৬ পৃষ্ঠাৰ পুস্তিকা সদৃশ এখনি পুথি শদিয়াৰ মিছন প্ৰেছত মুদ্ৰণ কৰি ছাত্ৰসকলৰ হাতত তুলি দিছিল। এই ক্ষেত্ৰত আমেৰিকাৰ পৰা অহা মিছনাৰীসকলে তেওঁলোকৰ অভিজ্ঞতাপূৰ্বক ইংৰাজী ভাষাত ব্যৱহৃত ৰোমান লিপিতেই শিক্ষাদানৰ পাঠসমূহ যুগুত কৰি দিছিল।

নাথান ব্ৰাউনৰ দ্বাৰা প্ৰস্তুত কৰা উল্লিখিত *'Alphabetical Chart'* ৰ নমুনা সম্প্ৰতি দুষ্প্ৰাপ্য যদিও ১৮৪৮ খ্ৰীঃত ব্ৰাউনৰ দ্বাৰা ৰচিত *'Grammatical Notices of the Assamese Language'* গ্ৰন্থৰ আৰম্ভণিতে '*Assamese Alphabet*' আৰু '*Compound Forms*' শীৰ্ষক অসমীয়া বৰ্ণমালা আৰু নিৰ্বাচিত কিছু অসমীয়া শব্দ আৰু অসমীয়া যুক্তাক্ষৰ, ৰোমান লিপিৰ সহায়েৰে উচ্চাৰণ কৰিব পৰাকৈ শিক্ষণ পাঠ প্ৰস্তুত কৰি প্ৰকাশ কৰিছিল। উল্লিখিত গ্ৰন্থত প্ৰকাশ পোৱা বৰ্ণমালাৰ প্ৰশিক্ষণৰ পাঠৰ নমুনা তলত দেখুওৱা হৈছে।

**The Alphabet**




ASSAMESE ALPHABET.

COMPOUND FORMS.


The Alphabet Chart

**The Alphabet and Spelling Lessons**



ASAMESE ALPHABET.

| Letter. | Symbol. | Power. | Example. | Romanized. | Sounded as in |
|---|---|---|---|---|---|
| অ | | o | [illegible] | dhoróni | commodore |
| আ | া | a | আকাশ | akah | father |
| ই | ি | i | [illegible] | sithi | city |
| উ | ু | u | পুৰুষ | puruh | cuckoo |
| এ | ে | e | [illegible] | ene | earnest |
| ঐ | ৈ | oi | [illegible] | khauói | going |
| ও | ো | u | [illegible] | bulun | ball |
| ঔ | ৌ | ou | [illegible] | kapóu | pour |
| ক | | k | কাকত | kakot | king |
| খ | | kh | পুখুৰি | pukhuri | cock-horse |
| গ | | g | [illegible] | gól | goal |
| ঘ | | gh | [illegible] | loghona | log-house |
| ঙ | | ng | [illegible] | sang | sinking |
| চ | | s | [illegible] | sondro | some |
| জ | | j | [illegible] | jene | je, (French) |
| ঞ | | n | [illegible] | anntai | l'enfant, Fr. |
| ট | | t | [illegible] | utai | tent |
| ঠ | | th | [illegible] | thunt | boat-hire |
| ড | | d | ডাঙৰ | dangor | darling |
| ঢ | | dh | [illegible] | dhakóni | childhood |
| ত | | t | তপত | topot | Matthew |
| থ | | th | অৰ্থাত | orthat | priesthood |
| দ | | d | [illegible] | dond | spendthrift |



2

| Letter. | Symbol. | Power. | Example. | Romanized. | Sounded as in |
|---|---|---|---|---|---|
| ধ | | dh | ধাৰ | dhar | adhere |
| ন | | n | নতুন | nótun | none |
| প | | p | পানি | pani | pen |
| ফ | | ph | ফুল | phul | up-hill |
| ব | | b | বৰণ | boron | but |
| ভ | | bh | ভাত | bhat | abhor |
| ম | | m | মলম | molom | man |
| য | | y | [illegible] | boyoh | youth |
| ৰ | | r | প্ৰাৰ্থনা | prarthona | roll |
| ল | | l | লৰা | lóra | load |
| ৱ | | w | [illegible] | owosy | wind |
| স | | h, s * | [illegible] | hisy | guttural h |
| হ | | h | [illegible] | hagh | hard |

COMPOUND FORMS.

kr, kt, gn, ngk, ns, nj, nt, nth, nd, tn, tm, tr, tru, ddh, dm, dbh, dw, nt, ntr, ntu, nth, nd, ndr, ndru, ndh, nb, nm, ns, pt, pn, pl, bd, bhru, mp, mb, mbh, lp, st, sth, sk, st, str, stu, sth, sn, sp, sw, sm, sru, ru, hn, hr, hm.

The Assamese Alphabets and Spelling etc.

**১৮৩৬ খ্ৰীঃৰ পৰা ১৮৩৮ খ্ৰীঃলৈকে অসমৰ শদিয়াত মুদ্ৰিত গ্ৰন্থ ঃ**

নাথান ব্ৰাউন অসমৰ শদিয়াত উপস্থিত হৈছিল ১৮৩৬ খ্ৰীষ্টাব্দৰ ২৩ মাৰ্চত। ২৭ মাহ শদিয়াত থকা সময়ত শদিয়াত স্থাপন কৰা ছপাশালত মুদ্ৰণ কৰা গ্ৰন্থ আৰু পৃষ্ঠাৰ সংখ্যাৰ তালিকা তলত উল্লেখ কৰা হ'ল।

| প্ৰ. চন | গ্ৰন্থৰ নাম | লেখকৰ নাম | পৃ.সং. | গ্ৰ.সং. | মুদ্ৰিত পৃষ্ঠা |
|---|---|---|---|---|---|
| ১৮৩৬ | *A Spelling Book in English, Assamese and Tai*[১] | নাথান ব্ৰাউন | ৪৮ | ৫০০ | ২৪০০০ |
| ১৮৩৬ | *The Alphabet*[২] | নাথান ব্ৰাউন | ১ | ১৫০ | ১৫০ |
| ১৮৩৬ | *The Alphabet and Spelling Lessons*[৩] | নাথান ব্ৰাউন | ১৬ | ১০০ | ১৬০০ |
| ১৮৩৭ | *Parables of Christ*[৪] *in Assamese* | নাথান ব্ৰাউন | ৩২ | ৫০০ | ১৬০০০ |
| ১৮৩৭ | *Sermon on the Mount*[৫] | নাথান ব্ৰাউন | ১৬ | ৫০০ | ৮০০০ |
| ১৮৩৭ | *Catechism in Assamese*[৬] | নাথান ব্ৰাউন | ১৬ | ৫০০ | ৮০০০ |
| ১৮৩৭ | *A Hymn in Assamese*[৭] | নাথান ব্ৰাউন | ১৬ | ১০০ | ১৬০০ |
| ১৮৩৭ | *History of the Flood*[৮] | নাথান ব্ৰাউন | ১৪ | ৫০০ | ৭০০০ |
| ১৮৩৭ | *History of the Creation*[৯] | নাথান ব্ৰাউন | ১২ | ৫০০ | ৬০০০ |
| ১৮৩৮ | *Catechism in Tai Lik An Thim Au Lau*[১০] | নাথান ব্ৰাউন | ১৮ | ৫০০ | ৯০০০ |
| ১৮৩৮ | *Worcester's Primer in Assamese*[১১] | এ.ইয়ং | ৫৬ | ১০০ | ৫৬০০০ |
| | | | ২৪৫ | ৪৮৫০ | ১৩৫৮৫০ |
| ১৮৩৭ | *Assamese, Tai and English and a Khamti Catechism* | | | ১০০০ | |

[১] ক) Eliza Whitney Brown – *The Whole World Kin, A Pioneer Experience Among Remote Tribes and other Labors of Nathan Brown.* Pub. Hubberd Bros, Philadelphia, USA. 1890 Ed. Pp. 135.
খ) Maheswar Neog (Ed.)–*The Resuscitation of the Assamese Language by the American Baptist Missionaries,* Pub. Omsons Publications, T-7, Rajouri Garden, New Delhi, 2008 Ed. Pp.475.

[২] মহেশ্বৰ নেওগ সম্পা.অৰুণোদই (১৮৪৬-১৮৫৪) গ্ৰন্থৰ 'ভূমিকা', প্ৰকা. অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, পৃ. .৮১

[৩] যিশু খ্ৰীষ্টৰ ধৰ্ম উপদেশমূলক নীতিকথা আৰু উপাখ্যানমূলক গ্ৰন্থ।

[৪] খ্ৰীষ্ট ধৰ্মৰ উপদেশমূলক গ্ৰন্থ। উৎস - পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৪৯,১৫২,১৫৩।

[৫] খ্ৰীষ্ট ধৰ্মোপদেশ মূলক গ্ৰন্থ। উৎস - পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ. ৪৯,১৫২,১৫৩।

[৬] গীতমালা, বাইবেলত থকা ৬৬ টা ঈশ্বৰ স্তুতিৰ প্ৰাৰ্থনা পুথি।

[৭] বাইবেলৰ 'আদিপুস্তক'ত থকা জলপ্ৰলয়ৰ কাহিনী। বাইবেলৰ আদিপুস্তক *'পুৰণা নিয়ম'* (*Old Testament*) গ্ৰন্থৰ (Genesis) ত থকা এটি কাহিনী। পৃথিৱীত জল-প্ৰলয় বা প্লাৱন হোৱাৰ আগতে ঘটা ঘটনাৰ বিষয়ে যিহুৱাই (ঈশ্বৰে) আব্ৰাহাম, ইচাক, য়াকোব আৰু যোচেফৰ সৈতে হোৱা আচৰণৰ বিষয়ে ব্যাখ্যা।

[৮] পৃথিৱীৰ ৰহস্যময় সৃষ্টিৰ কাহিনী। কাহিনীভাগ বাইবেলৰ পাঠৰ পৰা অনূদিত।

[৯] এই গ্ৰন্থখনত ইংৰাজী আৰু অসমীয়াৰ লগতে টাই ভাষা (Shyan Language) ও অন্তৰ্ভুক্ত কৰিছে। এই সম্পৰ্কে নাথান ব্ৰাউনে উল্লেখ কৰা বক্তব্য (ক) - *The Alphabets of the Tai Language-Nathan Brown, Journal of the Asiatic Society of Bengal, Vol-6 Pt1, January to June, 1837 Ed. James Prinsep and Catalogue of Books, Engravings and Maps Presented to the City of Paris by the City of Boston, USA. 1849 Ed.*
(খ) *The Baptist Missionary Mezagine*, Vol. 18, Pp. 8, Pub. Board of Managers of the General Conventions, Boston, USA, January, 1837. Pub. July, 1837।

[১০] ১৮৩৭ খ্ৰীঃত শদিয়াত স্থাপিত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক পঢ়োৱাৰ উদ্দেশ্যে প্ৰকাশ কৰা অসমীয়া ভাষাৰ আদিপাঠ।

[১১] *The Baptist Missionary Megazine,* Vol.18, 25/1 Pp. 4-5.ত প্ৰকাশ পোৱা মতে, ওপৰত উল্লেখ কৰা গ্ৰন্থ তালিকাৰ পৰৱৰ্তী সময়ত প্ৰকাশিত গ্ৰন্থ।

খামটি ভাষাত ১০০০ সংখ্যক গ্ৰন্থও সেই বৰ্ষৰ শেষত প্ৰকাশ কৰে। লগতে মাথিউৰ দ্বাৰা ৰচিত 'শুভ বাৰ্তা' (*The Gospel According to Matthew*) ৰ তেৰটা অধ্যায় প্ৰস্তুত কৰে। সেই কালত শদিয়াৰ নিচিনা ভিতৰুৱা অঞ্চলত, প্ৰতিকূল পৰিস্থিতিতো ইমানখিনি কৰ্ম সম্পাদন কৰাটো এটি অতিশয় গুৰুত্বপূৰ্ণ বিষয়।

**৩.০৩ শিৱসাগৰত আমেৰিকান বেপ্টিষ্ট মিছন ঃ**

অসমৰ সীমান্তৱৰ্তী শদিয়া আৰু জয়পুৰত বেপ্টিষ্ট মিছনৰ সদস্যসকলে বাস কৰা সময়ত হোৱা মেলেৰীয়া, ক'লাজ্বৰ আদিৰ সমস্যা আৰু অত্যধিক হাবি-জংঘলে ভৰা অঞ্চল দুটিত স্থানীয় লোকসকলৰ অনাকাংক্ষিত বিদ্ৰোহ আৰু অত্যাচাৰৰ ফলত মিছনাৰীসকল প্ৰথমে শদিয়াৰ পৰা জয়পুৰ আৰু পৰৱৰ্তী সময়ত জয়পুৰৰ পৰা শিৱসাগৰলৈ স্থানান্তৰিত হ'বলৈ বাধ্য হয়। পৰৱৰ্তী পৰ্যায়ত মিছনৰ কাম-কাজ নগাঁও আৰু গুৱাহাটীলৈও সম্প্ৰসাৰিত হয় যদিও শিৱসাগৰেই তেওঁলোকৰ মুখ্য কৰ্মথলী ৰূপে পৰিণত হয়। এই সম্পৰ্কে ১৮৪৫ খ্ৰীষ্টাব্দৰ ছেপ্টেম্বৰ মাহত মিছনাৰীসকলৰ এখন মুখপত্ৰত প্ৰতিবেদন আকাৰে প্ৰকাশ পায় এইদৰে—

*'শিৱসাগৰ হৈছে মিছনাৰীসকলৰ মুখ্য কৰ্মথলী। চহৰখন, ৰংপুৰৰ বিপৰীতে ব্ৰহ্মপুত্ৰৰ পৰা এদিনৰ দূৰত্বৰ দিখৌ নদীৰ পাৰত অৱস্থিত। যিখন চহৰ বছৰ বছৰ ধৰি আহোম ৰজাসকলৰ বসতিস্থল হৈ আহিছিল। এই শিৱসাগৰ চহৰকে কেন্দ্ৰ কৰি অসমৰ ভিন ভিন ঠাইৰ পৰা মিছনেৰীসকলে অসম তথা অসমীয়া ভাষা সাহিত্যৰ বিকাশৰ বাবে নিজকে নিয়োজিত কৰিছিল।'*[১২]

১৮৪৪ খ্ৰীঃৰ জুলাই মাহত আমেৰিকাৰ বষ্টন চহৰৰ পৰা প্ৰকাশিত The Baptist Missionary Magazine ৰ ২৪ বৰ্ষ, ৭ ম সংখ্যাত সেই সময়ৰ শিৱসাগৰ নগৰৰ এখন নক্সা প্ৰকাশ পাইছিল। অঙ্কিত নক্সাখনত শিৱসাগৰ পুখুৰী, পুখুৰীৰ পাৰত থকা নাথান ব্ৰাউন, অলিভাৰ থমাছ কট্টাৰ, মাইলছ ব্ৰনছন আদিৰ বসতি স্থানৰ সাংকেতিক চিহ্নৰে প্ৰকাশ কৰিছে।[১৩]

[১২] The Assam Mission of the American Baptist Missionary Union ৰ Papers and Discussions of the Jubilee Conference, Nowgong, 18-29 Dec' 1886 ত এ.কে. গাৰ্ণিয়ে লেখা 'History of the Sibsagar Field', Pp. 22 ৰ ইংৰাজীত লেখা মূলৰ পৰা অনূদিত।

[১৩] পৰিশিষ্ট - 'ঠ'ত মূলৰ সৈতে সম্পাদিত নক্সা দিয়া হৈছে।

নাথান ব্ৰাউন আৰু অলিভাৰ টি.কট্টাৰৰ পৰিয়ালসহ আমেৰিকান খ্ৰীষ্টান মিছনাৰীসকলে ১৮৩৯ খ্ৰীঃৰ ১২ মে'ত শদিয়াৰ পৰা জয়পুৰলৈ যাত্ৰা কৰে।[১৪]

**১৮৩৯ খ্ৰীঃৰ পৰা ১৮৪৬ খ্ৰীঃলৈকে অসমত প্ৰকাশিত গ্ৰন্থ**

| প্ৰ. চনৰ | গ্ৰন্থৰ নাম আৰু মুদ্ৰণৰ স্থান |
|---|---|
| 1839 | Catechism in Naga[১৫] by M.Bronson, A.B.M.Press, Jaipur. |
| 1840 | Worcester's Primer in Naga by Mrs. R.M.Bronson, A.B.M.Press, Jaipur. |
| 1842 | First Reading Book in Assamese by Mrs. E.W.Brown, A.B.M.Press, Jaipur. |
| 1842 | The Gospel of Mathew in Assamese, A.B.M.Press, Jaipur. |
| 1842 | The Acts of Apostles Translated into Assamese by N.Brown, A.B.M.Press, Jaipur. |
| 1844 | Essays and Instructive Reading Lessons in the Bengali Language by W.Robinson, A.B.M.Press, Sibsagar, Assam. |
| 1845 | First Arithmatic in Assamese by E.W. Brown, A.B.M.Press, Sibsagar, Assam. |
| 1845 | Elementary Arithmatic on the Inductive System For the use of Assamese Schools Part 2nd. by E.W. and N.Brown, A.B.M.Press, Sibsagar, Assam. |
| 1845 | History of Joseph in Bengali, A.B.M.Press, Sibsagar, Assam. |
| 1846 | Religious Herald, Assamese, News Papers, A.B.M.Press, Sibsagar, Assam. |

## ৩.০৪ অসমত আমেৰিকান বেপ্টিষ্ট মিছনে মুদ্ৰণ আৰু প্ৰকাশ কৰা গ্ৰন্থসমূহৰ বিষয়ে

অসমত আমেৰিকান বেপ্টিষ্ট মিছনে মুদ্ৰণ আৰু প্ৰকাশ কৰা গ্ৰন্থসমূহৰ বিষয়ে বেপ্টিষ্ট মিছন ইউনিয়নৰ আন্তৰ্জাতিক বাৰ্ষিক অধিৱেশনসমূহৰ প্ৰতিবেদন প্ৰস্তুত কৰি বিভিন্ন পত্ৰিকা আদিত প্ৰকাশ কৰে। আমেৰিকাৰ নিউয়ৰ্কৰ ব্ৰুকলীনত ১৮৪৬ খ্ৰীঃৰ ১৯ মে'ত বহা ৩২ সংখ্যক বাৰ্ষিক অধিৱেশন উপলক্ষে প্ৰকাশিত এছিয়াটিক ছ'চাইটিৰ জাৰ্ণালত এই বিষয়ে সন্নিৱিষ্ট এখন প্ৰতিবেদনৰ তথ্যমতে অসমত আমেৰিকান বেপ্টিষ্ট মিছনৰ দ্বাৰা প্ৰতিষ্ঠা কৰা ছপাশালত ১৮৩৬ খ্ৰীঃৰ পৰা ১৮৪৫ খ্ৰীঃলৈকে নিম্নোক্ত গ্ৰন্থসমূহ মুদ্ৰিত হয়। তালিকা কেইখনত কেৱল খ্ৰীষ্টধৰ্মীয় গ্ৰন্থ প্ৰকাশনৰ তথ্যসহ কিছু পঢ়াশালিৰ বাবে প্ৰস্তুত কৰা পাঠ্যপুথিৰ নাম উল্লেখ কৰিছে। ধৰ্মীয় পুথিসমূহৰ বাহিৰে অন্যান্য বিষয়ত প্ৰকাশ কৰা গ্ৰন্থৰ নাম তালিকাত উপলব্ধ হোৱা নাই।

---

১৪ E.W. Brown - The Whole World Kin, Pp.186

১৫ Catechism in Naga- নাথান ব্ৰাউন, অলিভাৰ টি. কট্টাৰে শদিয়াৰ পৰা জয়পুৰত আহি ছপাশাল প্ৰতিষ্ঠা কৰাৰ পাছত জয়পুৰত মুদ্ৰণ কৰা প্ৰথম ছপা পুথি। - E.W. Brown, The Whole World Kin, Pp. 187.

১৮৩৬ খ্ৰীঃৰ পৰা ১৮৪৫ খ্ৰীঃলৈকে আমেৰিকান বেপ্টিষ্ট মিছনৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ

## Table of Printing at Assam.

**Books printed at the American Baptist Mission Press in Assam, from July, 1836, to October 25th, 1845.**

| Title. | Language. | Ed. | No. of Copies. | Pages to each Copy. | Total No. of Pages. | Size. |
|---|---|---|---|---|---|---|
| Spelling Book, | English, Assamese, and Shyan, | 1st | 500 | 50 | 25,000 | 12mo. |
| Parables, | Assamese, | " | 500 | 34 | 17,000 | 12mo. |
| Sermon on Mount, | " | " | 500 | 18 | 9,000 | 12mo. |
| Catechism, | " | " | 500 | 18 | 9,000 | 18mo. |
| " | Shyan, | " | 250 | 20 | 5,000 | 32mo. |
| History Creation, | Assamese, | " | 500 | 14 | 7,000 | 18mo. |
| History Deluge, | " | " | 500 | 16 | 8,000 | 18mo. |
| 13 Chap. Matthew, | " | " | 500 | 36 | 18,000 | 12mo. |
| Worcester's Primer, | " | " | 1,000 | 58 | 58,000 | 16mo. |
| Catechism, | Shyan, | 2d | 500 | 18 | 9,000 | 18mo. |
| " | Assamese, | " | 2,000 | 10 | 20,000 | 18mo. |
| Creation, | " | " | 2,000 | 14 | 28,000 | 18mo. |
| Deluge, | " | " | 2,000 | 14 | 28,000 | 18mo. |
| Spelling Book, | Bengali and Assamese, | 1st | 2,000 | 18 | 36,000 | 16mo. |
| Spelling Book and Vocab. | Eng., Assam., Singpho, and Naga, | " | 500 | 66 | 33,000 | 12mo. |
| Vocabulary as above, | " | " | 350 | 58 | 13,300 | 12mo. |
| Catechism, | Naga, | " | 300 | 18 | 5,400 | 32mo. |
| Phrases, | Eng. and Naga, | " | 300 | 32 | 9,600 | 18mo. |
| " | Eng. & Singpho, | " | 300 | 32 | 9,600 | 18mo. |
| Worcester's Primer, | Naga, | " | 400 | 58 | 23,200 | 16mo. |
| Vocabulary, | Assamese, | " | 800 | 252 | 201,600 | 12mo. |
| True Refuge, | " | " | 3,000 | 30 | 90,000 | 12mo. |
| Sermon on Mount, | " | 2d | 1,000 | 18 | 18,000 | 18mo. |
| Crucifixion, | " | 1st | 1,000 | 22 | 22,000 | 18mo. |
| Matthew's Gospel, | " | " | 2,000 | 105 | 210,000 | 12mo. |
| Religious Address, | " | " | 1,000 | 8 | 8,000 | 12mo. |
| Way of Life, | " | " | 2,000 | 14 | 28,000 | 12mo. |
| Hymn, | " | 2d | 100 | 1 | 100 | 12mo. |
| " (another,) | " | " | 100 | 1 | 100 | 12mo. |
| Catechism, | " | 3d | 2,000 | 10 | 20,000 | 16mo. |
| History Creation, | Shyan, | 1st | 500 | 18 | 9,000 | 18mo. |
| History of Deluge, | " | " | 500 | 18 | 9,000 | 18mo. |
| Acts, | Assamese, | " | 2,000 | 112 | 224,000 | 12mo. |
| First Reading Book, | " | " | 3,000 | 72 | 216,000 | 12mo. |
| What Scrip. are Authentic, | " | " | 2,000 | 12 | 24,000 | 12mo. |
| Religious Address, | " | 2d | 3,000 | 8 | 24,000 | 12mo. |
| Card, Alphabet, | " | 1st | 1,500 | 2 | 3,000 | 12mo. |
| Catechism, | " | 4th | 5,000 | 10 | 50,000 | 16mo. |
| True Refuge, | " | 2d | 5,000 | 30 | 150,000 | 12mo. |
| John's Gospel, | " | 1st | 2,000 | 88 | 176,000 | 12mo. |
| History Joseph, | " | " | 2,000 | 36 | 72,000 | 12mo. |
| Rewards of Intemperance, | " | " | 500 | 8 | 4,000 | 12mo. |
| Holy Incarnation, | " | " | 2,000 | 32 | 64,000 | 12mo. |
| Alphabet, | " | 2d | 5,000 | 1 | 5,000 | 12mo. |
| Mark's Gospel, | " | 1st | 2,000 | 72 | 144,000 | 12mo. |
| Romans, Epistle, | " | " | 2,000 | 52 | 104,000 | 12mo. |
| True Refuge, | " | 3d | 5,000 | 30 | 150,000 | 12mo. |
| Letter for Orphan Inst. | English, | 1st | 100 | 2 | 200 | 4to. |
| Rewards of Intemperance, | Assamese, | 2d | 500 | 8 | 4,000 | 12mo. |
| Spelling Book, | " | " | 2,000 | 10 | 20,000 | 16mo. |
| Catechism, | " | 5th | 4,000 | 10 | 40,000 | 16mo. |
| Large Alphabet, | " | 2d | 600 | 1 | 600 | full sht. |
| Arithmetic, | " | 1st | 3,000 | 50 | 150,000 | 12mo. |
| Hymns, | " | " | 3,000 | 56 | 168,000 | 18mo. |
| Summary Faith and Practice Bap. Chh. in Assam, | English and Assamese, | " | 400 | 20 | 8,000 | 12mo. |
| Report Orphan Inst. | English, | " | 400 | 22 | 8,800 | 12mo. |
| Holy Incarnation, | Assamese, | 2d | 2,000 | 32 | 64,000 | 12mo. |

## ১৮৪৬ খ্ৰীঃৰ পৰা ১৮৫১ খ্ৰীঃলৈকে আমেৰিকান বেপ্টিষ্ট মিছনৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ[১৬]

### STATEMENT OF PRINTING

EXECUTED AT THE AMERICAN BAPTIST MISSION PRESS, SIBSAGOR, FROM JANUARY 1, 1846, TO SEPTEMBER 30, 1851.

| Year. | Title of Work. | Language. | Ed. | Size. | Pages. | No. Copies. | Total Pages. |
|---|---|---|---|---|---|---|---|
| 1840 | Report of Assam Mission, | English, | 1 | 12mo, | 40 | 500 | 20,000 |
| 1846 | Sheet Almanac, | Assamese, | 1 | 4to, | 1 | 600 | 600 |
| 1846 | Ephesians, | Assamese, | 1 | 12mo, | 16 | 2,000 | 32,000 |
| 1846 | Second Catechism, | Assamese, | 1 | 12mo, | 30 | 1,000 | 30,000 |
| 1846 | Discovery of America, | Assamese, | 1 | 18mo, | 18 | 600 | 10,800 |
| 1846 | Ephesians, Philippians, Colossians and Thessalonians, | Assamese, | 1 | 12mo, | 52 | 2,000 | 104,000 |
| 1846 | Fables, | Assamese, | 1 | 12mo, | 24 | 1,000 | 24,000 |
| 1846 | Treatment of Cholera, | English, | 1 | 18mo, | 8 | 200 | 1,600 |
| 1846 | Worcester's Primer, | English, | 1 | 16mo, | 66 | 1,000 | 66,000 |
| 1846 | Scripture Lessons, | English, | 1 | 18mo, | 124 | 400 | 49,600 |
| 1847 | Hymns: Second Part, | Assamese, | 1 | 18mo, | 73 | 1,200 | 87,600 |
| 1847 | Henry and his Bearer, | Assamese, | 1 | 18mo, | 88 | 1,000 | 88,000 |
| 1847 | Revelation, | Assamese, | 1 | 12mo, | 52 | 1,500 | 78,000 |
| 1847 | Letter to Mohammedans, | Assamese, | 1 | 12mo, | 27 | 1,000 | 27,000 |
| 1847 | Two Sermons and Appendix, | Assamese, | 1 | 8vo, | 70 | 900 | 63,000 |
| 1847 | Pastoral Letters, | Assamese, | 1 | 12mo, | 4 | 300 | 1,200 |
| 1847 | Second Catechism, | Assamese, | 2 | 12mo, | 30 | 600 | 1,800 |
| 1847 | Tunes, | Assamese, | 1 | 8vo, | 8 | 300 | 2,400 |
| 1847 | Rep. Orph. Inst. and other Schools, | English, | 1 | 12mo, | 36 | 400 | 14,400 |
| 1847 | Luke, | Assamese, | 1 | 12mo, | 109 | 3,000 | 327,000 |
| 1847 | Circular: Orphan Institution, | English, | 1 | 4to, | 2 | 100 | 200 |
| 1847 | Multiplication Table, | Assamese, | 1 | 8vo, | 1 | 500 | 500 |
| 1848 | History of Joseph, | Assamese, | 2 | 18mo, | 52 | 2,000 | 104,000 |
| 1848 | Mother and Daughter, | Assamese, | 1 | 18mo, | 24 | 1,000 | 24,000 |
| 1848 | Grammatical Notices, | English and Assamese, | 1 | 8vo, | 108 | 150 | 15,900 |
| 1848 | 1 Corinthians to end of Galatians, | Assamese, | 1 | 12mo, | 88 | 300 | 26,400 |
| 1848 | 1 Timothy to Jude, | Assamese, | 1 | 12mo, | 106 | 300 | 31,800 |
| 1848 | Religious Address, (large type,) | Assamese, | 4 | 12mo, | 12 | 1,000 | 12,000 |
| 1848 | First Catechism, (large type,) | Assamese, | 6 | 16mo, | 18 | 2,000 | 36,000 |
| 1848 | Circular, (Gowahati Female School,) | English, | 1 | 12mo, | 4 | 50 | 200 |
| 1848 | Four Gospels and Acts, | Assamese, | .... | 12mo, | 450 | 500 | 225,000 |
| 1848 | Luke, | Assamese, | 2 | 12mo, | 108 | 1,200 | 124,800 |
| 1849 | Acts, | Assamese, | 2 | 12mo, | 102 | 1,200 | 122,400 |
| 1849 | New Testament, | Assamese, | 2 | 12mo, | 782 | 300 | 234,600 |
| 1849 | Sermon on the Mount, | Assamese, | 2 | 18mo, | 20 | 2,000 | 40,000 |
| 1849 | Alphabet and Spelling, | Assamese, | 2 | 16mo, | 16 | 2,000 | 32,000 |
| 1849 | Comparative Vocabulary, | English, | 1 | 8vo, | 17 | 50 | 850 |
| 1849 | Phrases, | Assamese and Dhekeri, | 1 | 8vo, | 4 | 50 | 200 |
| 1849 | First Catechism, | Assamese, | 7 | 16mo, | 16 | 5,000 | 90,000 |
| 1849 | New Testament, | Assamese, | 3 | 8vo, | 630 | 2,000 | 1,260,000 |
| 1850 | Obituary Notice of Rev. C. Barker, | Assamese, | 1 | 18mo, | 28 | 1,000 | 28,000 |
| 1850 | Hymn Book, | Assamese, | 2 | 18mo, | 214 | 3,000 | 642,000 |
| 1850 | Lines for Music for Hymn Book, | Assamese, | 1 | 18mo, | 210 | 50 | 10,500 |
| 1850 | Primer, | Assamese, | 1 | 16mo, | 22 | 2,000 | 44,000 |
| | JUVENILE TRACTS. | | | | | | |
| 1850 | Beautiful Garment, | Assamese, | 1 | 32mo, | 18 | 1,500 | 27,000 |
| 1850 | African Prince, | Assamese, | 1 | 32mo, | 18 | 1,500 | 27,000 |
| 1850 | Old Saul, | Assamese, | 1 | 32mo, | 18 | 1,500 | 27,000 |
| 1850 | Warrior Chief, | Assamese, | 1 | 32mo, | 18 | 1,500 | 27,000 |
| 1850 | Memoir of Hube, | Assamese, | 1 | 32mo, | 22 | 1,500 | 33,000 |
| 1850 | Account of Ramgoti, | Assamese, | 1 | 32mo, | 22 | 1,500 | 33,000 |
| 1850 | Account of Rebi, | Assamese, | 1 | 32mo, | 22 | 1,500 | 33,000 |
| 1850 | The Pious Villager, | Assamese, | 1 | 32mo, | 22 | 1,500 | 33,000 |
| 1851 | Account of Rajon, | Assamese, | 1 | 32mo, | 18 | 1,500 | 27,000 |
| 1851 | Early Piety, | Assamese, | 1 | 32mo, | 22 | 1,500 | 33,000 |
| 1851 | The Orphan Girl, | Assamese, | 1 | 32mo, | 22 | 1,500 | 33,000 |
| 1851 | The Eagle's Nest, | Assamese, | 1 | 32mo, | 18 | 1,500 | 27,000 |
| 1851 | Table: Languages, | Assamese, | .... | 12mo, | 4 | 25 | 100 |
| 1851 | Vocables, | English and Assamese, | .... | ...... | 16 | 25 | 400 |
| 1851 | Second Catechism, | Assamese, | 3 | 16mo, | 70 | 2,000 | 140,000 |
| 1851 | Pundit and Preacher, | Assamese, | 1 | 12mo, | 56 | 2,000 | 102,000 |
| 1851 | Way of Salvation, | Assamese, | 1 | 12mo, | 18 | 2,000 | 38,000 |
| 1851 | Error Refuted, | Assamese, | 1 | 12mo, | 18 | 2,000 | 36,000 |
| 1851 | Geography of Asia, | Assamese, | 1 | 12mo, | 146 | 1,000 | 146,000 |
| | | | | | | 74,800 | 4,954,850 |

Of works which have been printed for the Government Schools, and for individuals, the number of copies mentioned below were printed as extra for the use of the Mission:

| | Title of Work. | Language. | Ed. | Size. | Pages. | No. Copies. | Total Pages. |
|---|---|---|---|---|---|---|---|
| | Observation on the Garos, | English, | 1 | 8vo, | 24 | 25 | 600 |
| | Mr. Elliot's Report on the Garos, | English, | 1 | 8vo, | 28 | 25 | 700 |
| | Mr. Sisson's Report on the Garos, | English, | 1 | 8vo, | 38 | 25 | 950 |
| | Instructions of Court of Directors, | English, | 1 | 8vo, | 12 | 25 | 300 |
| | Relations with Angami Nagas, | English, | 1 | 8vo, | 27 | 25 | 675 |
| | Garo Primer, | Garo, | 1 | 16mo, | 16 | 25 | 200 |
| | Garo Reader, | Garo, | 1 | 8vo, | 56 | 25 | 1,400 |
| | Easy Reading Lessons, | Bengali, | 3 | 12mo, | 42 | 250 | 10,500 |
| | Bengali Primer, | Bengali, | 4 | 16mo, | 12 | 250 | 3,000 |
| | Land Surveying, | Bengali, | 1 | 8vo, | 38 | 150 | 5,700 |
| | Vocabulary and Phrases, | Bengali and Khamti, | 1 | 12mo, | 35 | 150 | 6,750 |
| | Scripture Catechism, | English, | 1 | 18mo, | 20 | 125 | 2,500 |
| | Vocabulary and Phrases, | English, Miri and Abor, | 1 | 12mo, | 90 | 50 | 9,500 |
| | | | | | | 1,150 | 42,775 |

| | |
|---|---|
| Orunodoi Newspaper, 55 numbers, up to December, 1850, and six extra pages, making 222 pages folio, 600 copies, | 133,200 |
| Nine numbers in 1851, 400 copies, | 14,400 |
| Magazine form, 55 numbers, up to December, 1850, with title page and index, and two extra pages, royal octavo size, 452 pages, 500 copies, making pages | 226,000 |
| Nine numbers in 1851, royal octavo, 1,000 copies, | 144,000 |
| Total pages, | 5,515,225 |
| Reported previously to 1846, | 2,860,500 |
| Whole number from the beginning, | 8,375,725 |

[১৬] American Baptist Missionary, *Thirtyeight Annual Report Mission to Assam,* May, 1852.

## ৩.০৫ ঊনবিংশ শতিকাত অসমীয়া গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত আমেৰিকান মিছনাৰীসকলৰ অৱদানসমূহৰ সমীক্ষা ঃ

অসমৰ 'আমেৰিকান বেপ্টিষ্ট মিছন'ৰ যি ইতিহাস, সেয়া আধুনিক অসমীয়া সাহিত্যৰো এক উল্লেখযোগ্য ইতিহাস। ১৮৩৬ খ্ৰীষ্টাব্দত অসমলৈ আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলৰ আগমনৰ পিছৰে পৰা অসমীয়া জাতি আৰু ভাষাৰ এক নৱজাগৰণ হ'বলৈ ধৰে।[১৭] অসমীয়া ভাষাই পুনৰ ন-ৰূপেৰে আগবাঢ়িবলৈ সক্ষম হয়।

অসমত আমেৰিকান বেপ্টিষ্ট মিছনৰ উদ্যোগত সম্পাদিত কামসমূহৰ ভিতৰত অন্যতম হৈছে ঃ

১। অসমীয়া ভাষাত ছপা পুথি প্ৰকাশ কৰাৰ বাবে আধুনিক মুদ্ৰণ ব্যৱস্থা হিচাপে বেপ্টিষ্ট মিছনাৰীসকলে অসমত পোন প্ৰথম ছপাশাল প্ৰতিষ্ঠা কৰে।

২। অসমৰ মাটিত পোন প্ৰথমবাৰৰ বাবে সম্পাদিত ৰূপত অসমীয়া আলোচনী প্ৰকাশৰ কাম আৰম্ভ হয়। 'অৰুণোদই' নামৰ উক্ত মাহেকীয়া কাকতখনে ঊনবিংশ শতিকাত প্ৰায় ৩৫ বছৰ কাল (১৮৪৬-১৮৮৩ খ্ৰীঃ) পঢ়ুৱৈ সমাজলৈ সেৱা আগবঢ়ায়।

৩। অসমীয়া ভাষাত খ্ৰীষ্টান ধৰ্মৰ বিভিন্ন পুথি ছপা কৰি বিতৰণ কৰাৰ উপৰি পৰৱৰ্তী পৰ্যায়ত অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়সমূহৰ পাঠ্যপুথি অনুবাদ আৰু সম্পাদনা কৰি প্ৰকাশ কৰি উলিয়ায়।

৪। অসমত অনুন্নত শ্ৰেণীৰ লোকসকলৰ বাবে বহুলভাৱে বিদ্যালয় প্ৰসাৰিত হোৱাৰ ক্ষেত্ৰত মিছনাৰীসকলৰ অৱদান অতি গুৰুত্বপূৰ্ণ।

৫। মিছনাৰীসকলে অসমৰ মহিলাসকলৰ মাজত শিক্ষাৰ বীজ ৰোপণ কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণি অতি লেখত ল'বলগীয়া। ১৮৫৫ খ্ৰীষ্টাব্দত, অসমৰ আনন্দৰাম ঢেকিয়াল ফুকনে আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলৰ কৃতকাৰ্যতাক অতি গুৰুত্ব দি নিজৰ মনোভাৱ ব্যক্ত কৰি গৈছে এইদৰে,

> 'অসমৰ আমেৰিকান মিছনেৰীসকলে যোৱা ২০ বছৰ ধৰি অসমীয়া ভাষাৰ প্ৰতি উৎসাহী আছিল আৰু অসমীয়া ভাষাক সমৰ্থন কৰিছিল। তেওঁলোকৰ বাবেই আমি অসমীয়া জাতিয়ে অসমীয়া ভাষাত প্ৰথম প্ৰকাশিত সংবাদপত্ৰিকা ছপা ৰূপত পাইছিলোঁ আৰু অসমীয়া ভাষা পুনৰ জীপাল হৈ উঠিছিল একমাত্ৰ মিছনেৰীসকলৰ বাবেহে। উঠি অহা নৱ-প্ৰজন্মই তেওঁলোকৰ দেশীয় ভাষা আৰু সাহিত্যক সাঁচি ৰখাৰ বাবে মিছনেৰীসকলৰ ওচৰত সদাকৃতজ্ঞ হৈ ৰ'ব।'

---

[১৭] পৰিশিষ্ট **'ছ'** ত আমেৰিকান বেপ্টিষ্ট মিছনৰ উল্লেখযোগ্য ব্যক্তিসকলৰ ছবি আৰু অন্যান্য তথ্য সংলগ্ন কৰা হৈছে।

মিছনাৰীসকলৰ মুখ্য উদ্দেশ্য আছিল অসমীয়া ভাষাত 'বাইবেল' আৰু ধৰ্মীয় পুথিসমূহ ছপা কৰা। তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। তেওঁলোকে প্ৰাথমিক শিক্ষা বিষয়ৰ বহু পুথি অসমীয়া ভাষাত ৰচনা কৰিছিল। ইতিহাস, ভূ-তত্ত্ব, গণিত আৰু বিভিন্ন বিষয়ৰ ওপৰত গ্ৰন্থ প্ৰস্তুত কৰি প্ৰকাশ কৰি উলিয়াইছিল। অসমীয়া ভাষাত প্ৰকাশ কৰা মাহেকীয়া আলোচনী 'অৰুণোদই'ত ধৰ্মীয়, বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ বিষয়সমূহ একত্ৰিতভাৱে ছপা কৰি প্ৰকাশ কৰিছিল। ১৮৪৬ খ্ৰীষ্টাব্দৰ পৰা ১৮৮০ খ্ৰীষ্টাব্দলৈকে প্ৰকাশিত 'অৰুণোদই' আলোচনীখনৰ ভূমিকা অসম ইতিহাসৰো এক স্বৰ্ণিল অধ্যায় স্বৰূপ।

## ৩.০৬ ঊনবিংশ শতিকাত আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলৰ দ্বাৰা পুৰণি অসমীয়া পুথি সংগ্ৰহ কৰাৰ তথ্য ঃ

নাথান ব্ৰাউন আৰু বেপ্টিষ্ট মিছনাৰীসকলে শিৱসাগৰত নিগাজিকৈ থাকিবলৈ লৈ অসমৰ পুৰণি পুথি সংগ্ৰহৰ কাম আৰম্ভ কৰিছিল। ১৮৪০ খ্ৰীষ্টাব্দৰ পৰা ১৮৫০ খ্ৰীষ্টাব্দলৈ এই কামত ব্ৰতী হৈ গ্ৰন্থ সংগ্ৰহ কৰে। তেওঁলোকে সংগ্ৰহ কৰা পুথিসমূহ শিৱসাগৰত থকা এ.কে.গাৰ্ণি আৰু নগাঁৱত কৰ্মৰত পি.এইচ.মূৰৰ তত্ত্বাৱধানত সংৰক্ষণ কৰা হয় আৰু পৰৱৰ্তী পৰ্যায়ত গুৱাহাটীৰ বেপ্টিষ্ট মিছনৰ গ্ৰন্থাগাৰলৈ সংৰক্ষণৰ বাবে প্ৰেৰণ কৰে।

আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলে সেই সময়ত মুঠতে ১৮ খন পুথি সংগ্ৰহ কৰিছিল।[১৮]

সেই গ্ৰন্থসমূহৰ ভিতৰত নিম্নোক্ত ১২ (বাৰ)খন গ্ৰন্থৰ নাম উদ্ধাৰ কৰিব পৰা হৈছে। সেইসমূহ হ'ল,-

১। ৰাম সৰস্বতীৰ দ্বাৰা ৰচিত মহাভাৰতৰ 'মণি চন্দ্ৰ ঘোষ' খণ্ড

২। শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত 'শ্ৰীমদ্ভাগৱত' একাদশ স্কন্ধ

৩। বৈদ্যনাথ দ্বিজ বিৰচিত 'তুলসী দূত কাব্য'

৪। শ্ৰীধৰ স্বামীৰ ছন্দত থকা 'দীপিকা ছন্দ' সহ 'ভাগৱত পুৰাণ'ৰ পঞ্চম, ষষ্ঠ আৰু স্বৰোদয় স্কন্ধ।

৫। হৰিদেৱ শৰ্মা প্ৰণীত 'জ্যোতিষ সংক্ষেপ'

৬। স্মৃতিকাৰ ৰঘুনন্দনৰ দ্বাৰা ৰচিত 'জোতিষ তত্ত্ব'

৭। চাণক্যৰ 'প্ৰৱচন'ৰ খণ্ডিত অসমীয়া অনুবাদ

---

[১৮] এই পুথিসমূহৰ বিষয়টো ১৯২৫ খ্ৰীষ্টাব্দৰ মে' মাহত সূৰ্য্যকুমাৰ ভূঞাৰ দৃষ্টিগোচৰ হয়। ভূঞাই নাথান ব্ৰাউন সংগৃহীত পুৰণি অসমীয়া পুথিসমূহৰ এখন তালিকা সেই সময়ত প্ৰস্তুত কৰি উলিয়ায়। তালিকাখনৰ পৰা আমেৰিকান বেপ্টিষ্ট মিছনৰ ব্যক্তিসকলৰ অসমীয়া ভাষাৰ প্ৰতি থকা আন্তৰিকতা আৰু অসমীয়া জাতীয় প্ৰেমৰ প্ৰতি থকা মনোভাব বোধগম্য হয়।

৮। কিছু নেলেখা সাঁচিপতীয়া পৃষ্ঠা

৯। জয়ধ্বজ সিংহৰ পৰা ৰুদ্ৰ সিংহৰ দিনলৈকে এখন খণ্ডিত বুৰঞ্জী

১০। কামৰূপৰ বুৰঞ্জী, গ্ৰন্থখনত কামৰূপ আৰু কোচবিহাৰৰ ইতিহাস বৰ্ণনাৰে ৰচিত।

১১। লক্ষ্মী সিংহৰ বুৰঞ্জী

১২। দেওধাই অসম বুৰঞ্জী আদি।[১৯]

## ৩.০৭ ঊনবিংশ শতিকাত অসমীয়া গ্ৰন্থ প্ৰকাশনৰ উন্নয়ন সাধন কৰা আমেৰিকান বেপ্টিষ্ট মিছনৰ পুৰুষসকল ঃ

ঊনবিংশ শতিকাত অসমীয়া ভাষা-সাহিত্যৰ হকে কাম কৰি গ্ৰন্থ প্ৰকাশনৰ উন্নয়ন সাধন কৰা আমেৰিকান বেপ্টিষ্ট মিছনাৰীসকলৰ অন্যতম,-

**নাথান ব্ৰাউন ঃ** নাথান ব্ৰাউনৰ জন্ম ১৮০৭ খ্ৰীঃৰ ২২ জুনত আমেৰিকাৰ 'নিউ ইপচ্উইচ (New Ipswish, New Hampshire)ত।ব্ৰাউনে ১৮৩০ খ্ৰীঃত পত্নী এলিজা হুইটনী বেল্লাৰ্ড (Eliza Whitney Ballard) সহ ব্ৰহ্মদেশত খ্ৰীষ্টান মিছনাৰী ৰূপে কৰ্মজীৱন আৰম্ভ কৰে। কিন্তু আমেৰিকাৰ 'হোম মিছন ব'ৰ্ড' (Home Mission Board of America)ৰ নিৰ্দেশ মৰ্মে অসমত খ্ৰীষ্টান ধৰ্ম প্ৰতিষ্ঠা, প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ কাৰণে শদিয়ালৈ প্ৰেৰণ কৰে। ১৮৩৬ খ্ৰীঃৰ ২৩ মাৰ্চত ব্ৰাউনে পত্নী আৰু মুদ্ৰক অলিভাৰ থমাছ কট্টাৰ আৰু কট্টাৰৰ পত্নী হেৰিয়েট বি.এল. কট্টাৰ সহ শদিয়াত পদাৰ্পণ কৰেহি।

শদিয়াত তেওঁলোকে অন্যান্য কাম-কাজত মনোনিৱেশ কৰাৰ লগতে আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছ প্ৰতিষ্ঠা কৰি সেই ছপাশালৰ পৰা *'Spelling Book in English, Assamese and Tai, The Alphabet (Chart)'* আদি গ্ৰন্থ প্ৰকাশ কৰে। আমাৰ এই অধ্যয়নত প্ৰাপ্ত তথ্য অনুসৰি, অসমৰ মাটিত প্ৰতিষ্ঠা কৰা ছপাশালত মুদ্ৰণ কৰা এইখন হৈছে প্ৰথম গ্ৰন্থ।[২০] ব্ৰাউনে অসমৰ প্ৰথম মুদ্ৰিত গ্ৰন্থৰ লেখক, প্ৰকাশক আৰু বিতৰকৰ দায়িত্বৰে ঊনবিংশ শতিকাৰ গ্ৰন্থ প্ৰকাশনৰ শুভ সূচনা কৰে। গ্ৰন্থখন সম্প্ৰতি দুষ্প্ৰাপ্য যদিও, আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'ব'ষ্টন পাব্লিক লাইব্ৰেৰী' আৰু ফ্ৰান্সৰ পেৰিছত থকা 'চিটি লাইব্ৰেৰী'ত উক্ত গ্ৰন্থৰ কপি সংৰক্ষণ কৰাৰ তথ্য *Report of the Committee on the Library in Relation to the donations*

---

[১৯] মহেশ্বৰ নেওগ, 'ভূমিকা'- *অৰুণোদই* ১৮৬৪-১৮৫৪ ৰ সৌজন্যত, প্ৰকা. অ.প্ৰ.প., ২০০৩, পৃ. ৯৭।

[২০] E.W.Brown, *The Whole World Kin*, Pp.135.

*received from the City of Paris, City Document No.46* ত উল্লেখ কৰা হৈছে। এই প্ৰসংগত এই গৱেষণামূলক গ্ৰন্থৰ স্থানান্তৰত প্ৰামাণিক তথ্যসহকাৰে বিশ্লেষণ আগবঢ়োৱা হৈছে।

নাথান ব্ৰাউনে অসমীয়া ভাষাত আৰু অসমীয়া ভাষা সাহিত্যৰ বিষয়ে ইংৰাজী ভাষাত ভালেকেইখন গুৰুত্বপূৰ্ণ গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া ভাষাক সমৃদ্ধ কৰিছে। খ্ৰীষ্টধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ হকে অনুবাদ সহ ৰচনা কৰা গ্ৰন্থসমূহৰ উপৰি অসমীয়া ভাষাৰ ব্যাকৰণ,- *Grammatical Notices on the Assamese Language,* বাইবেলৰ 'নিউ টেষ্টামেণ্ট'ৰ অসমীয়া অনুবাদ *'নতুন নিয়ম'* আদি গ্ৰন্থ প্ৰকাশ কৰিছে।

ব্ৰাউনৰ অন্যতম সৃষ্টি হৈছে অসমীয়া ভাষাত পোন প্ৰথমবাৰৰ বাবে মাহেকীয়া ভিত্তিত 'অৰুণোদই' আলোচনীৰ প্ৰকাশ। অলিভাৰ থমাছ কট্টাৰক মুদ্ৰক হিচাপে লৈ আমেৰিকান বেপ্টিষ্ট মিছনৰ উদ্যোগত নাথান ব্ৰাউনে ১৮৪৬ খ্ৰীঃৰ জানুৱাৰীৰ পৰা ১৮৫৪ খ্ৰীঃৰ ডিচেম্বৰলৈকে সুদীৰ্ঘ ৯ বছৰ কাল 'অৰুনোদই'ৰ সম্পাদনা কৰে। ব্ৰাউনৰ সম্পাদনাত অৰুণোদইৰ পৃষ্ঠাত অসমৰ মানুহক জ্ঞাত কৰিব পৰাকৈ, *'প্ৰিন্টিং প্ৰেছৰ বিৱৰণ', 'হিন্দুস্থানি মাত'* (হিন্দী ভাষাৰ আভাস), আনন্দৰাম ঢেকিয়াল ফুকনৰ *'অসমীয়া ল'ৰাৰ মিত্ৰ', 'পুৰণি অসম বুৰঞ্জী', 'চুটীয়া বুৰঞ্জী', 'কামৰূপৰ বুৰঞ্জী', 'হিন্দুস্থানৰ বুৰঞ্জী', 'জাত্ৰিকৰ জাত্ৰা'* (অনুবাদ) আদি প্ৰকাশিত হয়। ব্ৰাউনে আৰম্ভ কৰা এই আলোচনীখন ব্ৰাউনৰ পৰৱৰ্তী সময়ৰ ১৮৮০ (১৮৮২-৮৩)লৈকে প্ৰচলিত হৈ অসমীয়া ভাষা-সাহিত্যৰ কীৰ্তিস্তম্ভ স্বৰূপে চিহ্নিত হৈ ৰয়। ঊনবিংশ শতিকাৰ বহু তথ্যৰ বাবে 'অৰুণোদই' আলোচনীখনৰ সংৰক্ষিত সংখ্যাসমূহ সম্প্ৰতি অতি নিৰ্ভৰযোগ্য তথ্য আৰু জ্ঞানৰ ভঁৰাল হৈ আছে।

**মাইলছ ব্ৰনছন ঃ** ১৮১২ খ্ৰীষ্টাব্দত আমেৰিকাৰ নৰৱেত জন্মগ্ৰহণ কৰা মাইলছ ব্ৰনছনে ২৪ বছৰ বয়সত অসমত মিছনাৰী হিচাপে নিযুক্তি লাভ কৰে। আমেৰিকাৰ 'Home Board of Missionaries'ৰ দ্বাৰা নিয়োগপ্ৰাপ্ত হৈ লগত পত্নী ৰুথ মণ্টেগ' লুকাছ সহ ১৮৩৬ খ্ৰীষ্টাব্দৰ ২৩ মে'ত মাইলছ ব্ৰনছনে অসমলৈ বুলি যাত্ৰা আৰম্ভ কৰে আৰু ১৮৩৭ খ্ৰীষ্টাব্দৰ ১৭ জুলাই তাৰিখে অসমৰ শদিয়াত উপস্থিত হয়হি। তেওঁ ১৮৫৫ খ্ৰীষ্টাব্দলৈকে কাৰ্য নিৰ্বাহ কৰি আমেৰিকালৈ ঘূৰি যায় যদিও, তেওঁৰ জী মেৰী ব্ৰনছনক লগত লৈ পুনৰ অসমলৈ ঘূৰি আহে ১৮৭০ খ্ৰীষ্টাব্দৰ মাৰ্চ মাহত। ব্ৰনছনে প্ৰায় ৪২ বছৰ কাল অসমত মিছনাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ব্ৰনছন আছিল নগাঁও অনাথ প্ৰতিষ্ঠান (নগাঁও অৰফেন ইনষ্টিটিউচন) ৰ প্ৰতিষ্ঠাপক আৰু মূল হোতা। অসমত কটোৱা ৪২ বছৰ কালছোৱাত ব্ৰনছনে অসমীয়াৰ লগতে অসমৰ দাঁতিকাষৰীয়া অঞ্চলৰ বিভিন্ন আঞ্চলিক ভাষাত অনুবাদ আৰু গ্ৰন্থ প্ৰণয়ন কৰাৰ লগতে

শিক্ষক হিচাপেও দায়িত্ব পালন কৰিছিল। ব্ৰনছনৰ সবাতোকৈ মূল্যৱান অৱদান হৈছে অসমীয়া ভাষাৰ পৰা ইংৰাজী শব্দ সম্ভাৰেৰে কৰা অভিধান প্ৰণয়ন। তদুপৰি ব্ৰনছনে বহুতো ভক্তিমূলক গীত অসমীয়ালৈ অনুবাদ কৰি থৈ গৈছে।

মাইলছ ব্ৰনছন অসমলৈ অহাৰ সময়ত অসমীয়া ভাষাৰ স্থিতি বৰ দুৰ্বল আছিল। ১৮৩৬ খ্ৰীষ্টাব্দত ব্ৰিটিছ ইণ্ডিয়া চৰকাৰৰ দ্বাৰা অসমত বাংলা ভাষাক সকলো বিদ্যালয়, চৰকাৰী কাৰ্যালয়, আইন-আদালত, কাছাৰী আদিত চৰকাৰী কাম-কাজৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ নিৰ্দেশ বলবৎ হৈছিল। সেই সময়ত অসমীয়া লোকসকলৰ মাজত নিজ মাতৃভাষা অসমীয়াৰ এনে অৱস্থা সত্ত্বেও বাংলা ভাষা জাপি দিয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ ক্ষেত্ৰত উপযুক্ত লোকৰ অভাৱ আছিল। এনে এটি সন্ধিক্ষণত অসমত বাংলা ভাষাৰ প্ৰভাৱ ক্ৰমবৰ্ধমান গতিত অগ্ৰসৰ হোৱাৰ সময়তেই অসমলৈ আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ আগমন ঘটে। তেওঁলোকৰ ভিতৰত নাথান ব্ৰাউনৰ লগতে মাইলছ ব্ৰনছন আছিল অন্যতম। আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ বাটকটীয়াস্বৰূপে ব্ৰনছনে কেইবাটিও দিশত উল্লেখযোগ্য কাম কৰিছিল। সেই সময়ত আনন্দৰাম ঢেকিয়াল ফুকনকে ধৰি কেইজনমান অসমীয়া ভাষা প্ৰেমিকে অসমত অসমীয়া ভাষা প্ৰচলন কৰাৰ হকে ব্ৰিটিছ ৰাজক নানান প্ৰকাৰে হেঁচা প্ৰয়োগ কৰিছিল। অসমৰ নিজস্ব অসমীয়া ভাষাক অসমৰ বিদ্যালয়, চৰকাৰী কাম-কাজ আদিত পুনৰ প্ৰতিষ্ঠাৰ হকে চেষ্টা কৰিছিল। ব্ৰনছনে অতি কম সময়তে অসমীয়া ভাষা আয়ত্ত কৰিছিল। মাইলছ ব্ৰনছনে অসমীয়া ভাষা অসমত পুনৰ প্ৰতিষ্ঠাৰ সংগ্ৰামৰ বাবে যুঁজ দিছিল আৰু সকলোৰে প্ৰচেষ্টাৰ ফলস্বৰূপে ১৮৭৩ খ্ৰীষ্টাব্দত অসমত পুনৰ অসমীয়া ভাষাক চৰকাৰী মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ ঘোষিত হৈছিল। ব্ৰনছনে অসমীয়া লোকসকলৰ বাবে ইংৰাজী ভাষাৰ বহু পুথি অসমীয়ালৈ অনুবাদ কৰিছিল, বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়া মাধ্যমৰ পাঠ্যপুথি যুগুতাই দিছিল আৰু শিক্ষাদানৰ ক্ষেত্ৰতো ব্ৰতী হৈছিল।

মাইলছ ব্ৰনছনৰ *A Spelling Book and Vocabulary in English, Assamese, Singpho and Naga* গ্ৰন্থখন ২৫২ পৃষ্ঠাৰ। এই গ্ৰন্থখন অসমৰ জয়পুৰত প্ৰতিষ্ঠা কৰা আমেৰিকান বেপ্টিষ্ট মিছনৰ ছপাশালত ১৮৩৯-৪০ খ্ৰীষ্টাব্দত ছপা কৰি প্ৰকাশ কৰা হৈছিল। মাইলছ ব্ৰনছনৰ দ্বাৰা অনূদিত অন্যান্য গ্ৰন্থসমূহৰ ভিতৰত,- *'সুবৰ্ণৰ তুল'* (*The Golden Balanu Conversation*), *'ধৰম অৱতাৰ'*, *'পাপ মোচনৰ সত্য উপায়'* (*Sin and Its Remedy*) আদি বিশেষভাৱে উল্লেখনীয়। *'অসমীয়া - ইংৰাজী অভিধান'* ব্ৰনছনৰ অন্যন্য কৃতি। ১৮৬৭ খ্ৰীষ্টাব্দত প্ৰকাশ পোৱা এই অভিধানখনৰ শব্দসংখ্যা ১৪০০,

পৃষ্ঠাসংখ্যা ৬০৯। অসমীয়া ভাষাৰ প্ৰথম অভিধান ৰূপে এই *'অসমিয়া-ইংৰাজি অভিধান'*খনে অসমীয়া ভাষা সাহিত্যৰ অগ্ৰগতিত অগ্ৰণী ভূমিকা পালন কৰিছে।

**উইলিয়াম ৱাৰ্ড**[২১] ঃ উইলিয়াম ৱাৰ্ডে ১৮৫১ খ্ৰীঃৰ এপ্ৰিলত আমেৰিকাৰ পৰা আহি প্ৰথমে অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ কাম-কাজত ব্ৰতী হয় যদিও ঊনবিংশ শতিকাৰ মধ্যভাগত অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নয়নৰ কামত মনোনিৱেশ কৰে। উইলিয়াম ৱাৰ্ড এগৰাকী ভাষাতত্ত্বৰ অনুৰাগী ব্যক্তি ৰূপে পৰিচিত আছিল। তেওঁ ১৮৬১ খ্ৰীষ্টাব্দৰ পৰা ১৮৭৩ খ্ৰীষ্টাব্দলৈ *'অৰুণোদয়'*ৰ সম্পাদকৰ দায়িত্বত আছিল। উল্লেখযোগ্য যে, ৱাৰ্ডৰ দিনতে হেমচন্দ্ৰ বৰুৱাৰ উপদেশ মৰ্মে ১৮৬১ খ্ৰীষ্টাব্দৰ পৰা 'অৰুনোদই'ৰ শব্দ জোটনিত 'দন্ত্য' 'ন' ৰ ঠাইত মূৰ্ধন্য 'ণ' আৰু হ্ৰস্ব 'ই' ৰ ঠাইত অন্তস্থ 'য়' ব্যৱহাৰ কৰিবলৈ লোৱা হৈছিল। ফলত প্ৰথম অৱস্থাত 'অৰুনোদই সম্বাদ পত্ৰ' নামেৰে প্ৰকাশ পোৱা কাকতখনৰ নাম পৰৱৰ্তী পৰ্যায়ত কেৱল 'অৰুণোদই' সম্বাদ পত্ৰ ৰূপে প্ৰকাশিত হৈছিল আৰু ১৮৬১ খ্ৰীষ্টাব্দৰ পৰা আলোচনীখনৰ নাম *'অৰুণোদয়'* বুলি প্ৰকাশিত হয়।

উইলিয়াম ৱাৰ্ডে লিখা উল্লেখযোগ্য গ্ৰন্থ হৈছে 'খ্ৰীষ্ট ধৰ্ম গীত' (*Genesis, Exodus and Psalms of 'Old Testament' of the Bible*)। বাইবেলৰ *'পুৰণি নিয়ম'*খণ্ডৰ অন্তৰ্গত গীতৰ অনুবাদেৰে সমৃদ্ধ এই গ্ৰন্থখন শিৱসাগৰৰ বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা প্ৰকাশ পায়। একাধিক পৰিবৰ্ধিত সংস্কৰণ প্ৰকাশিত হয়। এই গ্ৰন্থখনৰ চতুৰ্থ সংস্কৰণ ১৮৯০ খ্ৰীষ্টাব্দত প্ৰকাশিত হয়।

উইলিয়াম ৱাৰ্ড আছিল এগৰাকী সাহিত্য ৰসিক ব্যক্তি। অসমত তেওঁ কবি তথা এগৰাকী সুদক্ষ অনুবাদক হিচাপে জনাজাত আছিল। ১৮৫১ খ্ৰীষ্টাব্দত এছ.এম.হোৱাইটিঙৰ লগত ৱাৰ্ড গুৱাহাটীলৈ আহি ছয় বছৰ মিছনাৰীৰ কামত জড়িত হয়হি। মাজতে গৃহভূমি আমেৰিকালৈ গৈ তিনিবছৰ থকাৰ পিছত ১৮৬০ খ্ৰীষ্টাব্দত পুনৰ শিৱসাগৰলৈ উভতি আহে আৰু দহ বছৰ কোনো দ্বিতীয় এগৰাকী মিছনাৰীৰ সহায় নোহোৱাকৈ ৱাৰ্ড অকলে সমাজসেৱাৰ কামত ব্ৰতী হয়। শিৱসাগৰত স্থাপিত মিছন প্ৰেছৰ চোৱা-চিতা, 'অৰুণোদয়'ৰ সম্পাদনা আদিকে ধৰি ৱাৰ্ড বহু সংখ্যক সাহিত্যকৰ্মৰ লগত জড়িত হৈ পৰিছিল। ৱাৰ্ডে খ্ৰীষ্টান ভক্তিমূলক গীতৰ পুথি অনুবাদ তথা প্ৰকাশ কৰাৰ লগতে অসমীয়া ভক্তিমূলক গীতৰ পুথিসমূহ

---

[২১] ১৮৫৯ খ্ৰীষ্টাব্দত উইলিয়াম ৱাৰ্ডৰ পত্নী কৰডেলিয়া (Mrs.Cordelia S.Helfron Ward) ৰ পৰলোকপ্ৰাপ্তি ঘটাত ১৮৬০ খ্ৰীষ্টাব্দত সেই সময়ত অসমত কৰ্মৰত এগৰাকী বিধৱা মিছনাৰী শ্ৰীমতী ছুছানক পুনৰ বিবাহ কৰে। ছুছান ৱাৰ্ডেও অসমীয়া ভাষাত ভালেকেইখন গ্ৰন্থ প্ৰণয়ন কৰি মিছন প্ৰেছৰ পৰা মুদ্ৰিত আৰু প্ৰকাশ কৰিছিল।

সংশোধিত ৰূপত নতুন সংস্কৰণ হিচাপে প্ৰকাশ কৰে। তেওঁ কিছু পুৰণি আৰু অনূদিত ভক্তিমূলক গীত নতুনকৈ অন্তৰ্ভুক্ত কৰি গ্ৰন্থাকাৰে প্ৰকাশ কৰে। ১৮৭২ খ্ৰীষ্টাব্দত একান্ত চিত্তে বাইবেলৰ অসমীয়া অনুবাদৰ কামত মনোনিৱেশ কৰে। কিন্তু কাম সম্পূৰ্ণ হোৱাৰ পূৰ্বেই ১৮৭৩ খ্ৰীঃৰ ১ আগষ্টত শিৱসাগৰত তেওঁৰ পৰলোক প্ৰাপ্তি ঘটে।

**এছ.এম.হোৱাইটিং** ঃ ১৮৫১ খ্ৰীষ্টাব্দত ছেমুৱেল মেলেন হোৱাইটিং আৰু তেওঁৰ পত্নী মেৰী এলিজাবেথ ফ্লিণ্ট হোৱাইটিং মিছনাৰী হিচাপে শিৱসাগৰলৈ আহে। ১০ বছৰ হোৱাইটিং খ্ৰীষ্টীয় ধৰ্মযাজক আৰু ধৰ্মৰ প্ৰচাৰক তথা শিক্ষক আৰু অনুবাদক হিচাপে নিয়োজিত হয়। বাইবেলৰ ইছাইয়াহ (Isaiah) আৰু *‘পুৰণি নিয়ম’ (Old Testament)*ৰ কিছু পাঠাংশ অসমীয়ালৈ অনুবাদ কৰে। তদুপৰি অসমীয়া অভিধানৰ বাবে হোৱাইটিঙে বুজন সংখ্যক অসমীয়া শব্দ সংগ্ৰহ কৰি মাইলছ ব্ৰনছনক যুগুতাই দিয়ে। হোৱাইটিঙে ১৮৫৭ খ্ৰীঃৰ পৰা ১৮৬০ খ্ৰীঃলৈকে ‘অৰুণোদই’ৰ সম্পাদনা কৰিছিল। ১৮৫৫ খ্ৰীঃৰ ১৩ ফেব্ৰুৱাৰীত নাথান ব্ৰাউন পৰিয়ালসহ অসমৰ পৰা নিজ দেশলৈ উভতি যোৱাৰ সময়ত মিছনৰ কাম-কাজ চোৱা-চিতা কৰাৰ বাবে প্ৰথম অৱস্থাতহোৱাইটিং আৰু এ.এইচ.ডেনফ’ৰ্থহে অসমত আছিল। এসময়ত ডেনফ’ৰ্থে অসমৰ পৰা সাময়িকভাৱে স্বদেশলৈ যোৱাত হোৱাইটিঙে ‘অৰুণোদই’ৰ সম্পাদনা, প্ৰকাশনাৰ লগতে আনুষংগিক কাম অকলেই পৰিচালনা কৰিছিল।[২২] ১৮৭৮ খ্ৰীষ্টাব্দত ৫২ বছৰ বয়সত আমেৰিকাত হোৱাইটিঙৰ পৰলোকপ্ৰাপ্তি হয়।

**এ.এইচ.ডেনফ’ৰ্থ** ঃ ১৮৪৭ খ্ৰীষ্টাব্দৰ অক্টোবৰত অসমত মিছনাৰী হিচাপে নিযুক্তি পোৱা ডেনফ’ৰ্থে প্ৰথম অসমীয়া সংবাদপত্ৰ ‘অৰুণোদই’ৰ লগত জড়িত হৈ ১৮৫৫-৫৭ খ্ৰীঃত সম্পাদনাৰ দায়িত্ব পায়। ১৮৪৮ খ্ৰীষ্টাব্দত ডেনফ’ৰ্থ পৰিয়াল সহিতে গুৱাহাটীত উপস্থিত হয়হি। তেওঁ আহি প্ৰথম বছৰতে ইটাৰে এটা ঘৰ সাজি এখন বিদ্যালয়ৰ বাবে কাম আৰম্ভ কৰেহি। ১৮৫১ খ্ৰীষ্টাব্দত ডেনফ’ৰ্থক সহায় কৰিবৰ বাবে উইলিয়াম ৱাৰ্ড আহি অসমত উপস্থিত হয়। ১৮৫২ খ্ৰীষ্টাব্দত ডেনফ’ৰ্থে গুৱাহাটীত থাকি বিভিন্ন কাম কৰে। ১৮৫৫ খ্ৰীঃত নাথান ব্ৰাউনে আমেৰিকালৈ যোৱাৰ সময়ত ডেনফ’ৰ্থ দুবছৰৰ বাবে শিৱসাগৰত থাকে আৰু সেই সময়তে ‘পিলগ্ৰিমছ প্ৰগ্ৰেছ’ নামৰ গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰি ‘যাত্ৰীকৰ যাত্ৰা’ নাম দি গ্ৰন্থাকাৰে প্ৰকাশ কৰে। ১৮৫৭ খ্ৰীঃত ডেনফ’ৰ্থে ‘অৰুণোদই’ৰ লগত জড়িত হৈ ১৮৫৫ খ্ৰীঃৰ পৰা ১৮৫৭ খ্ৰীঃৰ জানুৱাৰীলৈকে সম্পাদনাৰ দায়িত্ব লয়। আলোচনীৰ বাবে ডেনফ’ৰ্থে বহু প্ৰবন্ধ-পাতি লিখে।

[২২] Brown E.W., *The Whole World Kin,* Pp.433

১৮৫৭ খ্ৰীঃত জ'ন বানায়নৰ *Pilgrimage Progress* নামৰ ইংৰাজী পুথিখন *'জাত্ৰিকৰ জাত্ৰা'* নামেৰে নাথান ব্ৰাউনে অসমীয়া অনুবাদ কৰা পুথিখনৰ কিছু অংশ অনুবাদ কৰে। তদুপৰি ১৮৭০ খ্ৰীঃত *'আপত্তি নাশক'* নামে আন এখন গ্ৰন্থ অনুবাদ কৰি প্ৰকাশ কৰে। ডেনফ'ৰ্থৰ অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি আগবঢ়োৱা অৰদানে ঊনবিংশ শতিকাত অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

**চাইৰাছ বাৰ্কাৰ ঃ** আমেৰিকাৰ 'Home Board of Missionaries'এ চাইৰাছ বাৰ্কাৰক অসমলৈ প্ৰেৰণ কৰে। ১৮৪০ খ্ৰীঃৰ মে মাহত ৩৫ বছৰ বয়সত চাইৰাছ বাৰ্কাৰে তেওঁৰ পত্নী আৰু ৰ'ডা ব্ৰনছনক লগত লৈ অসমৰ জয়পুৰত উপস্থিত হয়। ১৮৪০ খ্ৰীঃত পৰিয়াল শিৱসাগৰত থাকিবলৈ লয়হি। আমেৰিকান খ্ৰীষ্টান মিছনৰ দ্বাৰা প্ৰতিষ্ঠিত মিছন প্ৰেছটো ১৮৪১ খ্ৰীঃৰ শেষত জয়পুৰৰ পৰা শিৱসাগৰলৈ স্থানান্তৰ কৰাৰ পিছত চাইৰাছ বাৰ্কাৰ গুৱাহাটীলৈ গুচি আহি অন্যান্য কামত ব্ৰতী হয়। চাইৰাছ বাৰ্কাৰে গুৱাহাটী আৰু ইয়াৰ ওচৰে-পাজৰে কেইবাখনো বিদ্যালয় স্থাপন কৰে। বাৰ্কাৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যপুথিও যুগুতায়। জয়পুৰস্থিত মিছন প্ৰেছৰ লগত জড়িত হৈ গ্ৰন্থ মুদ্ৰণ আৰু প্ৰকাশনৰ কামত চাইৰাছ বাৰ্কাৰ জড়িত হয়হি। বাৰ্কাৰৰ জৰিয়তে প্ৰকাশ পোৱা পুথিয়ে ঊনবিংশ শতিকাত অসমীয়া সাহিত্য জগতলৈ এক বৃহৎ অৰদান আগবঢ়ায়। ১৮৪৯ খ্ৰীষ্টাব্দত বাৰ্কাৰ পৰিয়ালসহ আমেৰিকালৈ উভতি যাওঁতে বাটতে দক্ষিণ মহাসাগৰত বাৰ্কাৰৰ মৃত্যু হয়। মিছনাৰী হিচাপে বাৰ্কাৰে অসমত ১০ বছৰতকৈ কম সময় কাম কৰিছিল যদিও অসমৰ বিদ্যায়তনিক আৰু গ্ৰন্থ প্ৰকাশন কাৰ্যত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি থৈ যায়।

**এ.কে.গাৰ্ণি (আলবানোচ কিম্বল গাৰ্ণি)** ঃ ১৮৭৪ খ্ৰীঃত আমেৰিকাৰ পৰা খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ অৰ্থে এ.কে.গাৰ্ণি অসমৰ শিৱসাগৰলৈ আহে। অসমীয়া ভাষা-সাহিত্য আৰু বিশেষকৈ গ্ৰন্থ আৰু আলোচনী প্ৰকাশনৰ দ্বাৰা গাৰ্ণিয়ে ঊনবিংশ শতিকাত অসমীয়া সাহিত্য জগতলৈ উল্লেখযোগ্য অৰদান আগবঢ়ায়। ১৮৭৬ খ্ৰীঃত তেওঁ শিৱসাগৰত মিছন প্ৰেছ পৰিচালনা কৰাৰ দায়িত্ব গ্ৰহণ কৰে। ১৮৭৯ খ্ৰীঃত শিৱসাগৰৰ পৰা প্ৰকাশিত অসমীয়া সংবাদপত্ৰ 'অৰুণোদই'ৰ সম্পাদনা কৰে। বাইবেলৰ *'পুৰণি নিয়ম' (Old Testament)*ৰ অসমীয়া অনুবাদ (১৮৮১), *'ৰুথ আৰু যোচেফৰ কাহিনী'* (১৮৮১), *'কনি বেহেৰুৱাৰ বিষয়'* (১৮৭৮), *'এলেকেশী বেশ্যাৰ কথা'* (১৮৭৭), *'কামিনী কান্ত চৰিত্ৰ'* (১৮৭৭) আদি গ্ৰন্থ প্ৰকাশৰ জৰিয়তে ঊনবিংশ শতিকাত গাৰ্ণিয়ে অসমীয়া সাহিত্য জগতলৈ উল্লেখযোগ্য অৰদান আগবঢ়ায়। গাৰ্ণিয়ে অসমীয়াত গীত লিখাৰ লগতে ইংৰাজী গীত অসমীয়ালৈ অনুবাদ কৰে। *'এলেকেশী বেশ্যাৰ কথা' (The Story of the Prostitute Elokeshi)* আৰু *কামিনীকান্তৰ চৰিত্ৰ (The Character of Kaminikanta),* এই দুখন অনুবাদ উপন্যাসে অসমীয়া ভাষাত উপন্যাস ৰচনাৰ বাট মুকলি কৰে। খ্ৰীষ্টান

মিছনাৰীসকলে অসমীয়া ভাষাত মৌলিক উপন্যাস সৃষ্টি কৰা নাছিল যদিও, অনুবাদ গ্ৰন্থৰ যোগেদি অসমীয়া পঢ়ুৱৈ সমাজক খ্ৰীষ্টানগন্ধী গল্প-উপন্যাসৰ জৰিয়তে পাশ্চাত্যৰ সাহিত্যৰ ৰস পোৱাত সহায়ক ভূমিকা পালন কৰে। এ.কে.গাৰ্ণিয়ে নগাঁৱত ১৮৮৬ খ্ৰীঃৰ ১৮-২৯ ডিচেম্বৰত অনুষ্ঠিত অসমত থকা আমেৰিকান বেপ্টিষ্ট মিছনাৰী ইউনিয়নৰ ৫০ সংখ্যক বৰ্ষপুৰ্তি অনুষ্ঠান উপলক্ষে প্ৰকাশিত *'The Assam Mission of the American Baptist Missionary Union'* শীৰ্ষক গ্ৰন্থত লিখা 'The Bible in Assamese' (পৃ. ১১৩-১১৫) আৰু 'Our Missionary Dead' (পৃ.২৩৪-২৫৫) লেখা কেইটাত ঊনবিংশ শতিকাৰ অসমত গ্ৰন্থ প্ৰকাশনৰ বিষয়ে যথেষ্ট তথ্য সন্নিৱিষ্ট কৰিছে। শিৱসাগৰস্থিত আমেৰিকান বেপ্টিষ্ট মিছন প্ৰেছৰ মুদ্ৰক, কাৰ্যাধ্যক্ষ আৰু 'অৰুণোদই'ৰ ১৮৭৯ৰ সম্পাদক গাৰ্ণিৰ মৃত্যু হয় ১৯০৭ খ্ৰীঃত।

**এডৱাৰ্ড উইণ্টাৰ ক্লাৰ্ক** ঃ আমেৰিকান খ্ৰীষ্টধৰ্ম প্ৰচাৰক ক্লাৰ্ক অসমত মিছনৰ কামত ১৮৬৯ খ্ৰীঃত নিয়োজিত হয়। শিৱসাগৰৰ পৰা প্ৰকাশ পোৱা *'অৰুণোদয়'*ৰ লগত ক্লাৰ্ক ঘনিষ্ঠভাৱে জড়িত হৈ আলোচনীখনৰ মুদ্ৰণৰ দায়িত্ব বহন কৰে। ১৮৪০ খ্ৰীঃত হেৰিয়েট কট্টাৰে প্ৰণয়ন কৰি উলিওৱা *'ভকেবুলেৰী এণ্ড ফ্ৰেজেছ ইন ইংলিছ এণ্ড আছামিজ'* নামৰ পুথিখনিৰ খণ্ডবাক্যকোষ অংশটো ক্লাৰ্কে সংশোধন কৰি ১৮৭৭ খ্ৰীঃত *'ফ্ৰেজেছ ইন্ ইংলিছ এণ্ড আছামিজ'* নামেৰে শিৱসাগৰৰ মিছন প্ৰেছৰ পৰা পুনৰ প্ৰকাশ কৰে। ১৮৭৫ খ্ৰীঃত তেওঁ *'নানা ৰূপ দৃষ্টান্তৰে শিক্ষা দিয়া নীতি কথা'* নামেৰে এখন সাধুপুথি প্ৰণয়ন কৰে। ক্লাৰ্কৰ অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অৱদানে ঊনবিংশ শতিকাত অসমীয়া সাহিত্যৰ উন্নতি সাধনত যথেষ্ট সহায় কৰে।

**চি.এইচ.হেছেলমেয়াৰ** (C.H.Hesselmeyer)- চি.এইচ.হেছেলমেয়াৰে ১৮৫৭ খ্ৰীঃত তেজপুৰৰ চাৰ্চ মিছনৰ অধীক্ষক ৰূপে কাৰ্য নিৰ্বাহ কৰে। তেওঁৰ তত্ত্বাৱধানত দৰং জিলাত চাৰ্চ মিছনাৰী ছ'চাইটিয়ে কেইখনমান বিদ্যালয় স্থাপন কৰে। কছাৰী, মিকিৰ আৰু অনাৰ্য জনজাতিসকলক শিক্ষা ব্যৱস্থা প্ৰদান কৰাৰ অৰ্থে হেছেলমেয়াৰে অসমৰ উত্তৰ সীমান্তৰ পাহাৰীয়া জনজাতিসকলক লৈ বহু প্ৰবন্ধ লিখে। *'The Hill Tribes of Northern Frontier of Assam'* লেখাটি ১৮৬৮ খ্ৰীঃত J.A.S.B., Vol. XXVII, Calcutta ত প্ৰকাশিত হয়। ১৮৫৪ খ্ৰীঃত *'বাথ'* পুথিৰ অসমীয়া অনুবাদ, ১৮৫৫ খ্ৰীঃত *'ধৰম পুথিৰ বিৱৰণ'*, ১৮৬১ খ্ৰীঃত *'খ্ৰীষ্টিয়ান মণ্ডলীৰ সংক্ষেপ বিৱৰণ'* শীৰ্ষক অসমীয়া অনুবাদ পুথি আদি প্ৰকাশৰ জৰিয়তে ঊনবিংশ শতিকাত অসমীয়া সাহিত্যৰ গ্ৰন্থৰ ভঁৰাল চহকী কৰে।

## ৩.০৮ ঊনবিংশ শতিকাত আমেৰিকান বেপ্টিষ্ট মিছনৰ মহিলাসকল ঃ

ঊনবিংশ শতিকাত আমেৰিকাৰ পৰা আহি অসমত অসমীয়া ভাষা-সাহিত্য আৰু বিশেষকৈ গ্ৰন্থ আৰু আলোচনী প্ৰকাশনৰ কাৰ্যত ব্ৰতী হোৱা মহিলাসকলৰ ভিতৰত অন্যতম আছিল—

**এলিজা হুইটনি ব্ৰাউন ঃ** নাথান ব্ৰাউনৰ ভাৰ্যা এলিজা হুইটনি ব্ৰাউনে নিজ জীৱনৰ কুৰিটা বছৰ অসমতে কাৰ্য নিৰ্বাহ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'ভাৰমণ্ট' (Vermont) ত থকাৰ সময়তে এলিজা ব্ৰাউনৰ মন মিছনাৰী কামৰ প্ৰতি ঢাল খায় আৰু দুবছৰৰ পিছত স্বামীৰ লগত সপৰিয়ালে আহি প্ৰথমে ব্ৰহ্মদেশত উপস্থিত হয় আৰু তাত ৩ বছৰ কাম কৰাৰ পিছত তেওঁলোকে অসমৰ শদিয়া অভিমুখে ৰাওনা হয়। অসমত নাথান ব্ৰাউন আৰু এলিজা হুইটনি ব্ৰাউনে একনিষ্ঠভাৱে কামত ব্ৰতী হৈ অসমীয়া সাহিত্য জগতলৈ উল্লেখযোগ্য অৱদান আগবঢ়ায়। এলিজা ব্ৰাউনে বাংলা আৰু ইংৰাজী ভাষাৰ ভালেসংখ্যক পুথি অসমীয়ালৈ অনুবাদ কৰে। তেওঁ গণিতৰ বাবে উপযোগী পুথিও ৰচনা কৰি উলিয়ায়। ১৮৩৬-৩৭ খ্ৰীষ্টাব্দত এলিজা ব্ৰাউনে ১০-১২ গৰাকী ছাত্ৰীৰে এখন আবাসিক বিদ্যালয়ো স্থাপন কৰি অসমত মহিলাৰ শিক্ষাদান কাৰ্যৰ সূচনা কৰে। পৰৱৰ্তী সময়ত অসমৰ জয়পুৰ, শিৱসাগৰ, নগাঁওকে আদি কৰি বিভিন্ন স্থানত বিদ্যালয় প্ৰতিষ্ঠা কৰি শিক্ষাদানৰ কামত ব্ৰতী হয়। এলিজা ব্ৰাউনে অসমত অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰে। প্ৰথম অসমীয়া সংবাদ পত্ৰ *'অৰুনোদই'*ত এলিজা ব্ৰাউনে গল্প, গীত আদি শুদ্ধ আৰু সৰল অসমীয়া ভাষাত লিখে। তেওঁ লিখা গল্পসমূহৰ ভিতৰত *'ৰাম গতিৰ বিৱৰণ'*, আৰু *'ধৰমি চহৰিয়া এজনৰ বিৱৰণ'* উল্লেখনীয়। এলিজা ব্ৰাউনে অসমৰ বিদ্যালয়ত গণিতৰ পুথিৰ প্ৰয়োজন হোৱাত *'গণনৰ অঙ্ক'*আৰু *'বাৰেমতৰা'*নামে অসমীয়া বৰ্ণমালাৰ পুথি লিখে। তেওঁ *'Worchester & Princi'* নামৰ ইংৰাজী পুথিখন অসমীয়ালৈ অনুবাদ কৰে। তেওঁ ৰচনা কৰা আন এখন পাঠ্যপুথি *'ভূগোল বিৱৰণ'*(১৮৫১ খ্ৰীঃ) আৰু শিশু সাহিত্য পুথি *'সাধুৰ পুথি'*অসমীয়া সাহিত্য জগতলৈ উল্লেখযোগ্য অৱদান। ১৮৫০ খ্ৰীঃত *'অৰুণোদই'*ৰ তিনিটা সংখ্যাত *'মিত্যু হোআ পাদুৰি বাৰ্কাৰ চাহাবৰ বিবৰণ'*ত মিছনাৰী গৰাকীৰ কৰ্মবহুল জীৱন আৰু কৰুণ মৃত্যুৰ বৰ্ণনা আগবঢ়াইছে। উনবিংশ শতিকাত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আৰু শিক্ষাৰ দিশত আগবঢ়োৱা এলিজা ব্ৰাউনৰ অৱদান উল্লেখনীয়। এলিজা ব্ৰাউনৰ আন এটি উল্লেখযোগ্য অৱদান হৈছে, কৰ্মৰ আধাৰত ৰচনা কৰা *'The Whole World Kin'*গ্ৰন্থখন। এই গ্ৰন্থত অসমৰ বহু প্ৰাচীন কথাৰ তথ্য সন্নিৱিষ্ট হৈছে। এইখন এখন বুৰঞ্জী সদৃশ পুথি।

**হেৰিয়ট বি.এল.কট্টাৰ ঃ** অলিভাৰ থমাছ্ কট্টাৰৰ পত্নী হেৰিয়ট.বি.এল.কট্টাৰ ১৮৩১ খ্ৰীষ্টাব্দত স্বামীৰ লগত অসম অভিমুখে যাত্ৰা আৰম্ভ কৰি ১৮৩৬ খ্ৰীষ্টাব্দত শদিয়াত উপস্থিত হয়হি। 'মুদ্ৰক' হিচাপে কৰ্মৰত অলিভাৰ টি.কট্টাৰ সহিতে দুয়ো নানা বিপদ-বিপৰ্যয়ৰ মাজতো অসমীয়া ভাষা সাহিত্যৰ উৎকৰ্য সাধনাৰ্থে অহৰ্নিশে নিজকে ব্ৰতী কৰি ৰাখিছিল। শিক্ষকতাৰ লগতে ছপাখানাত ছপাবলগীয়া পাঠসমূহ প্ৰস্তুত কৰি সহযোগিতা আগবঢ়াই গ্ৰন্থ প্ৰকাশনৰ কাম সুচল কৰি দিছিল। অসমত আমেৰিকান বেপ্টিষ্ট মিছনৰ কৰ্ম পৰিকল্পনা হিচাপে হেৰিয়েট বি.এল.কট্টাৰে অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰাৰ লগতে বহুকেইখন পাঠ্যপুথি প্ৰস্তুত কৰি প্ৰকাশ কৰে। ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশনৰ দিশত হেৰিয়েটৰ বিশেষ অৱদান হৈছে ১৮৪০ খ্ৰীঃত প্ৰকাশ কৰা *'Vocabulary and Phrases in English and Assamese'* নামৰ পুথিখন। পুথিখনত বহুতো থলুৱা অসমীয়া শব্দ সংগ্ৰহ কৰি সন্নিৱিষ্ট কৰিছে। ঊনবিংশ শতিকাত অসমীয়া সাহিত্য জগতত হেৰিয়েট কট্টাৰে আগবঢ়োৱা অৱদান উল্লেখনীয়। ১৮১১ খ্ৰীঃৰ ৪ জানুৱাৰীত আমেৰিকাৰ মাছাছুচেটছত জন্ম হোৱা হেৰিয়েট বি.এল.কট্টাৰৰ ১৮৮৪ খ্ৰীঃৰ ২০ জানুৱাৰীত লণ্ডনত মৃত্যু হয়। ইংৰাজ সমাজৰ মাজত তেওঁ ল' (Law) নামেৰে জনাজাত আছিল।

**ছুছান আৰ.ৱাৰ্ড ঃ** আমেৰিকান বেপ্টিষ্ট মিছনাৰী উইলিয়াম ৱাৰ্ডৰ ভাৰ্যা শ্ৰীমতী ছুছান আৰ.ৱাৰ্ডে ৬০ জন-ছাত্ৰীৰে অসমত এখন বিদ্যালয় গঢ়ি তুলিছিল। শিৱসাগৰত ৱাৰ্ডে নিজকে চৰকাৰী বিদ্যালয়সমূহৰ কামত নিয়োজিত কৰিছিল। তেওঁ অসমলৈ আহিয়েই অসমীয়া ভাষা আয়ত্ত কৰি অসমীয়া ভাষাৰ পৃষ্ঠপোষকতাৰ কামত ব্ৰতী হয়। শিৱসাগৰৰ পৰা প্ৰকাশিত *'অৰুণোদয়'* আলোচনীৰ সৈতে ছুছানৰ ঘনিষ্ঠ সম্পৰ্ক হৈছিল। আলোচনীখনৰ ১৮৭৪ খ্ৰীঃৰ সংখ্যাসমূহৰ সম্পাদনাৰ দায়িত্বত আছিল তেওঁ। ১৮৪০ খ্ৰীঃত হেৰিয়েট বি.এল. কট্টাৰে প্ৰণয়ন কৰা *'Vocabulary and Phrases in English and Assamese'* নামৰ গ্ৰন্থখনৰ শব্দকোষ অংশটো ছুছানে সংশোধন কৰি *'Brief Vocabulary in English and Assamese with Rudimentary Exercise'* নামেৰে ১৮৬৪ খ্ৰীঃত প্ৰকাশ কৰে। অসমীয়াত *'ইংৰাজী আৰু অচমিয়া বাক্যৱলি'* নামৰ গ্ৰন্থখন শিৱসাগৰ মিছন প্ৰেছত মুদ্ৰণ কৰা হয়। ১৮৭৯ খ্ৰীঃত প্ৰকাশিত *'পাপ ক্ষেমা পোৱা এজনী', 'বাৰীৰ মিত্ৰ', 'গুৰু আহিল আৰু তোমাক মাতিছে'* আদি পুস্তিকা প্ৰস্তুত কৰি ঊনবিংশ শতিকাত অসমীয়া সাহিত্যলৈ অনৱদ্য অৱদান আগবঢ়ায়। ১৮৮৪ খ্ৰীঃত *'A Glimpse of Assam'* নামেৰে অসম বিষয়ক পুথি ৰচনা কৰে।

**ৰ'ডা ব্ৰনছন ঃ** ১৮৪০ খ্ৰীষ্টাব্দত ৰ'ডা ব্ৰনছন চাইৰাছ বাৰ্কাৰৰ পৰিয়ালৰ লগত অসমলৈ আহে। অসমলৈ আহিয়েই তেওঁৰ ভ্ৰাতৃ মাইলছ ব্ৰনছনৰ লগ লাগি মিছনৰ কামত ব্ৰতী হয়। ৰ'ডা ব্ৰনছনে মাইলছ

ব্ৰনছনক প্ৰকাশনৰ দিশত সকলো কামতে সহায় কৰিছিল। ঊনবিংশ শতিকাত অসমীয়া সাহিত্যৰ ভঁৰাললৈ বহু মূল্যৱান পুথি ৰচনা কৰা মাইলছ ব্ৰনছনক পৰোক্ষভাৱে হ'লেও ৰ'ডা ব্ৰনছনে যথেষ্ট উদগনি যোগায়। অসমৰ বিদ্যায়তনিক কামত নিজকে সম্পূৰ্ণভাৱে নিয়োজিত কৰা ৰ'ডা ব্ৰনছন একেলেথাৰিয়ে কেইবা মাহো জ্বৰত ভুগি অৱশেষত জয়পুৰত ইহলীলা সম্বৰণ কৰে।

**ফ্ৰান্সিছ ষ্টেডলী** ঃ স্বামী এপলটল ডেনফ'ৰ্থৰ সৈতে ফ্ৰান্সিছ ষ্টেডলীয়ে আমেৰিকাৰ পৰা প্ৰথমে শিৱসাগৰ আৰু তাৰ পিছত গুৱাহাটীত কাৰ্য নিৰ্বাহ কৰে। ১৮৪৭ ৰ পৰা ১৮৫৮ খ্ৰীঃলৈ ১১ বছৰৰ অক্লান্ত পৰিশ্ৰম কৰা এপলটল ডেনফ'ৰ্থৰ স্বাস্থ্যৰ অৱনতি ঘটাত তেওঁ পতিৰ লগতে আমেৰিকালৈ উভতি যায়। এপলটন ডেনফ'ৰ্ডৰ মৃত্যুৰ পিছত ১৮৭১ খ্ৰীষ্টাব্দত ফ্ৰান্সিছ ষ্টেডলী অসমলৈ পুনৰ উভতি আহে আৰু মাইলছ ব্ৰন্সনৰ লগত বিবাহ পাশত আৱদ্ধ হৈ অসমৰ গ্ৰন্থ প্ৰণয়ন কাৰ্যত ব্ৰতী হয়। ফ্ৰান্সিছ ষ্টেডলীয়ে এ.এইচ. ডেনফ'ৰ্থ আৰু মাইলছ ব্ৰনছনক প্ৰকাশন কাৰ্যত সহায় কৰাৰ হেতুকে দুয়োজনে অসমীয়া সাহিত্যৰ ভঁৰাললৈ বহু মূল্যবান গ্ৰন্থ আগবঢ়াব পাৰিলে।

**মেৰী ব্ৰনছন** ঃ মেৰী ব্ৰনছনৰ জন্ম হৈছিল নামৰূপৰ সমীপৱৰ্তী জয়পুৰত। তেওঁৰ সৰুকালতে পিতৃ মাইলছ ব্ৰনছন আৰু মাতৃ ৰুথ এম.এল.ব্ৰনছনৰ লগত নগাঁৱলৈ গুছি আহে। মেৰীয়ে সৰুকালৰে পৰা তেওঁৰ সমবয়সীয়া বা তেওঁতকৈও সৰু ল'ৰা-ছোৱালী গোটাই বাইবেলৰ শিক্ষা প্ৰদান কৰিছিল। পৰৱৰ্তী কালত মেৰীয়ে নগাঁও বালিকা বিদ্যালয় পৰিচালনা কৰি অসমৰ মহিলাসকলক শিক্ষিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

**কৰ্ডেলিয়া এছ. হেফৰণ ৱাৰ্ড ঃ** কৰ্ডেলিয়া এছ. হেফৰণ ৱাৰ্ড ২৫ বছৰ বয়সত স্বামী উইলিয়াম ৱাৰ্ডৰ লগত অসমলৈ আহে। ছয় বছৰ কাল ৱাৰ্ডে গুৱাহাটীত নিষ্ঠাৰে উইলিয়াম ৱাৰ্ডৰ সাহিত্য কৰ্মত সহযোগিতা আগবঢ়ায়।

**মেৰি এফ. লৰেন্স গাৰ্ণি** ঃ আমেৰিকান মিছনাৰী এ.কে. গাৰ্ণিৰ ভাৰ্যা। মেৰী এফ. লৰেন্স গাৰ্ণিয়ে ১৮৭৭ খ্ৰীঃত বাংলাভাষাত ৰচিত *'ফুলমণি ও করুণার বিৱৰণ'* পুথিখন অসমীয়া ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰে। তেওঁ ঊনবিংশ শতিকাত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ দিশত উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। ১৮৭৪ খ্ৰীঃৰ পৰা শিৱসাগৰ 'বেপ্টিষ্ট মিছন প্ৰেছ' স্থাপন আৰু *'অৰুণোদই'* আলোচনীৰ মুদ্ৰণ কাৰ্যত দায়িত্ব লোৱা এফ.কে.গাৰ্ণিক মেৰি লৰেন্স গাৰ্ণিয়ে যথেষ্ট সহায় কৰিছে।

## ৩.০৯ আমেৰিকান খ্ৰীষ্টান মিছনাৰীৰ দ্বাৰা দীক্ষিত অসমীয়া ব্যক্তিসকল

**নিধি লিবাই ফাৰ'ৱেল** (নিধিৰাম কেওঁট) ঃ বাল্যকালৰ নাম নিধিৰাম কেওঁট। জন্মসূত্ৰে অসমৰ গহপুৰৰ সন্তান নিধিৰামে ১৮৩৬-৩৭ খ্ৰীঃত শদিয়াত নাথান ব্ৰাউন-এলিজা ব্ৰাউনৰ উদ্যোগত স্থাপিত পঢ়াশালিত ছাত্ৰৰূপে যোগদান কৰাৰ সময়ৰে পৰা ক্ৰমে ব্ৰাউন দম্পত্তিৰ লগতেই জীৱনৰ শেষ বয়সলৈকে অতিবাহিত কৰে। নাথান ব্ৰাউন শদিয়া এৰি জয়পুৰ, শিৱসাগৰ আদিত থকা সমগ্ৰ সময়ছোৱাত নিধিৰাম তেওঁলোকৰ সঙ্গী হৈ থাকে। ১৮৪১ খ্ৰীঃৰ ১৩ জুনত জয়পুৰত নিধিৰামে বেপ্টিষ্ট খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰি নিজৰ নাম নিধি লিবাই ফাৰ'ৱেল (Nidhi Live Farwell) ৰূপে পৰিচিত হয়। অত্যন্ত মেধাসম্পন্ন, পৰিশ্ৰমী আৰু ধৰ্মপৰায়ণ ফাৰ'ৱেলে খ্ৰীষ্ট ধৰ্মৰ বহু পুথি অসমীয়ালৈ অনুবাদ কৰে। বেপ্টিষ্ট মিছনে অসমীয়া ভাষাৰ প্ৰথম সংবাদপত্ৰ তথা আলোচনী *'অৰুনোদই'* প্ৰকাশৰ আৰম্ভণিৰ সময়ছোৱাত আলোচনীখনত প্ৰকাশিত সৰ্বাধিক সংখ্যক লেখনি[২৩]ৰ প্ৰণেতা আছিল নিধি লিবাই ফাৰ'ৱেল। নিজৰ পৰিচয় প্ৰকাশ নকৰি, বিভিন্ন বিষয়ৰ লেখনি অনুবাদ, সংগ্ৰহ, সম্পাদিত ৰূপত যুগুতাই প্ৰকাশ কৰিছিল।

'বাইবেল'ৰ অ'ল্ড টেষ্টামেণ্ট'ৰ *Books of Samuel, Books of Kings, ভাৰতীয় দণ্ডবিধি আইন, পদাৰ্থ বিদ্যাৰ সাৰ,* অৰুণোদইত প্ৰকাশিত *'হিন্দুস্তানৰ বুৰঞ্জী', 'কণি বেহেৰুৱাৰ সাধু', 'স্বৰগৰ বিৱৰণ', 'নৰকৰ বিৱৰণ'* আদিৰ লিখক। ফাৰ'ৱেলে বেপ্টিষ্ট মিছন প্ৰেছৰ কম্প'জিটৰ ৰূপেও ব্ৰতী আছিল। ১৮৭৩ খ্ৰীঃৰ ২৮ জানুৱাৰীত নিধিৰাম কেওঁটৰ মৃত্যু হয়।

**বাতিৰাম দাস ঃ** বাতিৰাম দাস কায়স্থ সম্প্ৰদায়ৰ লেখক জীৱিকাধাৰী ফৈদৰ লোক। তেওঁ শিৱসাগৰ গীৰ্জাৰ প্ৰথম শিষ্য। বাতিৰাম আমেৰিকান বেপ্টিষ্ট মিছনে শদিয়াত ছপাশাল প্ৰতিষ্ঠা কৰা সময়তে সহায়ক হিচাপে নিযুক্ত হৈছিল। বাতিৰামে অলিভাৰ থমাছ কট্টাৰৰ লগত শদিয়া, জয়পুৰ আৰু শিৱসাগৰত থাকি ছপাশালৰ কাম শিকি অভিজ্ঞ হৈ উঠে। শিৱসাগৰত তেওঁ ছপাশালৰ Foreman হিচাপে কাৰ্যনিৰ্বাহ কৰে। ২৮ মে', ১৮৫৩ খ্ৰীঃত শিৱসাগৰৰ বকলিয়াঘাটত বাতিৰামৰ মৃত্যু হয়।

**কলিবৰ দাস** ঃ দ্বিতীয় খ্ৰীষ্টান, ১৩ জুলাই, ১৮৪৪। আমেৰিকান বেপ্টিষ্ট মিছনৰ প্ৰেছৰ কৰ্মীৰূপে নিয়োজিত ব্যক্তি।

**কান্দুৰা ৰ'লিন ঃ** আমেৰিকান বেপ্টিষ্ট মিছনৰ প্ৰেছৰ কৰ্মীৰূপে নিয়োজিত ব্যক্তি।

---

[২৩] মহেশ্বৰ নেওগ, *অৰুণোদই ১৮৪৬-৫৪*, ভূমিকা, পৃ.১৪৫।

## ৩.১০ অসমৰ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত ইংলেণ্ডৰ ব্ৰিটিছ, স্কটিছ আৰু অন্যান্য ব্যক্তিসকল ঃ

ঊনবিংশ শতিকাত অসমৰ ৰাজনৈতিক ক্ষমতা নিজৰ হাতলৈ নিয়া ব্ৰিটিছৰ শাসনকালত অসমৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ লগতে অসমৰ প্ৰশাসনীয় কাম-কাজত ব্ৰতী হোৱা ইংৰাজ বিষয়াসকল অসমৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰতো জড়িত হৈ পৰিছিল। তেওঁলোকৰ ভালেসংখ্যকে প্ৰশাসকৰূপে দায়িত্ব পালন কৰাৰ উপৰি অসম সম্পৰ্কে বিভিন্ন বিষয় সেই সময়ৰ নথি-পত্ৰত লিপিবদ্ধ কৰি থৈ গৈছে। তেওঁলোকৰ কিছুসংখ্যকে অসমৰ বিভিন্ন বিষয়ত গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। বহু মূল্যবান তথ্য সম্পদেৰে সংকলিত গ্ৰন্থ, ইতিহাস গ্ৰন্থকে আদি কৰি বিভিন্ন বিষয়ৰ গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া জাতিক তেওঁলোকে ধন্য কৰিছে।[২৪] ১৮২৬ খ্ৰীষ্টাব্দৰ পৰা অসমত কৰ্মৰত বিষয়াবৰ্গৰ যিসকলে বিশেষকৈ গ্ৰন্থ আৰু আলোচনীত নিজৰ নিজৰ লিখনিৰে অসমৰ বিদ্যায়তনিক দিশক টনকীয়াল কৰি গৈছে, সেইসকলৰ ভিতৰত অন্যতম হৈছে,-

**উইলিয়াম কেৰী (William Carry)** ঃ ইংলেণ্ডৰ পৰা অহা ব্ৰিটিছ খ্ৰীষ্টান মিছনাৰী। এইজন ব্ৰিটিছ বেপ্টিষ্ট মিছনাৰীয়ে বঙ্গৰ শ্ৰীৰামপুৰ অঞ্চলত বসতি স্থাপন কৰি ছপাশাল প্ৰতিষ্ঠা কৰিছিল। অসমীয়া গ্ৰন্থ প্ৰকাশনৰ ইতিহাসত প্ৰথমখন অসমীয়া ভাষাৰে গ্ৰন্থ মুদ্ৰিত হৈছিল তদানীন্তন ডেনিছ ইণ্ডিয়াৰ অন্তৰ্গত শ্ৰীৰামপুৰৰ বেপ্টিষ্ট মিছন প্ৰেছত। উইলিয়াম কেৰী ভাৰতত কেৱল খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই অহা নাছিল। খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ লগতে প্ৰকাশনৰ দিশতো যথেষ্ট অৱদান আগবঢ়াই গৈছে। বিশেষকৈ অসমীয়া গ্ৰন্থ প্ৰকাশনৰ দিশত। কাৰণ উইলিয়াম কেৰীৰ উদ্যোগতে ১৮১৩ খ্ৰীঃত অসমীয়া ভাষাত প্ৰথম গ্ৰন্থ মুদ্ৰিত আৰু প্ৰকাশিত হৈ ওলায়। নগাঁৱৰ নিকটৱৰ্তী কলিয়াবৰৰ বাসিন্দা আত্মাৰাম শৰ্মাৰ সহায়ত *'বাইবেল'*ৰ *'নিউ টেষ্টামেণ্ট'*অসমীয়া ভাষালৈ অনুবাদ কৰে। ১৮১৩ খ্ৰীঃত *'ধৰ্মপুস্তক'*(অন্তভাগ) নামেৰে উইলিয়াম কেৰীৰ উক্ত গ্ৰন্থখনেই অসমৰ গ্ৰন্থ প্ৰকাশনৰ ইতিহাসত প্ৰথম মুদ্ৰিত আৰু প্ৰকাশিত গ্ৰন্থৰূপে স্থান লাভ কৰে। উইলিয়াম কেৰীয়ে অসমীয়া গ্ৰন্থ জগতলৈ অসমীয়া ভাষাত কেৱল *'বাইবেল'*ধৰ্মগ্ৰন্থই নহয় অন্যান্য অনুবাদ গ্ৰন্থ আদিও প্ৰকাশ কৰি অৱদান আগবঢ়াইছে। ১৮১৩ খ্ৰীঃত উইলিয়াম কেৰীয়ে, অসমীয়া ভাষাৰ প্ৰথম ছপা পুথি *'ধৰ্ম্মপুস্তক'*(অন্তভাগ) প্ৰকাশ কৰাৰ ফলত অসমীয়া গ্ৰন্থৰ প্ৰথম প্ৰকাশক আৰু মুদ্ৰক ৰূপে জনাজাত হয়। মুদ্ৰণ কাৰ্যত কেৰীক সহায় কৰোতা উইলিয়াম ৱাৰ্ড আৰু যশুৱা মাৰ্শ্বমেনৰ অৱদানো উল্লেখনীয়।[২৫] ১৭৬১ খ্ৰীঃত ইংলেণ্ডত জন্মগ্ৰহণ কৰা উইলিয়াম কেৰীয়ে ১৮০০ খ্ৰীঃত শ্ৰীৰামপুৰত

---

[২৪] পৰিশিষ্ট **'ড'** পৃষ্ঠাত লেখকসকলৰ উল্লেখযোগ্য ব্যক্তিবৃন্দৰ ছবি আৰু অন্যান্য তথ্য সংলগ্ন কৰা হৈছে।

[২৬] পৰিশিষ্ট **'ঙ'** পৃষ্ঠাত ছবিসহ উল্লেখ কৰা হৈছে।

প্ৰতিষ্ঠা কৰা বেপ্টিষ্ট মিছন প্ৰেছ ১৮৩৭ খ্ৰীঃত বন্ধ হয়। ১৮৩৪ খ্ৰীঃত শ্ৰীৰামপুৰত কেৰীৰ পৰলোকপ্ৰাপ্তি হয়।

**উইলিয়াম ৱাৰ্ড (William Ward)** (১৭৬৯ - ১৮২৩) ঃ উইলিয়াম ৱাৰ্ড ইংলেণ্ডৰ এগৰাকী অগ্ৰগামী বেপ্টিষ্ট মিছনাৰী আছিল। তদুপৰি ৱাৰ্ড এগৰাকী লেখক, মুদ্ৰক আৰু অনুবাদক ৰূপেও কৰ্ম সম্পাদন কৰিছিল যদিও তেওঁ প্ৰধানকৈ এজন মুদ্ৰক ৰূপে অভিজ্ঞ ব্যক্তি আছিল। ১৮০০ খ্ৰীঃত উইলিয়াম কেৰীৰ সহযোগত বঙ্গৰ শ্ৰীৰামপুৰ মিছন প্ৰেছত মুদ্ৰণৰ কামত তেওঁ জড়িত হৈ পৰে। অসমীয়া গ্ৰন্থ জগতলৈ প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে ৱাৰ্ডৰ অৱদান আছিল। উইলিয়াম কেৰীৰ উদ্যোগত প্ৰকাশ পোৱা কেউখন অসমীয়া গ্ৰন্থ ৱাৰ্ডৰ সহযোগত মুদ্ৰিত হৈ ওলাইছিল। ঊনবিংশ শতিকাৰ প্ৰাককালত অসম বা অসমীয়া ভাষা, সাহিত্য আদি বিষয়ত একাধিক গ্ৰন্থ শ্ৰীৰামপুৰস্থিত বেপ্টিষ্ট মিছন প্ৰেছৰ পৰা ৱাৰ্ডৰ পৰিচালনাত মুদ্ৰিত হৈ প্ৰকাশ হৈছিল।

**উইলিয়াম ৰবিন্সন (William Robinson)** ঃ উইলিয়াম ৰবিন্সন এগৰাকী বেপ্টিষ্ট খ্ৰীষ্টান মিছনাৰী আছিল। আৰম্ভণিতে শ্ৰীৰামপুৰস্থিত বেপ্টিষ্ট মিছনৰ লগত জড়িত আছিল যদিও পিছলৈ অসমৰ শিক্ষা আৰু শৈক্ষিক জীৱনৰ লগত জড়িত হৈ পৰে। ৰবিন্সন 'গৌহাট্টি ছেমীনাৰী' বিদ্যালয়ৰ প্ৰতিষ্ঠাপক আৰু প্ৰধান শিক্ষক ৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। ১৮৪১ খ্ৰীঃত ৰবিন্সন ৰচিত *A Descriptive Account of Assam* গ্ৰন্থখন অসমৰ বুৰঞ্জীৰ বিৱৰণমূলক এখন বৃহৎ গ্ৰন্থ। ৰবিন্সন লিখিত *A Grammar of the Assamese Language* (১৮৩৯) শীৰ্ষক গ্ৰন্থখন ঊনবিংশ শতিকাত লিখিত অসমীয়া ভাষাৰ প্ৰথম ব্যাকৰণ গ্ৰন্থ। ঊনবিংশ শতিকাৰ মধ্য ভাগত অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰূপে কৰ্মৰত উইলিয়াম ৰবিন্সনৰ সংকলন আৰু সম্পাদনাৰে *'অৰুণোদই'*ৰ ১৮৫০ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহৰ সংখ্যাৰ পৰা 'চুতীয়া বুৰঞ্জী'ৰ অনুবাদসমূহ একাধিক সংখ্যাত ধাৰাবাহিকভাৱে প্ৰকাশিত হৈছিল।

**ডেভিড স্কট** (David Scott) ঃ ডেভিড স্কট ১৮২৪ খ্ৰীঃত তদানীন্তন 'বেঙ্গল প্ৰেচিডেন্সি'ৰ অধীনত ভাৰতৰ উত্তৰ-পূব সীমান্ত আৰু অসমৰ ৰাজহ বিভাগৰ আয়ুক্ত হিচাপে আহি অসমত কাৰ্য নিৰ্বাহ কৰিবলৈ লয়হি। স্কটে অসম আৰু উত্তৰ-পূব সীমান্ত অঞ্চলত প্ৰশাসনীয় বিষয়া হিচাপে কৰা কাম-কাজৰ তথ্য-পাতি সম্বলিত *'A Memoir of the Late David Scott'* শীৰ্ষক গ্ৰন্থত সেই সময়ত ব্ৰিটিছ চৰকাৰৰ হৈ অসমত কৰ্মৰত আন এজন বিষয়া এডাম হুৱাইটে সংকলন কৰি থৈ গৈছে। ঘাইকৈ আৰ্চিব'ল্ড ৱাট্ছনে যুগুতোৱা এই গ্ৰন্থখনৰ পৰা ব্ৰিটিছাধীন অসমৰ প্ৰথম কালছোৱাৰ বহু তথ্য পোৱা যায়। অসমত পৰম্পৰাগতভাৱে চলি অহা 'ৰাইজমেল' বা স্থানীয়ভাৱে উদ্ভৱ হোৱা সমস্যা আদিৰ সমাধান কৰাৰ বাবে

অনুষ্ঠিত 'মেল' ব্যৱস্থাৰ আৰ্হিত, স্কটে গ্ৰাম্য পঞ্চায়ত ব্যৱস্থা চৰকাৰীভাৱে অনুষ্ঠিত কৰাৰ প্ৰথা প্ৰৱৰ্তন কৰে। পৰৱৰ্তী পৰ্যায়ত এই ব্যৱস্থাৰ সুবিধা আৰু ইতিবাচক দিশ পৰ্যবেক্ষণ কৰি প্ৰথমে 'বেঙ্গল প্ৰভিন্স'ত আৰু পাছলৈ 'মাদ্ৰাজ প্ৰভিন্স'কে ধৰি সমগ্ৰ ভাৰতবৰ্ষতে প্ৰচলিত হ'বলৈ ধৰে। ১৮৩১ খ্ৰীঃৰ ২০ আগষ্টত ডেভিড স্কটৰ পৰলোকপ্ৰাপ্তি ঘটে। অসমত প্ৰচলিত 'নাৰায়ণী মুদ্ৰা'ৰ ডেভিড স্কটেই পৰিৱৰ্তন ঘটাই 'ব্ৰিটিছ মুদ্ৰা'ৰ প্ৰচলনৰ ব্যৱস্থা কৰে।

**এডৱাৰ্ড গেইট** (Edward Gait) ঃ এডৱাৰ্ড গেইট অসমত ১৮৯১ খ্ৰীষ্টাব্দৰ পৰা ১৮৯৭ খ্ৰীষ্টাব্দলৈকে কৰ্মৰত আছিল। ১৮৯৪ খ্ৰীঃত Chief Commissioner of Assam চাৰ্লছ জেমছ লেঅ'লৰ পৃষ্ঠপোষকতাত এডৱাৰ্ড গেইটে অসমত বুৰঞ্জীমূলক গৱেষণাৰ কাম আৰম্ভ কৰে। অসমত তথ্য অনুসন্ধানমূলক কামত ব্ৰতী গেইটে ১৮৯৭ খ্ৰীঃত *'Report on the Progress of Historical Research in Assam'* শীৰ্ষক গ্ৰন্থ এখন প্ৰস্তুত কৰে। গেইটে অসমত থকা কালছোৱাত প্ৰণয়ন কৰা *'অসম বুৰঞ্জী' (History of Assam)* শীৰ্ষক গ্ৰন্থখন ঊনবিংশ শতিকাত লিখিত অসমৰ এখন উল্লেখযোগ্য গ্ৰন্থ। অৱশ্যে গ্ৰন্থখন ঊনবিংশ শতিকাতে লিখা হয় যদিও বিংশ শতিকাৰ আৰম্ভণিত ১৯০৫ খ্ৰীঃত ছপা ৰূপত প্ৰকাশ হৈ ওলায়। এই গ্ৰন্থখন ঊনবিংশ শতিকাত ৰচিত গ্ৰন্থসমূহৰ ভিতৰত এখন উল্লেখযোগ্য গ্ৰন্থ। গেইটৰ *'Census of Assam, 1891'* শীৰ্ষক এখন গ্ৰন্থত তদানীন্তন অসমৰ তথ্য সংকলিত হৈছে। গেইটৰ আন এখন গ্ৰন্থ হৈছে *'The Koch King of Kamarupa'.*

**পি.আৰ.টি. গৰ্ডন (Philip Richard Thornhagh Gurdon)** ঃ গৰ্ডন, ব্ৰিটিছ চৰকাৰৰ অধীনত 'উত্তৰ পূব সীমান্তৰ পূব বেঙ্গল আৰু অসম'ৰ ডেপুটি কমিচনাৰ ৰূপে কৰ্মৰত আছিল। ঊনবিংশ শতিকাৰ ১৮৯৬ খ্ৰীঃত প্ৰকাশিত গৰ্ডন ৰচিত ৯৮ পৃষ্ঠাযুক্ত *'Some Assamese Proverbs'* গ্ৰন্থখন মূলতঃ অসমীয়া ফকৰা যোজনা বিষয়ক। হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' প্ৰকাশৰ ক্ষেত্ৰত গৰ্ডনৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য।

**ডব্লিউ.ডব্লিউ. হাণ্টাৰ (William Wilson Hunter) :** উইলিয়াম উইলছন হাণ্টাৰ এগৰাকী স্কটিচ ইতিহাসবিদ, পৰিসংখ্যাবিদ আৰু ভাৰতীয় অসামৰিক সেৱা (Indian Civil Service) বিভাগৰ এগৰাকী সদস্য আছিল। ব্ৰিটিছ চৰকাৰৰ অধীনত কৰ্মৰত হাণ্টাৰক অসমৰ ওপৰত এক পৰিসংখ্যামূলক প্ৰতিবেদন প্ৰস্তুত কৰাৰ দায়িত্ব দিয়া হৈছিল। সেই অনুসৰি লেখক হাণ্টাৰে কাম আৰম্ভ কৰি ১৮৭৯ খ্ৰীঃত *'A Statistical Account of Assam'* নামৰ গ্ৰন্থখন দুটা খণ্ডত সম্পন্ন কৰে। গ্ৰন্থখনৰ বাবে তথ্য সংগ্ৰহ কৰিবলৈ হাণ্টাৰে ১৮৬৯-১৮৭৩ খ্ৰীঃৰ মাজছোৱাত সুৰমা (Surma) আৰু বৰাক উপত্যকাৰ লগতে

১৮৭৬ খ্ৰীঃত ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলা অধিকাৰীসকলক সাক্ষাৎ কৰি বিভিন্ন তথ্য সংগ্ৰহ কৰিছিল। অসমৰ তথ্যভাণ্ডাৰ স্বৰূপ এই দুটি খণ্ডৰ গ্ৰন্থ ঊনবিংশ শতিকাৰ অসমৰ এখন অন্যতম উল্লেখযোগ্য প্ৰকাশন।

**চাৰ্লছ জেমছ ল্যায়ল (Charles James Lyall)** ঃ ভাৰতত ব্ৰিটিছ শাসনকালত চাৰ্লছ জেমছ ল্যায়লক ১৮৮০ খ্ৰীঃৰ পৰা অসমৰ মুখ্য আয়ুক্তৰ প্ৰধান সচিব ৰূপে দায়িত্ব দিয়া হৈছিল। ল্যায়লৰ অসমৰ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে কোনো ধৰণৰ অৰদান নাই যদিও তেওঁৰে পৃষ্ঠপোষকতাত এডৱাৰ্ড গেইটে *'Report on the Progress of Historical Research in Assam'* (১৮৯৭) গ্ৰন্থখন প্ৰস্তুত কৰে। গ্ৰন্থখন ঊনবিংশ শতিকাৰ অসমৰ গ্ৰন্থসমূহৰ বিষয়ে এখন উল্লেখযোগ্য আৰু অতিশয় নিৰ্ভৰযোগ্য তথ্যসমৃদ্ধ গ্ৰন্থ ৰূপে বিবেচিত হৈছে।

**এণ্ড্ৰিউ জ'ন মফাট মিলছ (A.J.Moffat Mills)** ঃ এণ্ড্ৰিউ জ'ন মফাট মিলছ ব্ৰিটিছ প্ৰশাসনীয় বিষয়াসকলৰ মাজৰ এগৰাকী বিষয়া। ব্ৰিটিছ চৰকাৰৰ দ্বাৰা মিলছ অসমত চৰকাৰৰ হৈ এজন নিৰীক্ষক ৰূপে কৰ্মৰত আছিল। ১৮৪১ খ্ৰীঃত মিলছক অসমৰ সদৰ ক'ৰ্ট (Suddar Court) ৰ এজন ন্যায়াধীশ (Judge) ৰূপে দায়িত্ব অৰ্পণ কৰিছিল 'বেঙ্গল প্ৰভিন্স'ৰ কৰ্তৃপক্ষই। মিলছক গোৱালপাৰা, নগাঁও, শিৱসাগৰ, কামৰূপ, লখিমপুৰ আদি জিলাৰ নিৰ্ধাৰণ কৰা ৰাজহ পদ্ধতি, কৃষি পদ্ধতি, মূল্যায়ন হাৰ, শিক্ষা পদ্ধতি, যোগাযোগ, বিচাৰ ব্যৱস্থা আদি দিশত প্ৰয়োজন বিশেষে সংশোধন, পৰিৱৰ্তন, সংবৰ্ধন আদি দিশত আগবঢ়োৱাৰ বাবে নিৰ্দেশ দিছিল। সেই নিৰ্দেশ অনুসৰি মিলছে কাম আৰম্ভ কৰি *'Report on the Province of Assam'* নামেৰে এটি বৃহৎ পৰিসৰৰ তথ্য সমৃদ্ধ প্ৰতিবেদন চৰকাৰৰ হাতত অৰ্পণ কৰে ১৮৫৪ খ্ৰীঃত। সেই প্ৰতিবেদন গ্ৰন্থাকাৰে প্ৰকাশ পায়। ঊনবিংশ শতিকাৰ প্ৰথম অৰ্ধ শতিকাৰ ঐতিহাসিক তথ্যৰে সমৃদ্ধ এই গ্ৰন্থখন শতিকাটিৰ এখন উল্লেখযোগ্য প্ৰকাশন।

**চাৰ্লছ আলেকজেণ্ডাৰ ব্ৰুছ (Charles Alexander Bruce)** ঃ ১৮৩৬ খ্ৰীঃত চাৰ্লছ আলেকজেণ্ডাৰ ব্ৰুছক ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমৰ চাহ বাগানৰ অধীক্ষক ৰূপে মনোনীত কৰে। অসমত থাকি ব্ৰুছে দেশীয় চাহ গছৰ খেতি কৰিবলৈ ধৰে। ১৮৩৮ খ্ৰীঃত ব্ৰুছে অসমৰ চাহক লৈ এখন গ্ৰন্থ ৰচনা কৰে। *An Account of the Manufacture of the Black Tea, As Now Practised at Suddeya in Upper Assam, by the Chinamen Sent Thither for that Purpose* নামৰ উক্ত গ্ৰন্থখনত অসমত উৎপন্ন চাহ গছৰ বিতং তথ্য সন্নিৱিষ্ট হৈ আছে।

**ফ্রান্সিছ জেনকিন্স (Francis Jenkins)** : ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনত বেঙ্গল প্ৰভিন্সৰ তত্ত্বাৱধানত ফ্রান্সিছ জেনকিন্সে ১৮৩২ খ্রীঃত তদানীন্তন অসম আৰু কাছাৰ ৰাজ্যৰ ওপৰত এক নিৰীক্ষণ কাৰ্য আৰম্ভ কৰে। এই নিৰীক্ষণৰ যোগেদি জেনকিন্সে এখন প্ৰতিবেদন[২৬] প্ৰস্তুত কৰি বেঙ্গল চৰকাৰৰ ওচৰত দাখিল কৰে। জেনকিন্সৰ প্ৰতিবেদনখন দুটা ভাগত বিভক্ত। প্ৰথম ভাগত কাৰিকৰী কৌশল, যাতায়াত আৰু যোগাযোগ ব্যৱস্থা, বাণিজ্য আৰু অসমৰ প্ৰাকৃতিক সম্পদসমূহ আৰু দ্বিতীয় ভাগত কাছাৰৰ পণ্য আমদানিৰ লগতে যাতায়াত আৰু যোগাযোগৰ দিশসমূহ অন্তৰ্ভুক্ত কৰা হৈছে। অসমৰ অৰ্থনৈতিক উন্নয়নত জেনকিন্সৰ দ্বাৰা প্ৰভাৱিত হৈ চাহ উদ্যোগ স্থাপন আৰু প্ৰসাৰে অসমক বিশ্বৰ আগত পৰিচয় কৰাই দিয়ে। জেনকিন্সে অসমৰ বিষয়সমূহক লৈ গ্ৰন্থ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত আনক প্ৰেৰণা যোগাইছিল। উইলিয়াম ৰবিন্সনে জেনকিন্সৰ প্ৰেৰণাতেই ১৮৪১ খ্রীঃত *'Descriptive Account of Assam'* শীৰ্ষক অসমৰ বুৰঞ্জী প্ৰধান গ্ৰন্থ প্ৰণয়ন কৰি প্ৰকাশ কৰিছিল।

**এছ.এফ.হেন্নে (Simon Fraser Hannay)** ঃ অসমৰ পেট্ৰোলিয়াম খাদ বিভাগত কৰ্মৰত আছিল। অসমৰ পেট্ৰোলিয়াম আৰু খনিজাত সম্পদসমূহৰ বিষয়ে প্ৰবন্ধ-পাতি আৰু গ্ৰন্থ প্ৰণয়নৰে অসমৰ গ্ৰন্থ জগতৰ লগত জড়িত হৈছিল। ১৮৩৯-৬১ খ্রীঃলৈ অসমত 1st Assam Light Infantryত কৰ্মৰ দায়িত্বত আছিল। *'Colonel Pioneer of Assam Tea Industry'*, *'Brief Notice of Silsako or Stone Bridge in Kamrup'*, *'Petroleum Beds in Assam'*, *'Ancient Temples and other Remains in the Vicinity of Sadiya'*, *'Sketch of the Sights with the North Eastern Frontier of Assam'* আদি অসম বিষয়ক প্ৰবন্ধ-পাতি, গ্ৰন্থ প্ৰণয়নৰে অসমৰ গ্ৰন্থ জগতৰ লগত জড়িত হৈছিল।

**ৰবাৰ্ট বইলিও পেম্বাৰটন (Robert Boileau Pemberton)** ঃ *Report on the Eastern Frontier of British India* নামৰ গ্ৰন্থৰ লিখক। ব্ৰিটিছ বিষয়া ৰবাৰ্ট বইলিও পেম্বাৰটন ১৮৩২ খ্রীঃত উইলিয়াম বেণ্টিঙ্কৰ নিৰ্দেশত সমগ্ৰ উত্তৰ-পূব সীমান্তৰ নিৰীক্ষকৰ দায়িত্ব গ্ৰহণ কৰি অসমলৈ আহিছিল। ব্ৰিটিছসকলে উপলব্ধি কৰিছিল যে, উত্তৰ-পূব সীমান্ত বাণিজ্যিক দিশত আৰু কৌশলগতভাৱে অতি গুৰুত্বপূৰ্ণ অঞ্চল। ৰাজ্যৰ সীমান্ত ভুটান, তিব্বত আৰু বাৰ্মাদেশৰ সীমান্তৰে লগ লাগি আছে। সেয়েহে বাণিজ্যিক ক্ষেত্ৰত বিনিময় প্ৰতিষ্ঠাৰ অৰ্থে পেম্বাৰটনে অসমত নিৰীক্ষণ কৰা কালছোৱাত কেইবাটাও

[২৬] এই প্ৰতিবেদনখন ১৯৯৫ খ্রীঃত H.K.Barpujari ৰ সম্পাদনাত 'Francis Jenkins Report on the North-East Frontier of India' নামেৰে প্ৰকাশ পায়।

বাণিজ্যিক পথ আৱিষ্কাৰ কৰে। তদুপৰি, অসম আৰু উত্তৰ-পূব ৰংপুৰ আৰু ভুটানৰ সীমান্তক সংযোগ কৰিব পৰাকৈ কেইবাটাও যুগ্ম 'দুৱাৰ'ৰ তালিকা প্ৰস্তুত কৰে। 'দুৱাৰ'কেইখন ক্ৰমে— Dalimkote, Maynaguri, Chemursi, Goomar, Bhulka, Bijnee, Killing, Nooduar, Charduar আদি। অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায় 'ইয়াণ্ডাবু সন্ধি'ৰ বিষয়েও পেম্বাৰটনে অৱগত কৰে। তেওঁ তদানীন্তন অসমত ব্ৰিটিছ অধিকাৰীসকলৰ এজন ঔপনিৱেশিক প্ৰশাসনীয় বিষয়াৰূপে কৰ্মৰত আছিল হেতুকে অসম ইতিহাসৰ এজন গুৰুত্বপূৰ্ণ ব্যক্তি। পেম্বাৰটনৰ উল্লিখিত গ্ৰন্থখনক সূৰ্য্যকুমাৰ ভূঞাই ঊনবিংশ শতিকাৰ অসম সম্পৰ্কে অতি নিৰ্ভৰযোগ্য তথ্যজ্ঞাপক গ্ৰন্থ বুলি অভিহিত কৰিছে।[২৭]

**জ'ন বেৰী হোৱাইট (John Berry White)**[২৮] ডিব্ৰুগড়ত অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক। ১৮৩৪ খ্ৰীঃৰ ৫ জুনত জন্ম আৰু ১৮৯৬ খ্ৰীঃৰ ১৯ নৱেম্বৰত লণ্ডনত মৃত্যু হয়। জ'ন বেৰী হোৱাইট পেচাত এগৰাকী ডাক্তৰ আছিল। ১৮৫৭ খ্ৰীঃত ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনত সহকাৰী ছাৰ্জনৰূপে উজনি অসমত নিয়োগ কৰা হৈছিল। হোৱাইটে তেওঁৰ কৰ্মজীৱনৰ পৰা বিৰতি লোৱাৰ পিছত ডিব্ৰুগড়ত মেডিকেল স্কুল প্ৰতিষ্ঠা কৰাৰ কাৰণে ৫০,০০০ টকা দান আগবঢ়াইছিল। কিন্তু মেডিকেল কলেজ প্ৰতিষ্ঠা হোৱাৰ পূৰ্বেই তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটাত অনুগামীসকলে সেই ঠাইত 'Berry White Medical School' নামেৰে উত্তৰ পূবৰ প্ৰথমখন মেডিকেল স্কুল প্ৰতিষ্ঠা কৰে আৰু বৰ্তমান সেই স্কুলখনেই অসম চিকিৎসা মহাবিদ্যালয় (Assam Medical College) নামেৰে জনাজাত। বেৰী হোৱাইট অসমৰ চাহ বাগিছা সংস্থাৰ মেডিকেল বোৰ্ডৰ এজন সদস্য ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। অসমত থকা সময়ত চিকিৎসা বিষয়ক বহু প্ৰবন্ধ পাতি লেখিছিল। বেৰী হোৱাইটে উজনি অসমৰ ডিব্ৰুগড় চহৰত এটি ছপাশাল প্ৰতিষ্ঠা কৰাৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰিছিল। তাৰেই ফলত ৰাধানাথ চাংকাকতিৰ উদ্যোগত ডিব্ৰুগড়ত 'ৰাধানাথ প্ৰেছ' নামেৰে এটি ছপাশাল প্ৰতিষ্ঠা কৰা হৈছিল। বেৰী হোৱাইটে সেই প্ৰেছৰ বাবে ২৫ টা অংশ পত্ৰ (Share) ক্ৰয় কৰি সহযোগিতা আগবঢ়াইছিল। ঊনবিংশ শতিকাত উজনি অসমৰ পৰা গ্ৰন্থ, আলোচনী আৰু বাতৰি কাকত প্ৰকাশ কৰাৰ ক্ষেত্ৰত ৰাধানাথ প্ৰেছে যথেষ্ট অৱদান আগবঢ়াইছে। The Times of Assam সেই অৱদানৰেই প্ৰধান উদাহৰণ।

---

[২৭] S.K.Bhuyan, EBRWA, Pp.21.

[২৮] ডিবৰুৰ অম্লান ব্যক্তিত্ব... [A doctor by profession, spent money for establish a Printing Press at Dibrugarh in later part of the 19th Century. He invested 25 nos of shares for establishment of Radhanath Press at Dibrugarh.

**ৰবাৰ্ট ব্ৰুচ্ছ** (Robert Brush) ঃ স্কটলেণ্ডৰ পৰা অহা ৰবাৰ্ট ব্ৰুছে ঊনবিংশ শতিকাৰ তৃতীয় দশকৰ ১৮২৩ খ্ৰীষ্টাব্দত অসমত চাহ-খেতি আৰম্ভ কৰি অসমৰ উন্নয়নত এক নতুন যুগৰ সূচনা কৰে। ব্ৰুছৰ *'Report on Assam Tea'* শীৰ্ষক প্ৰতিবেদনমূলক William Chambers ৰ সম্পাদনাত ১৮৩২ খ্ৰীষ্টাব্দৰ পৰা প্ৰকাশ হোৱা লেখনি Chamber's Edinburgh Journal ৰ ১৮৪০ খ্ৰীঃৰ সংখ্যাত প্ৰকাশ হৈ ওলায়। উক্ত লেখনিত অসমত উৎপাদিত চাহ গছৰ বিস্তৃত বিৰৰণ পোৱা যায়। অসমৰ চাহ সম্পদৰ বিষয়ে প্ৰবন্ধ পাতি ৰচনাৰ জৰিয়তে অসমৰ গ্ৰন্থ জগতৰ লগত তেওঁ জড়িত হৈছিল।

**হেনৰি জন ষ্টেড্‌মন কটন (Henry John Stedmon Cotton)** ঃ হেনৰি কটন ব্ৰিটিছ শাসনাধীন অসমৰ মুখ্য সচিব ৰূপে ১৮৯৭-১৯০২ খ্ৰীঃলৈ কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁৰ নামেৰেই ১৯০১ খ্ৰীঃৰ ২৭ মে'ত গুৱাহাটীত কটন কলেজ প্ৰতিষ্ঠা হৈছিল। অসমত থকা কালছোৱাত অসমত ঘটা গুৰুত্বপূৰ্ণ ঘটনাৱাজিৰ বিষয়ে *'Indian and Home Memories'* গ্ৰন্থত সন্নিৱিষ্ট কৰি ১৯১১ খ্ৰীঃত গ্ৰন্থকাৰে প্ৰকাশ কৰে। ১৮৯৭ খ্ৰীঃত অসমত সংঘটিত প্ৰলংয়কৰী ভূমিকম্পৰ বিষয়ে আৰু অসমত চাহ শিল্পৰ আৱিষ্কাৰৰ বিষয়ে সবিশেষ তথ্য লেখনিসমূহত প্ৰকাশিত হৈছে।

**জেমছ ৰেন্নেল (James Rennell)** ঃ 'ভাৰতীয় ভূগোলৰ পিতৃ' বুলি পৰিচিত জেমছ ৰেন্নেল ব্ৰিটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ প্ৰথমজন ব্ৰিটিছ বিষয়া, যি গৰাকীয়ে ঔপনিৱেশিক উদ্দেশ্যৰে অসম সীমান্ত অঞ্চলৰ জৰীপ পৰ্যবেক্ষণ কৰিছিল। অসমত থকা কালছোৱাত তেওঁ স্বহস্তে অসমৰ ভৌগোলিক মানচিত্ৰ অংকন কৰে। পিছলৈ ৰেন্নেলে অসম সম্পৰ্কীয় নিৰীক্ষণৰ সকলো নথি-পত্ৰ, দলিল মানচিত্ৰ আদি একত্ৰিত কৰি *'Bengal Atlas, Memoir of a Map of Hindustan'* নামৰ গ্ৰন্থত প্ৰকাশ কৰে। তদুপৰি ১৭৬৪-১৭৬৭ খ্ৰীঃৰ মাজছোৱাত প্ৰকাশিত পত্ৰিকাসমূহতো ৰেন্নেলে অসম নিৰীক্ষণৰ সকলো বিৰৰণ নিয়মীয়াকৈ লিখে। জেমছ ৰেন্নেলৰ দ্বাৰা অংকিত মানচিত্ৰৰ তাৎপৰ্য এয়ে যে, বহু বছৰলৈকে এইখনেই অসমৰ ভূসংস্থান আৰু বেংগলৰ পূব সীমান্ত সম্পৰ্কীয় তথ্যৰ একমাত্ৰ মানচিত্ৰ।

**জ'ন পিটাৰ ৱেড (J.P.Wade)** ঃ জ'ন পিটাৰ ৱেড অসমলৈ অহা ব্ৰিটিছ বিষয়াসকলৰ ভিতৰত প্ৰাককালৰ বিষয়া। ৱেডে মধ্য অসমৰ ৰাজনৈতিক ইতিহাসৰ বিৰৰণ বিস্তৃতভাৱে ইউৰোপীয় পঢ়ুৱৈ সমাজৰ আগত দাঙি ধৰে। ১৭৯২ খ্ৰীঃত টমাছ ৱেল্‌চৰ তত্ত্বাৱধানত এগৰাকী সহকাৰী ছাৰ্জন (Surgeon) ৰূপে ৱেলচৰ সঙ্গী হৈ অসম অভিযানত আহিছিল। সেই সূত্ৰে ৱেডে অসমত ১৮ মাহ কাল আছিলহি। তদানীন্তন ভাৰতৰ গৱৰ্ণৰ জেনেৰেলৰ চৰ্তাৱলী সাপেক্ষে ৱেলচলৈ প্ৰেৰণ কৰা নিৰ্ধাৰিত কাৰ্য-বিৰৰণী মতে, অসমত থকা সময়ছোৱাত অসমৰ ইতিহাস আৰু ভূগোলৰ বিষয়ে বহু তথ্য সংগ্ৰহ কৰে। ৱেডে

সংগ্ৰহ কৰা বিভিন্ন বিষয় সম্বন্ধীয় নথি-পত্ৰ, দলিল আদি 'ইণ্ডিয়া অফিচ লাইব্ৰেৰী'ত সংৰক্ষিত হৈ আছে। সূৰ্য্যকুমাৰ ভূঞাই ৰেডে সংগ্ৰহ কৰা দলিলসমূহক তিনিটা মুখ্য বিভাগত বিভক্ত কৰি প্ৰতিটো বিভাগৰ একোটিকৈ নামকৰণ কৰিছে। প্ৰথমটো, (১) An Account of Assam, (২) Geographical Sketch of Assam আৰু (৩) Testimonial which wade submitted to the Hon'ble Court of Directors of the East-India Company, on April 8, 1796. ৰেডে ১৮০৫ খ্ৰীঃত লিখা Geographical Sketch of Assam, ১৮০৭ খ্ৰীঃত লণ্ডনৰ Asiatic Annual Registerত প্ৰকাশ পায়।

**ৰবাৰ্ট মণ্ট'গ'মেৰী মাৰ্টিন** (Robert Montogomery Martin) ঃ আইৰিচ লেখক ৰবাৰ্ট মণ্ট'গ'মেৰী মাৰ্টিন ব্ৰিটিছ প্ৰশাসনীয় বিভাগৰ এগৰাকী বিষয়া আছিল। ১৮৩৭ খ্ৰীঃত ভাৰতত ইংৰাজ শাসনৰ কালছোৱাত মাৰ্টিন ব্ৰিটিছ ঔপনিৱেশিক সমাজৰ (Colonial Society) এজন প্ৰতিষ্ঠাপক সদস্য আছিল। ১৮৩৯ খ্ৰীঃত 'ইষ্ট-ইণ্ডিয়া কোম্পানী'ৰ সদস্যৰূপে কমিচনৰ প্ৰচাৰ কাৰ্যত সক্ৰিয়ৰূপে কাৰ্য নিৰ্বাহ কৰি ১৮৪০ খ্ৰীঃত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ এটি বাণিজ্য কেন্দ্ৰৰূপে গঠন কৰাত আগভাগ লয়। মাৰ্টিনে *'The History, Antiquities, Topography and Statistics of Eastern India'* গ্ৰন্থৰ তৃতীয় খণ্ডত অসম তথা ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলসমূহৰ বিস্তৃত তথ্য সন্নিৱিষ্ট কৰিছে।

**জ'ন এম. ক'শ্ব (John M'Cosh :** জ'ন এম.ক'শ্ব ব্ৰিটিছ চৰকাৰৰ এজন সহকাৰী শল্য চিকিৎসক (Surgeon) ৰূপে গোৱালপাৰা আৰু গুৱাহাটীৰ কৰ্মকৰ্তা আছিল। জ'ন এম. ক'শ্বৰ ১৮৩৭ খ্ৰীঃত লিখিত পুথি *'Topography of Assam'* অসমত থকা সময়ছোৱাত প্ৰস্তুত কৰা অসমৰ বিভিন্ন বিষয় বৰ্ণনা কৰা এক বিস্তৃত তথ্যজ্ঞাপক গ্ৰন্থ। গ্ৰন্থখনত অসমৰ প্ৰাকৃতিক সম্পদ, মানৱ জাতিৰ উদ্ভৱ, বিকাশ, ৰীতি-নীতি, নৃতত্ত্ব (anthropology), ৰাজনৈতিক ইতিহাস আৰু অসমৰ সৈতে সংলগ্ন দেশমূহৰ লগত অসমৰ বাণিজ্যিক পথসমূহৰ বিষয়ে এক বিস্তৃত বিৰৰণ সন্নিৱিষ্ট কৰিছে। আনহাতে, গ্ৰন্থখনত ব্ৰিটিছ আধিপত্যৰ সময়ছোৱাত অসমৰ মানুহক সততে সংক্ৰমণ কৰা বহুকেইবিধ বেমাৰৰ নাম উল্লেখ কৰিছে। গ্ৰন্থখন Bengal Military Orphan Pressত G.H.Huttmenৰ দ্বাৰা মুদ্ৰিত।

**ফ্ৰান্সিছ বুকানন হেমিল্টন (Francis Buchanon Hamilton)** : ব্ৰিটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ নিৰ্দেশত আৰু গৱৰ্ণৰ জেনেৰেল কাউন্সিলৰ ফ্ৰান্সিছ বুকানন হেমিল্টনে ১৮০৮ খ্ৰীঃৰ পৰা ১৮১৪ খ্ৰীঃলৈ পূব ভাৰত আৰু ইয়াৰ সংলগ্ন অঞ্চলসমূহ পৰ্যবেক্ষণ, নিৰীক্ষণ আৰু সমীক্ষা চলাই ১৯৪০ খ্ৰীঃত এখন গ্ৰন্থ প্ৰস্তুত কৰে। গ্ৰন্থখনৰ নাম *'An Account of Assam'*। হেমিল্টনৰ এই প্ৰতিবেদনমূলক গ্ৰন্থখনত অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনীয় ইতিহাসৰ লগতে অসমৰ জনগণৰ ভূ-সংস্থান, সামাজিক, সাংস্কৃতিক

আৰু অৰ্থনৈতিক জীৱনৰ বিস্তৃত বিৰৰণ আৰু তথ্য দাঙি ধৰা হৈছে।

**জ'ন এফ. মিচেল (John F.Michell) :** জ'ন এফ. মিচেল, ব্ৰিটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ এগৰাকী চৰকাৰী লেখক আছিল। মিচেলে আহোম ৰাজত্বৰ শেষ পৰ্যায়ৰ বিৰৰণ আৰু অসমত ব্ৰিটিছ সাম্ৰাজ্যৰ ঔপনিবেশিক শাসনৰ বিষয়ে বিস্তৃত বিৰৰণ আগবঢ়াইছে। ১৮৮০ খ্ৰীঃত মিচেলে অসমৰ ওপৰত প্ৰস্তুত কৰি উলিওৱা প্ৰতিবেদন *'Report (Topographical Political and Military) on the North East Frontier of India'* প্ৰস্তুত কৰে। গ্ৰন্থখনত উনবিংশ শতিকাৰ অসমৰ বিষয়ে যথেষ্ট তথ্য সন্নিৱিষ্ট কৰা হৈছে।

**চাৰ্লছ উম্ফেৰষ্টন আইটচ্‌খিছন (Charles Umpherston Aitchison)** ঃ ভাৰতত ব্ৰিটিছ সাম্ৰাজ্যৰ ৰাজত্বকালত স্কটিচ বিষয়া উম্ফে আইট্‌শ্বিছন ব্ৰিটিছ ইণ্ডিয়াৰ প্ৰশাসনীয় বিষয়াৰ দায়িত্বত আছিল। ব্ৰিটিছ অধিকাৰীৰ নিৰ্দেশত ভাৰতবৰ্ষৰ নিৰ্দিষ্ট অঞ্চলৰ ঐতিহাসিক উন্নয়নৰ এক প্ৰতিবেদন সম্পাদনাৰ দায়িত্ব আইট্‌শ্বিছনে লয়। সেই অনুসৰি আইট্‌শ্বিছনে *'A Collection of Treaties Engagements and Sunnuds Relating to India and Neighbouring countries Bengal, Assam, Burmah and the Eastern Archipelago.'* নামেৰে এখন গ্ৰন্থ প্ৰস্তুত কৰে। ১২ টা খণ্ডৰে প্ৰকাশিত গ্ৰন্থখনৰ ১ (এক) নং খণ্ডত ওচৰ-চুবুৰীয়া অঞ্চলৰ ৰাজ্যৰ শাসনকৰ্তাসকলৰ সৈতে ব্ৰিটিছে কৰা চুক্তিৰ বিষয়ে বিস্তৃত তথ্য সন্নিৱিষ্ট কৰে। গ্ৰন্থখন প্ৰথম ১৮৯২ খ্ৰীঃত প্ৰকাশ হৈ ওলায়। গ্ৰন্থখনত ১৮৩৩ খ্ৰীঃত অসমৰ আহোম সাম্ৰাজ্যৰ শেষৰজন ৰজা পুৰন্দৰ সিংহ আৰু ব্ৰিটিছৰ হৈ থমাছ কেম্বেল ৰবাৰ্টছন (Thomas Campbell Robertson)ৰ মাজত হোৱা সন্ধি, ১৮২৯ খ্ৰীঃত খাছী আৰু ব্ৰিটিছৰ মাজত হোৱা সংঘৰ্ষ, ১৮৮৩ খ্ৰীঃত দৰং জিলাৰ দক্ষিণে থকা Akas (অকা) জনজাতি আৰু ব্ৰিটিছৰ মাজত হোৱা চুক্তি আদিৰ বিস্তৃত বিৰৰণ সন্নিৱিষ্ট কৰা হৈছে।

**আলেকজেণ্ডাৰ মেকেঞ্জি (Alexander Mackengie)** ঃ ভাৰতত ব্ৰিটিছৰ এগৰাকী প্ৰশাসনীয় বিভাগৰ কৰ্তৃত্বপ্ৰাপ্ত বিষয়া আছিল। প্ৰশাসনীয় বিষয়া হৈ থকা কালত মেকেঞ্জিয়ে *'History of the Relations of the Government with the Hill Tribes of the North-East Frontier of Bengal'* শিৰোনামেৰে এখন গ্ৰন্থ প্ৰণয়ন কৰে। ১৮৮৪ খ্ৰীঃত প্ৰকাশিত উক্ত গ্ৰন্থত *'The North East Frontier of India'* শীৰ্ষক এক অধ্যায়ত অসমৰ উত্তৰ পূব সীমান্ত সন্দৰ্ভত আলোকপাত কৰে। ১৮৯০ খ্ৰীঃৰ পৰা ১৮৯৫ খ্ৰীঃলৈ বৰ্মাৰ Chief Commissioner of the British Crown Colony ৰূপে আৰু ১৮৯৪ খ্ৰীঃৰ পৰা ১৮৯৮ খ্ৰীঃলৈ বেঙ্গলৰ Lieutenant Governor ৰূপে কাৰ্য নিৰ্বাহ কৰা মেকেঞ্জিৰ অন্যান্য লেখনিতো অসমৰ তথ্য সন্নিৱিষ্ট আছে।

**জ'ন বাটলাৰ (John Butler)** ঃ ১৮৪১ খ্ৰীঃত অসমৰ উত্তৰ-পূব সীমান্তত গৱৰ্ণৰ জেনেৰেলৰ প্ৰতিনিধিৰ সহকাৰী বিষয়া ৰূপে তিনি বছৰ কাল নামনি অসমত কাৰ্য নিৰ্বাহ কৰাৰ পিছত ১৮৪৪ খ্ৰীঃত বাটলাৰে উজনি অসমৰ পাহাৰীয়া জনজাতিসকলৰ ৰাজনৈতিক সদস্যৰূপে কাৰ্য নিৰ্বাহ কৰে। অসমত থকা সময়ছোৱাত লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত বাটলাৰে ১৮৫৫ খ্ৰীঃত *'Travels and Adventure in the Province of Assom'* নামেৰে এখন গ্ৰন্থ ৰচনা কৰে। পিছলৈ ১৮৭৮ খ্ৰীঃত *'Travels in Assam'* শিৰোনামেৰেও গ্ৰন্থখন প্ৰকাশ পায়।

**বাছিল ক'প্লেষ্টন এলেন (Basil Copleston Allen)** ঃ ব্ৰিটিছ ঔপনিৱেশিক ভাৰতত ব্ৰিটিছ প্ৰশাসনৰ এগৰাকী বিষয়াৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। এলেনে অসমৰ চাহখেতিৰ বৃদ্ধি আৰু উন্নয়নৰ বিষয়ে বহু গুৰুত্বপূৰ্ণ তথ্য *'Assam District Gazetteers'* গ্ৰন্থখনত সন্নিৱিষ্ট কৰিছে। ঊনবিংশ শতিকাৰ শেষ ভাগত সংকলন কৰা গ্ৰন্থখন পৰৱৰ্তী সময়ত কেইবাটাও খণ্ডত প্ৰকাশ হৈ ওলাইছে। এলেনে ১৮৮০ খ্ৰীঃৰ পৰা ১৯০১ খ্ৰীঃৰ ভিতৰত সংঘটিত ঘটনাসমূহৰ বিস্তৃত তথ্য উক্ত গ্ৰন্থত সন্নিৱিষ্ট কৰিছে। গ্ৰন্থখনত অসমৰ বাণিজ্য, শিক্ষা পদ্ধতি, শিল্প, প্ৰশাসন, জনসংখ্যা আৰু ৰাজনৈতিক ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ তথ্যও সন্নিৱিষ্ট কৰিছে।

**জেমচ জ'নষ্টন (James Johnston)** ঃ জ'নষ্টনে অসমৰ ইতিহাস সম্পৰ্কে *'Captain Welsh's Expedition to Assam, 1792-94'* পুথিখন সংকলন আৰু সম্পাদনা কৰি প্ৰকাশ কৰে। ১৮৭৭ খ্ৰীঃত প্ৰথম প্ৰকাশ হৈ ওলায়। গ্ৰন্থখনত তদানীন্তন সময়ৰ আহোম সাম্ৰাজ্যৰ অৱনতিৰ গুৰুত্বপূৰ্ণ তথ্য সন্নিৱিষ্ট আছে।

**আডাম হোৱাইট (Adam White)** ঃ আডাম হোৱাইট ৰচিত *'A Memoir of the Late David Scott'* গ্ৰন্থখনত তদানীন্তন অসমৰ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ তথ্য লিপিবদ্ধ কৰা হৈছে। গ্ৰন্থখন তিনিটা ভাগত বিভক্ত। প্ৰথম ভাগত ডেভিড স্কটৰ অসমত থকা কালৰে পৰা ১৮২৬ খ্ৰীঃৰ পৰা তেওঁৰ জীৱিত কালত অসমত ঘটা বিভিন্ন ঘটনাৰ বিষয়ে বিস্তৃত আলোচনা দাঙি ধৰা হৈছে। দ্বিতীয় ভাগত, ডেভিড স্কটে ১৮২৪ ৰ পৰা ১৮৩১ খ্ৰীঃৰ ভিতৰত ব্ৰিটিছ পৰিয়াললৈ প্ৰেৰণ কৰা চিঠিৰ সাৰাংশ আৰু চিঠিসমূহৰ নমুনা তুলি ধৰিছে আৰু তৃতীয় ভাগত মধ্যকালীন অসমৰ ইতিহাস সম্পৰ্কে ডেভিড স্কটে লিখা *'History of Assam'* সন্নিৱিষ্ট কৰিছে। ডেভিড স্কটৰ এই লেখাত শক আৰু খ্ৰীষ্টীয় গণনা অনুসৰি অসমত আহোম ৰজাসকলৰ ৰাজত্বকালৰ কালানুক্ৰমিক তালিকা অন্তৰ্ভুক্ত কৰা হৈছে।

**আৰ.ৱিলকক্স (R.Wilcox)** ঃ ৱিলকক্স এগৰাকী ব্ৰিটিছ প্ৰশাসনীয় বিষয়া আছিল। প্ৰশাসনীয় বিষয়াৰূপে ৱিলকক্সে উত্তৰ পূব সীমান্তৰ পাহাৰীয়া জনজাতিসকলৰ মাজত ১৮২৫ খ্ৰীঃৰ পৰা ১৮২৮

খ্ৰীঃলৈ অতিবাহিত কৰিছিল। অসমত থকা সময়ছোৱাত অসমৰ বহুকেইটা দিশ তেওঁ নিৰীক্ষণ কৰিছিল। অসমৰ জনজাতিসকলৰ সামাজিক ৰীতি-নীতি, পৰম্পৰা, ধৰ্মীয় জীৱন আদিৰ অভিজ্ঞতাকে সামৰি *'Memoir of a Servey of Assam and the Neighbouring Contries'* শীৰ্ষক এখন প্ৰতিবেদন প্ৰস্তুত কৰে। এই প্ৰতিবেদন ১৮৩২ খ্ৰীঃত 'Asiatic Research' আলোচনীৰ ১৭ নং খণ্ডত প্ৰকাশিত হয়।

**থমাছ ফিশ্বাৰ (Thomas Fisher)** ঃ ১৮৩৩ খ্ৰীঃত ব্ৰিটিছ চৰকাৰে থমাছ ফিশ্বাৰক উত্তৰ পূব সীমান্তৰ কাছাৰ জিলাৰ অধীক্ষক ৰূপে নিয়োজিত কৰিছিল। অসমত থকা সময়ছোৱাত ফিশ্বাৰে কাছাৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ ইতিহাস, ৰীতি-নীতি, পৰম্পৰা, ধৰ্মীয় অনুষ্ঠান আদিৰ বিষয়ে বহু তথ্য সংগ্ৰহ কৰে। অসমৰ পৰা সংগ্ৰহ কৰা এইবোৰ তথ্য ১৮৪০ খ্ৰীঃত *'Memoir of the Countries on and Near the Eastern Frontier of Sylhet'*নামেৰে সন্নিৱিষ্ট কৰি গ্ৰন্থাকাৰে প্ৰকাশ কৰে।

## ৩.১১ ঊনবিংশ শতিকাত প্ৰকাশিত অসমীয়া গ্ৰন্থসমূহৰ লেখকসকল[২৯] ঃ

**আত্মাৰাম শৰ্ম্মা ঃ** অসমৰ কলিয়াবৰৰ সন্তান আত্মাৰাম শৰ্ম্মাই খ্ৰীষ্ট ধৰ্মীয় *'বাইবেল'*গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰে। *'ধৰ্ম্মপুস্তক'*গ্ৰন্থখন ১৮১৩ খ্ৰীষ্টাব্দত উইলিয়াম কেৰীয়ে বঙ্গৰ শ্ৰীৰামপুৰত প্ৰতিষ্ঠা কৰা মিছন প্ৰেছত ছপাই প্ৰকাশ কৰে। এই গ্ৰন্থখনেই মুদ্ৰণ যন্ত্ৰত ছপা হৈ অসমীয়া ভাষাত প্ৰকাশ পোৱা প্ৰথম গ্ৰন্থ। আত্মাৰাম শৰ্ম্মাও আধুনিক মুদ্ৰণ যন্ত্ৰৰ যোগেদি প্ৰকাশ পোৱা গ্ৰন্থৰ প্ৰথম অসমীয়া লেখক।

**হলিৰাম ঢেকিয়াল ফুকন ঃ** আধুনিক মুদ্ৰণ যন্ত্ৰৰ সহায়ত প্ৰকাশ পোৱা গ্ৰন্থৰ দ্বিতীয় গৰাকী অসমীয়া লেখক। ফুকনে ১৮২৯ খ্ৰীঃত অসমৰ ইতিহাস বিৰিত *'আসাম বুৰঞ্জি'*আৰু ১৮৩৩ খ্ৰীঃত *'কামৰূপ যাত্ৰা পদ্ধতি'* শীৰ্ষক দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থ প্ৰণয়ন কৰে। ফুকনৰ দুয়োখন গ্ৰন্থ অসম বিষয়ক যদিও প্ৰথমখন বাংলা আৰু দ্বিতীয়খন সংস্কৃত ভাষাত প্ৰণীত। তেওঁ অসমীয়া ভাষাত মুদ্ৰিত প্ৰথম মৌলিক গ্ৰন্থৰো লেখক।

**হৰকান্ত সদৰামীন**[৩০] (১৮২২-১৮৮৯ খ্ৰীষ্টাব্দ) ঃ হৰকান্ত শৰ্মা মজুমদাৰে ঊনবিংশ শতিকাৰ ১৮২২ খ্ৰীষ্টাব্দৰ পৰা ১৮৮৯ খ্ৰীষ্টাব্দলৈকে জীৱনকালত সান্নিধ্য পোৱা বিভিন্ন ব্যক্তি আৰু ঘটনাক লৈ আত্মকথা ৰূপে *'সদৰামীনৰ আত্মজীৱনী'*শীৰ্ষক এখন গ্ৰন্থ প্ৰণয়ন কৰে। এই গ্ৰন্থত সন্নিৱিষ্ট বিষয়সমূহৰ পৰা পৰৱৰ্তী কালৰ বিদ্বৎ সমাজ তদানীন্তন কালৰ বহু ঐতিহাসিক তথ্যৰ সম্ভেদ লাভ কৰিবলৈ সক্ষম হৈছে। হৰকান্ত

---

[২৯] পৰিশিষ্ট **'থ'** পৃষ্ঠাত ঊনবিংশ শতিকাৰ উল্লেখযোগ্য অসমীয়া লেখকসকলৰ ছবি আৰু অন্যান্য তথ্য সংলগ্ন কৰা হৈছে।

[৩০] কুমুদ চন্দ্ৰ বৰদলৈ (সম্পা.), *সদৰামীনৰ আত্মজীৱনী*, পৃষ্ঠা- ২০১, ১৯৬০ সংঃ। সদৰামীনৰ 'আত্মকথা'ৰ পাণ্ডুলিপিটি লেখকৰ নাতি পুত্ৰ কুমুদ চন্দ্ৰ বৰদলৈৰ সম্পাদনাত ১৯৬০ খ্ৰীষ্টাব্দত গ্ৰন্থাকাৰে প্ৰকাশ হৈ ওলাইছে।

শৰ্মা মজুন্দাৰ (ব্ৰিটিছসকলে মজুমদাৰ শব্দটি মজুন্দাৰ ৰূপে উচ্চাৰণ কৰিছিল) ৰ অন্যান্য ৰচনাসমূহ আছিল,- *'কপৌ কপৌৰনীৰ বিলাপ'* (কবিতা পুথি), *'গীতা গ্ৰন্থ', 'হৰিস্মৃতি সুধাঙ্কৰ'* (সংস্কৃত আৰু বাংলা ভাষাত ৰচিত), *'ৰাম ৰাজ্যাভিষেক'* (নাটক)। সদৰামীনৰ আত্মজীৱনীত উল্লেখ থকা মতে হৰকান্ত শৰ্ম্মা মজুমদাৰৰ পুত্ৰ দুৰ্গাকান্তই *'দ্বাদশ স্কন্ধ ভাগৱত'* নামেৰে এখন গ্ৰন্থ প্ৰণয়ন কৰিছিল। কিন্তু এই গ্ৰন্থখন কেতিয়াও উপলব্ধ হোৱা নাই। *'ৰাম ৰাজ্যাভিষেক'* নাটখনৰ বিষয়ে হৰকান্ত সদৰামীনে তেওঁৰ আত্মজীৱনীৰ দ্বিতীয় খণ্ডৰ প্ৰথম অধ্যায়ত দিয়া তথ্য মতে ১৮৭৫-৭৬ খ্ৰীষ্টাব্দৰ, ১৭৯৭ শকৰ ২ জেঠৰ ৰাতি গুৱাহাটীৰ শুক্ৰেশ্বৰ দেৱালয়ত নাটখন মঞ্চস্থ কৰিছিল।[৩১]

নাটখনৰ অভিনয় চাবলৈ সেই সময়ৰ ইংৰাজ বিষয়া এগ্‌নৌ (M.G.Agnew, The Officiating Commissioner, Assam) সহ অন্যান্য ইংৰাজ বিষয়াসকল অহাৰ কথা উল্লেখ আছে। উল্লেখযোগ্য যে, সেই সময়ত গুৱাহাটীত কৰ্মৰত ইংৰাজ বিষয়াসকলৰ অন্যতম আছিল, মেজৰ থ'মাছ লেম্ব, জিলা উপায়ুক্ত, ৰিচাৰ্ড হাৰটে কীটিং (Colonel Rechard Harte Keatinge, Chief Commissioner of Assam) আদি।

**মণিৰাম দেৱান ঃ** ঊনবিংশ শতিকাৰ অসমৰ জাতীয় জীৱনৰ ইতিহাসত মণিৰাম দেৱান এগৰাকী বৈচিত্ৰ্যময় গুণসম্পন্ন ব্যক্তি। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, ব্যৱসায়-বাণিজ্য , সাহিত্য-চৰ্চা আদি বিভিন্ন দিশত পাৰদৰ্শিতা থকা এজন বহুধা প্ৰতিভাধাৰী ব্যক্তি আছিল। অসমৰ গ্ৰন্থ চৰ্চা আৰু গ্ৰন্থ প্ৰণয়ন কাৰ্যত দেৱানৰ উল্লেখযোগ্য অৱদান হৈছে, *'বুৰঞ্জি বিবেকৰত্ন'*। ১৮০৬ খ্ৰীঃত অসমৰ চাৰিং (শিৱসাগৰ জিলা)ত জন্মগ্ৰহণ কৰা মণিৰাম দত্ত, নিজৰ কৰ্ম পাৰদৰ্শিতাৰে সেই সময়ৰ আহোম স্বৰ্গদেউৰ উচ্চপদবী লাভ কৰিবলৈ সক্ষম হৈছিল। দেৱান অসমৰ প্ৰথম গৰাকী চাহ খেতিয়ক। যোৰহাটৰ কাষৰ 'চিনামৰা চাহ বাগিচা' আৰু শিৱসাগৰৰ কাষৰ সোণাৰিস্থিত 'চেংলুঙ্গ চাহ বাগিচা'ৰ গৰাকী আছিল মণিৰাম দেৱান। মণিৰাম দেৱানে সাহিত্য চৰ্চাৰ ক্ষেত্ৰতো মনোনিৱেশ কৰি অসমৰ বুৰঞ্জীক আধাৰ কৰি *'বুৰঞ্জি বিবেকৰত্ন'*

---

৩১ "মঞ্চস্থ কৰা নাটখনৰ ৰচনাকাৰ সঠিক জনা নাযায় যদিও 'সদৰামীনৰ আত্মজীৱনী'ৰ সংকলক আৰু সম্পাদক কুমুদ চন্দ্ৰ বৰদলৈৰ মতে 'ৰাম ৰাজ্যাভিষেক' নাটকখন নিসন্দেহে অসমীয়া গ্ৰন্থ (পৃষ্ঠা ১.৯০ দ্ৰষ্টব্য)। এই নাটৰ উৎসৰ সন্ধান কৰোতে পোৱা তথ্যানুসাৰে বঙ্গদেশত মনমোহন বসু নামেৰে এজন নাট্যকাৰে ১৮৮৮ খ্ৰীষ্টাব্দত 'ৰাম ৰাজ্যাভিষেক নাটক' নামেৰে এখন নাটকৰ গ্ৰন্থ প্ৰকাশ কৰাৰ তথ্য পাওঁ, কিন্তু সদৰামীনে উল্লিখিত নাটখন ১৮৭৫-৭৬ খ্ৰীষ্টাব্দৰ মে' মাহ, ২ জৈষ্ঠৰ ৰাত্ৰি মঞ্চস্থ কৰা দিশটিলৈ লক্ষ্য কৰিলে এই নাটখন হৰকান্ত সদৰামীনে নিজে প্ৰস্তুত কৰি মঞ্চস্থ কৰাৰ কথাটো স্পষ্ট হয়।" **টোকা ঃ** 'অসম বুৰঞ্জী'- সূৰ্য্যকুমাৰ ভূঞাৰ সম্পাদনাত ১৯৬০ খ্ৰীষ্টাব্দত গ্ৰন্থাকাৰে মুদ্ৰিত ৰূপত প্ৰকাশিত গ্ৰন্থ।

শীৰ্ষক গ্ৰন্থ প্ৰণয়ন কৰিছিল। গ্ৰন্থখন দুটা খণ্ডত ৰচিত হৈছিল। প্ৰথম খণ্ডটি কালৰ বুকুত হেৰাই গৈছে। দ্বিতীয় খণ্ডটি বিংশ শতিকাত গ্ৰন্থাকাৰে প্ৰকাশিত হৈছে।[৩২] মণিৰাম দেৱানৰ জীৱন আৰু কৰ্মৰ বিষয়ে গৱেষক[৩৩] সকলে উল্লেখ কৰা তথ্যত দেৱানে *'বাৰ ভূঞাৰ চৰিত'* আৰু শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত *'ভক্তি প্ৰদীপ'* গ্ৰন্থখন সম্পাদনা কৰাৰ কথা উল্লেখ কৰিছে। কিন্তু এই দুয়োখন গ্ৰন্থ বা গ্ৰন্থৰ পাণ্ডুলিপি বুৰঞ্জি বিবেকৰত্নৰ প্ৰথম খণ্ডৰ দৰে বাস্তৱ ক্ষেত্ৰত দুষ্প্ৰাপ্য। মণিৰাম দেৱানে অসমৰ পৰা প্ৰথম প্ৰকাশিত আলোচনী তথা সংবাদ পত্ৰ *'অৰুণোদই'* প্ৰকাশনৰ ক্ষেত্ৰত পৃষ্ঠপোষকতা কৰিছিল। কলিকতাৰ পৰা প্ৰকাশিত 'সমাচাৰ দৰ্পণ' আৰু 'The Journal of Asiatic Society of Bengal' আদিত প্ৰবন্ধাদি লিখি প্ৰকাশ কৰিছিল। ১৮৫৮ খ্ৰীঃৰ ২৬ ফেব্ৰুৱাৰীত ব্ৰিটিছ শাসনতন্ত্ৰৰ নিৰ্দেশ অনুসাৰে ব্ৰিটিছৰ বিৰুদ্ধাচৰণ কৰাৰ অভিযোগ আনি মণিৰাম দেৱানক মৃত্যুদণ্ডৰে দণ্ডিত কৰে।

**আনন্দৰাম ঢেকিয়াল ফুকন** (১৮২৯-১৮৫৯ খ্ৰীঃ) ঃ ঊনবিংশ শতিকাত অসমৰ সাহিত্যৰ উন্নতি আৰু বিকাশৰ ক্ষেত্ৰত আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান গুৰুত্বপূৰ্ণ। ঢেকিয়াল ফুকনৰ *'অসমীয়া লৰাৰ মিত্ৰ'*[৩৪] (১৮৪৯ খ্ৰীষ্টাব্দ), '*A Few Remarks on the Assamese Language and on Vernacular Education in Assam*', ইংৰাজীৰ পৰা অসমীয়া ভাষালৈ অনুবাদ কৰা আইন বিষয়ক গ্ৰন্থ *'সদৰ দেৱানী নিষ্পত্তি'* (১৮৫০ খ্ৰীঃ) আৰু *'আইন ও ব্যৱস্থা সংগ্ৰহ'* (১৮৫০ খ্ৰীঃ) অন্যতম উল্লেখযোগ্য অৱদান। ব্ৰিটিছৰ প্ৰশাসনৰ এজন প্ৰত্যক্ষ বিষয়া হিচাপে পোৱা অভিজ্ঞতাৰ ভিত্তিত ৰাজ প্ৰশাসনৰ ক্ষেত্ৰত দেখা দিয়া বিশৃংখলতা দূৰ কৰিবলৈ ফুকনে *'ফুকন দেওয়ান কায়দা বন্দি'* (১৮৪৯-৫০ খ্ৰীঃ) প্ৰকাশ কৰে। ফুকনে ১৮৪৭ খ্ৰীষ্টাব্দৰ এপ্ৰিল মাহত প্ৰকাশিত *'অৰুনোদই'*ৰ দ্বিতীয় বৰ্ষৰ চতুৰ্থ সংখ্যাত *'ইংলণ্ডৰ বিৱৰণ'*ত ইংলেণ্ডৰ বিষয়ে বিভিন্ন তথ্যৰ বৰ্ণনাৰে লিখা প্ৰবন্ধটো *'অসমীয়া লৰাৰ মিত্ৰ'*ত সংযোজিত কৰিছে।

*'অসমীয়া লৰাৰ মিত্ৰ'* গ্ৰন্থখন তিনিটা বিষয়ক কেন্দ্ৰ কৰি তিনিটা খণ্ডত প্ৰস্তুত কৰিছে। দ্বিতীয় আৰু তৃতীয় কাণ্ডটো দুটা সুকীয়া সুকীয়া খণ্ডৰে আনন্দৰাম ঢেকিয়াল ফুকনে প্ৰকাশ কৰিবলৈ প্ৰয়োজনীয় ধন ৫০ (পঞ্চাশ) জন ব্যক্তিৰ পৰা সংগ্ৰহ কৰিছিল। আহোম স্বৰ্গদেউ কমলেশ্বৰ সিংহ, ব্ৰিটিছ প্ৰশাসক ফ্ৰান্সিছ জেনকিন্স[৩৫], আৰ.কেম্বেল[৩৬] অসমত চাহগছৰ সন্ধান উলিওৱা চাৰ্লছ আলেকজেণ্ডাৰ ব্ৰুছ আদিৰ আৰ্থিক

---

[৩২] নগেন শইকীয়া, (সম্পা.), *বুৰঞ্জি বিবেকৰত্ন*, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

[৩৩] *Ajit Kumar Dutta*, The Great Assam Tea Planter Martyr Maniram Dewan.

[৩৪] 'অসমীয়া লৰাৰ মিত্ৰ'ৰ 'ল'ৰা' শব্দটো তেতিয়াৰ গ্ৰন্থত ঊৰ্দ্ধ কমা বিহীনভাৱে 'লৰা' বুলি মুদ্ৰিত হৈছিল।

[৩৫] মেজৰ ফ্ৰান্সিছ জেনকিন্স (Major Francis Jenkins) অসমৰ কমিছনাৰ।

[৩৬] আৰ.কেম্বেল (Archibald Campbell KCB)

সাহায্যৰে গ্ৰন্থখন প্ৰকাশ কৰা হৈছিল।[৩৭] 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দ্বিতীয় আৰু তৃতীয় কাণ্ড গাইগুটীয়াকৈ প্ৰকাশ পোৱা গ্ৰন্থ দুখনৰ তৃতীয় খণ্ডটো দুষ্প্ৰাপ্য হোৱাত দ্বিতীয় খণ্ডটোহে একাধিকবাৰ পুনৰ মুদ্ৰণ হৈছে। কিন্তু আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনা সম্ভাৰ সংকলনৰ কামত আত্মনিয়োগ কৰা যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ অনুসন্ধান কালত নগাঁৱৰ চৰকাৰী অভ্যাসন বিদ্যালয়ৰ পুথিভঁৰালত সংশ্লিষ্ট খণ্ডটিৰ এটি সংস্কৰণ উদ্ধাৰ হোৱাত গ্ৰন্থখন বিংশ শতিকাত যোগেন্দ্ৰ নাৰায়ণ ভূঞাৰ সম্পাদনাত প্ৰকাশিত হয়। 'অসমীয়া লৰাৰ মিত্ৰ'ৰ দ্বিতীয় আৰু তৃতীয় খণ্ড একত্ৰ ৰূপত প্ৰকাশ পাইছে। কিন্তু প্ৰথম খণ্ড এতিয়াও দুষ্প্ৰাপ্য।

**আনন্দৰাম বৰুৱা** (১৮৫০-১৮৮৯ খ্ৰীষ্টাব্দ) ঃ আনন্দৰাম বৰুৱাৰ কীৰ্তিৰাজি অসমীয়া সাহিত্যৰ উপৰি ভাৰতবৰ্ষৰ সাহিত্য জগতৰ লগতে বিশ্বৰ বিদ্বৎ সমাজৰ বাবেও এক উল্লেখযোগ্য অৱদান। ঊনবিংশ শতিকাৰ অসম সন্তান আনন্দৰাম বৰুৱাৰ সংস্কৃত ভাষাৰ প্ৰতি আসক্তি আছিল। সেয়েহে বৰুৱাৰ দ্বাৰা ৰচিত সৰহ সংখ্যক গ্ৰন্থ আছিল সংস্কৃত ভাষাৰ। তেওঁ পাশ্চাত্যৰ বিভিন্ন বিষয়ৰ ওপৰত জ্ঞান অৰ্জন কৰি আৰু ইংৰাজী, গ্ৰীক, লেটিন, ফৰাচী আদি ভাষাত বিশেষ চৰ্চা কৰিছিল। সুগভীৰ দেশাত্মবোধ থকাৰ বাবে বৰুৱাই ভাৰতৰ প্ৰাচীন সংস্কৃত সাহিত্যৰ সম্পদসমূহৰ চৰ্চা কৰিছিল আৰু দুষ্প্ৰাপ্য আৰু বিৰল সংস্কৃত গ্ৰন্থসমূহ সম্পাদনা আৰু সংকলন কৰি প্ৰকাশ কৰিছিল। তেওঁৰ সাহিত্যিক প্ৰকল্পসমূহ কাৰ্যকৰী কৰাৰ উদ্দেশ্যে কলিকতা বিশ্ববিদ্যালয় আৰু কলিকতাস্থিত সংস্কৃত কলেজত উপলব্ধ নোহোৱা গ্ৰন্থসমূহ সন্ধানৰ বাবে লণ্ডনৰ ব্ৰিটিছ মিউজিয়াম, অক্সফোৰ্ডৰ বডেলিয়ান লাইব্ৰেৰীৰ উপৰি অক্সফোৰ্ড বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ পুথিভঁৰালত সন্ধান কৰাৰ উদ্দেশ্যে ১৮৮১ খ্ৰীষ্টাব্দত লণ্ডনলৈ গৈছিল। আনন্দৰাম বৰুৱা ব্ৰিটিছ প্ৰশাসনৰ এগৰাকী সুদক্ষ আই.চি.এছ. (ইণ্ডিয়ান চিভিল চাৰ্ভিছ) বিষয়া আছিল যদিও তেওঁ নিজৰ দেশৰ ভাষা, সাহিত্য আৰু বুৰঞ্জীক বিশ্বৰ আগ্ৰহী পঢ়ুৱৈ সমাজলৈ আগবঢ়াই দিয়াৰ ক্ষেত্ৰত অহৰহ প্ৰচেষ্টা চলাইছিল। লণ্ডনত থকা কালছোৱাত তেওঁৰ অন্তৰঙ্গ বন্ধু আছিল বঙ্গদেশৰ ৰমেশচন্দ্ৰ দত্ত। আনন্দৰামৰ বন্ধু ৰমেশচন্দ্ৰ দত্তও আছিল আই.চি.এছ. (ইণ্ডিয়ান চিভিল চাৰ্ভিছ) ৰ বিষয়া। লণ্ডনত থকা কালত আনন্দৰাম বৰুৱাৰ পৰা তেওঁ অসমীয়া সাহিত্যৰ বিষয়ে বহু কথাই জানিব পাৰিছিল। অসমীয়া ভাষাটো যে বাংলা ভাষাৰ এটা অপভ্ৰংশ ভাষা নহয়, অসমীয়া ভাষা এটা স্বয়ং সম্পূৰ্ণ স্বতন্ত্ৰ ভাষা সেই বিষয়ে তেওঁ বৰুৱাৰ পৰা জানিব পাৰিছিল। সেয়ে ১৮৭৩ খ্ৰীষ্টাব্দত অসমীয়া ভাষাক পুনৰ চৰকাৰী ভাষা হিচাপে

[৩৭] যোগেন্দ্ৰনাৰায়ণ ভূঞাই 'অসমীয়া লৰাৰ মিত্ৰ'ৰ (প্ৰথম পুনৰ্মুদ্ৰণ) 'ভূমিকা' শিতানত ০.২৭ নং পৃষ্ঠাৰ পৰা ০.৩০ নং পৃষ্ঠালৈকে ধন দিওঁতাৰ নাম আৰু বন্ধনীত ধনৰ পৰিমাণ উল্লেখ কৰিছে। — যোগেন্দ্ৰনাৰায়ণ ভূঞা (সম্পা.), আনন্দৰাম ঢেকিয়াল ফুকনৰ 'অসমীয়া লৰাৰ মিত্ৰ' আৰু 'বেণুধৰ শৰ্মা ৰচনাৱলী', চতুৰ্থ খণ্ড, পৃষ্ঠা সংখ্যা ১০৭-১০৮।

ঘোষণা কৰাৰ ক্ষেত্ৰত ৰমেশচন্দ্ৰ দত্তৰ ভূমিকা আছিল উল্লেখযোগ্য। অৰ্থাৎ ১৮৭৩ খ্ৰীষ্টাব্দত ৰমেশচন্দ্ৰ দত্তই প্ৰশাসনীয় বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা সময়ত ব্ৰিটিছ চৰকাৰে অসমত অসমীয়া ভাষা প্ৰচলনৰ দাবীৰ বিষয়টো বিবেচনা কৰি উপযুক্ত মতামত আগবঢ়াবলৈ তেওঁক নিৰ্দেশ দিয়ে। ৰমেশচন্দ্ৰ দত্তই এই সন্দৰ্ভত পূৰ্বেই লাভ কৰা ধাৰণাৰ ভিত্তিত অসমৰ পঢ়াশালি, ন্যায়ালয় আৰু ৰাইজৰ কাম-কাজৰ মাধ্যম অসমীয়া হ'ব লাগে বুলি মতামত আগবঢ়াইছিল। ইয়াৰ আঁৰত আছিল আনন্দৰাম বৰুৱাৰ অদৃশ্য কৰ্মৰাজি। আনন্দৰাম বৰুৱাৰ বয়স ৩৯ (ঊনচল্লিশ) বৰ্ষ হওঁতেই অকাল মৃত্যু ঘটিছিল। যদিও তেওঁৰ অবিহনেও, তেওঁৰ সান্নিধ্যৰ আলোচনাসমূহৰ যোগেদি পোৱা সমলৰ ভিত্তিতেই অসমত অসমীয়া ভাষাই প্ৰায় ৩৬ বছৰৰ মূৰত পুনৰ চৰকাৰী স্বীকৃত ভাষা ৰূপে প্ৰচলন হয়।

আনন্দৰাম বৰুৱাই ৰচনা কৰা গ্ৰন্থসমূহ, *উচ্চ সংস্কৃত ব্যাকৰণ,* ১৮৭৯; *প্ৰাচীন ভাৰতৰ ভূগোল,* ১৮৮০; *ভবভূতিৰ মহাবীৰচৰিত। জানকীৰামভাষ্য টীকা সম্বলিত,* ১৮৭৭; *সংস্কৃত শিক্ষাৰ্থীৰ সহচৰ,* ১৮৭৮; *ভবভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ ঠাঁই,* ১৮৭৮; *মহাবীৰচৰিত্ৰ,* ১৮৭৮; *সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ। বৈশ্লেষণিক, ঐতিহাসিক আৰু আভিধানিক। সংকলনৰ আঁচনি,* ১৮৮১-৮৯; *ব্যৱহাৰিক ইংৰাজী-সংস্কৃত অভিধান,* ১৮৮১, *গ্ৰন্থবিসৰ্জনম্,* সংস্কৃত ভাষাত ৰচিত চনেট। ১০৬১ পৃষ্ঠাৰ পৰা ১৫০৮ পৃষ্ঠালৈকে সমৃদ্ধ। গ্ৰন্থখনত p ৰ পৰা z লৈকে শব্দ অন্তৰ্ভুক্ত[৩৮]; *সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ,* দশম খণ্ড, ছন্দঃ প্ৰকৰণ, ১৮৮২; *বামণ, বাগভট আৰু সৰস্বতী-কণ্ঠাভৰণ,* ১৮৮৩, *নানাৰ্থ সংগ্ৰহ*, লণ্ডনলৈ অধ্যয়নাৰ্থে থকা কালত লিখা, ১৮৮৩; *সংস্কৃত ভাষাৰ বৃহৎ ব্যাকৰণ,* তৃতীয় খণ্ড, বৰ্ণ আৰু তাৰ পৰিৱৰ্তন প্ৰথম ভাগ, নানাৰ্থ সংগ্ৰহ, ১৮৮৪; *সৰস্বতী-কণ্ঠাভৰণ,* - ৰজা ভোজদেৱকৃত। এই গ্ৰন্থ কেইখন বেনাৰসত থাকোতে লিখা, ১৮৮৪; *ধাতু-বৃত্তিসাৰ,* ১৮৮৭; *অমৰসিংহৰ নামলিঙ্গানুশাসন। সটীক,* প্ৰথম ভাগ, ১৮৮৭; *অমৰসিংহৰ নামলিঙ্গানুশাসন। সটীক,* দ্বিতীয় ভাগ, ১৮৮৮; *ধাতুকোষ বা ধাতুপাঠ,* ১৮৮৮।[৩৯]

আনন্দৰাম বৰুৱাৰ গ্ৰন্থসমূহ কলিকতাৰ ২০ নং ঝামাপুকুৰ লেনত থকা 'সৰস্বতী প্ৰেছ'ত মুদ্ৰণ হোৱাৰ তথ্য পোৱা হৈছে। কিন্তু প্ৰধানকৈ বৰুৱাই নিজৰ গ্ৰন্থসমূহৰ বৰ্ণবিন্যাস (কম্প'জ) আৰু মুদ্ৰণৰ বাবে কলিকতাত নিজাববীয়াকৈ দুটা ছপাশাল প্ৰতিষ্ঠা কৰিছিল। এই দুয়োটা ছপাশালৰ নামকৰণ বিশেষ মন কৰিবলগীয়া। কলিকতাত স্থাপন কৰা ছপাশাল প্ৰতিষ্ঠানটোৰ নামকৰণ কৰিছিল তদানীন্তন অসমৰ বৌদ্ধিক অগ্ৰগতিত প্ৰভাৱ বিস্তাৰ কৰা *'অৰুণোদই'* আলোচনীৰ প্ৰতি সন্মান জনাই 'অৰুণোদই প্ৰেছ'। বৰুৱাৰ দ্বাৰা

---

৩৮ জহৰলাল সাহা, *আনন্দশ্লোকলহৰী,* পৃ. ৬২-৬৩।

৩৯ সূৰ্য্য কুমাৰ ভূঞা, *আনন্দৰাম বৰুৱা জীৱন চৰিত'*, আনন্দৰাম বৰুৱাৰ গ্ৰন্থাৱলীৰ পৰিচয়।

স্থাপিত দ্বিতীয়টো ছপাশাল প্ৰতিষ্ঠানৰ নামকৰণ কৰিছিল নিজ ভ্ৰাতৃ মণিৰাম বৰুৱাৰ প্ৰতি থকা স্নেহ-প্ৰীতিৰ স্বাক্ষৰ ৰূপে *'মণিৰাম যন্ত্ৰ'* (মণিৰাম প্ৰেছ)। এই মণিৰাম প্ৰেছতেই বৰুৱাৰ *'A Comprehensive Grammar of the Sanskrit Language : Prosody'* গ্ৰন্থখন ছপা হৈছিল।

**দত্তদেৱ গোস্বামী ঃ** অসমৰ সত্ৰায়ন ব্যৱস্থাত সত্ৰাধিকাৰ ৰূপে কাৰ্য পৰিচালনা কৰা দত্তদেৱ গোস্বামী অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাৰ লগত ওতপ্ৰোতভাৱে জড়িত ব্যক্তি। ১৮১৮ খ্ৰীঃত জন্মগ্ৰহণ কৰা দত্তদেৱ গোস্বামীয়ে উনবিংশ শতিকাত প্ৰথমে গ্ৰন্থ প্ৰকাশন কাৰ্যত ব্ৰতী হৈ ১৮৫৬ খ্ৰীঃত শ্ৰীশ্ৰীমাধৱদেৱৰ *'নামঘোষা'* পুথিখন *'ঘোষাপুথি'* নামেৰে সম্পাদনা কৰি প্ৰকাশ কৰে। আনন্দৰাম বৰুৱাই কলিকতাৰ 'কলেজ স্কোয়াৰ'ত প্ৰতিষ্ঠা কৰা 'নিউ প্ৰেছ'ত গুণাভিৰাম বৰুৱাৰ মুদ্ৰণ তত্ত্বাৱধানত প্ৰকাশ কৰি উলিয়ায়। পৰৱৰ্তী সময়ত গোস্বামীয়ে আন ভালেসংখ্যক ধৰ্মীয় পুথি প্ৰকাশ কৰি ১৮৭১ খ্ৰীঃত মাজুলীৰ আউনীআটি সত্ৰৰ প্ৰাঙ্গণত এটি ছপাশাল প্ৰতিষ্ঠা কৰে। অসমৰ স্ব-ভূমিত ছপাশাল প্ৰতিষ্ঠা কৰা সত্ৰাধিকাৰ গোস্বামীয়েই হ'ল প্ৰথম অসমীয়া ছপাশাল প্ৰতিষ্ঠাপক। ১৮৪৬ খ্ৰীঃত *'অৰুণোদই'* প্ৰকাশ হোৱাৰ পাছত ১৮৮১ খ্ৰীঃত দত্তদেৱ গোস্বামীয়ে *'আসাম বিলাসিনী'* শীৰ্ষক এখন আলোচনী প্ৰকাশ কৰে। আলোচনীখন ১৮৭১ ৰ পৰা ১৮৮৩ লৈকে ১২ বছৰ কাল প্ৰকাশ হৈ বন্ধ হৈ পৰে।

সত্ৰাধিকাৰ গোস্বামীয়ে 'ধৰ্ম্মপ্ৰকাশ যন্ত্ৰ' নাম দি প্ৰকাশন সংস্থা পৰিচালনা কৰিছিল। এই সংস্থাৰ উদ্যোগত দত্তদেৱ গোস্বামীয়ে শ্ৰীমন্ত শঙ্কৰদেৱ ৰচিত *'কীৰ্ত্তন'*, *'নিমি-নৰসিদ্ধ সংবাদ'*, *'বেদস্তুতি'*, *'লীলামালা'*, *'ৰুক্মিণী হৰণ'*, *'ধ্ৰুৱচৰিত'*, *'দক্ষযজ্ঞ'*, *'স্যমন্ত হৰণ'*, *'গোবিন্দ গুণমালা'* আদি বৈষ্ণৱ ধৰ্মীয় পুথি প্ৰকাশ কৰিছিল। গোস্বামীয়ে *'কালীয় দমন'*, *'দ্ৰৌপদীৰ বস্ত্ৰহৰণ'*, *'জানকী হৰণ'*, *'কংসবধ'* কে আদি কৰি মুঠ ১১ খন গ্ৰন্থ প্ৰণয়ন কৰি প্ৰকাশ কৰিছিল। ১৯০৪ খ্ৰীঃত সত্ৰাধিকাৰ গোস্বামীৰ পৰলোকপ্ৰাপ্তি ঘটে।

**হৰিবিলাস আগৰৱালা ঃ** উনবিংশ শতিকাৰ অসমীয়া প্ৰকাশন গোষ্ঠীৰ লগত জড়িত হৈ হৰিবিলাস আগৰৱালাই যথেষ্ট কৰ্ম সম্পাদন কৰি থৈ গৈছে। ১৮৪২ চনত জন্ম লাভ কৰা হৰিবিলাস আগৰৱালা ঘাইকৈ এজন ব্যৱসায়ী হ'লেও গ্ৰন্থ প্ৰকাশ কৰাটো জাতীয় জীৱনৰ প্ৰতি এক মহৎ সেৱা-সেই কথা উপলব্ধি কৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ *'কীৰ্তন'*ৰ উপৰি শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ আন ভালেসংখ্যক ৰচনা গ্ৰন্থাকাৰে প্ৰকাশ কৰি উলিয়াইছিল। পৰৱৰ্তী সময়ত হৰিবিলাসৰ পুত্ৰ চন্দ্ৰকুমাৰ আগৰৱালাই প্ৰকাশ কৰা *'জোনাকী'* আলোচনীৰ প্ৰকাশৰ বাবে আৰ্থিক সাহায্য আগবঢ়াইছিল। হৰিবিলাস আগৰৱালাই ঊনবিংশ শতিকাত অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ হকে এক যুগ সৃষ্টিকাৰী গ্ৰন্থ প্ৰকাশক ৰূপে কৰ্ম সম্পাদন কৰি থৈ গৈছে। আগৰৱালাই সেই সময়ত প্ৰকাশিত গ্ৰন্থসমূহত 'গুপ্ত' উপাধিৰে নিজ পৰিচয় লিপিবদ্ধ কৰিছিল।

**ৰাধানাথ চাংকাকতি ঃ** অসমৰ প্ৰথমখন সাপ্তাহিক ইংৰাজী বাতৰি কাকত *'The Times of Assam'*ৰ সম্পাদক আৰু প্ৰকাশক ৰূপে দায়িত্ব পালন কৰিছিল। এই কাকতখন ডিব্ৰুগড়ৰৰ পৰা প্ৰকাশ হৈছিল। ১৮৯৫ চনৰ ৫ জানুৱাৰীৰ পৰা প্ৰকাশ পোৱা *'The Times of Assam'* ২৯ বছৰ চলিছিল আৰু এই ২৯ বছৰ চাংকাকতি নিজেই কাকতখনৰ সম্পাদক আৰু প্ৰকাশক আছিল।

**নগেন্দ্ৰনাৰায়ণ চৌধুৰী ঃ** ১৮৮১ চনত গোৱালপাৰা জিলাৰ মেছপাৰাৰ জমিদাৰ পৰিয়ালত জন্মগ্ৰহণ কৰা নগেন্দ্ৰনাৰায়ণ চৌধুৰীয়ে অসমৰ অফিচ-কাছাৰী আদালতৰ পৰা বাংলা ভাষাক নিৰ্বাসিত কৰাৰ যত্ন কৰিছিল। অসমীয়া ভাষা অব্যাহত ৰাখিবৰ বাবে বিভিন্ন ধৰণে সহযোগিতা আগবঢ়াইছিল। তেওঁ *'আৱাহন'*নামেৰে এখন আলোচনী প্ৰকাশ কৰিছিল। আলোচনীখন সম্পাদনা কৰিছিল দীননাথ শৰ্মাই।

অসমত অসমীয়া ভাষাই পুনৰ প্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰত অতিকৈ বাধাৰ সন্মুখীন হৈছিল গোৱালপাৰা জিলাত। এই জিলাৰ জমিদাৰসকলৰ প্ৰভূত প্ৰতিপত্তি আছিল আৰু গোৱালপাৰাৰ পৰা কলিকতা বা বঙ্গদেশ ওচৰ হোৱাৰ হেতুকে তেওঁলোকে নিজ মাতৃভাষা অসমীয়াৰ ঠাইত বাংলা ভাষাকহে প্ৰাধান্য দিব বিচাৰিছিল। আনকি সেই অঞ্চলৰ বহুলোকে বৈবাহিক সম্বন্ধও বাংলাভাষী পৰিয়ালৰ লগতেই কৰিছিল। বাংলা ভাষাৰ হকে সেই অঞ্চলৰ বহুলোকে আত্মনিয়োগ কৰাৰ উদাহৰণ আছে। কিন্তু তাৰ মাজতে অসমীয়া ভাষাৰ উন্নতিৰ হকে কাম কৰা ব্যক্তিসকলৰ ভিতৰত নগেন্দ্ৰনাৰায়ণ চৌধুৰী আছিল অন্যতম। চৌধুৰীয়ে সম্পূৰ্ণ শুদ্ধ অসমীয়া ভাষাত লিখা-মেলা কৰিছিল আৰু সেই বাবেই মাতৃভাষাৰ পূজাৰীৰ মনোবৃত্তিৰে উদ্বুদ্ধ হৈ *'আৱাহন'*ৰ দৰে এখন আলোচনী প্ৰকাশ কৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে সেৱা আগবঢ়াইছিল।

**অম্বিকাগিৰী ৰায়চৌধুৰী ঃ** ঊনবিংশ শতিকাত অম্বিকাগিৰী ৰায়চৌধুৰীৰ নিজা লিখিত কোনো গ্ৰন্থ প্ৰকাশ হোৱা নাই যদিও, শতিকাটোৰ অন্তিম ভাগত অসমৰ গ্ৰন্থ প্ৰকাশনৰ ক্ষেত্ৰত বৰপেটাৰ যিকেইজন প্ৰকাশকে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ বাবে কাম কৰিছিল, সেইসকলৰ ভিতৰত ৰায়চৌধুৰীও এজন। এই ক্ষেত্ৰত ৰায়চৌধুৰী ডিব্ৰুগড়ত থকা সময়ছোৱাত *'আলোচনী', 'অসম বান্ধৱ', 'অসমীয়া', 'অসম প্ৰদীপিকা'*আদি নামেৰে কেইবাখনো কাকত-আলোচনীত লেখা-মেলা প্ৰকাশ কৰিছিল। এই কাকতসমূহৰ লগত সেই সময়ৰ যিকেইজন সাহিত্যিক নিবিড়ভাৱে জড়িত হৈ পৰিছিল তেওঁলোকৰ মাজত বেণুধৰ শৰ্মা, অমিয় কুমাৰ দাস অন্যতম। বৰপেটাৰ নাৰায়ণ মিশ্ৰ আৰু হেমচন্দ্ৰ মেধীয়ে এটা ছপাশাল আনিছিল। ৰায়চৌধুৰীয়ে সেই ছপাশালটো কুৰি টকা বেছত ভাড়া দি আনি গুৱাহাটীত স্থাপন কৰি তাৰ নাম 'অৰুণা প্ৰেছ'[৪০] ৰাখিছিল। এই অৰুণা প্ৰেছৰ পৰাই *'চেতনা'*আৰু *'ডেকা অসম'*নামেৰে দুখন

---

[৪০] ভোগজুৰ বেপাৰীয়ে ১৯০২ চনত এই প্ৰেছটো কলিকতাৰ পৰা কিনি আনিছিল। প্ৰথম অৱস্থাত এই প্ৰেছৰ নাম আছিল 'শাস্ত্ৰ প্ৰকাশ প্ৰেছ'। পিচত ই 'অৰুণা প্ৰেছ' নামেৰে জনাজাত হয়।

কাকত ৰায়চৌধুৰীয়ে প্ৰকাশ কৰি উলিয়াইছিল। ৰায়চৌধুৰীয়ে পিছত মথুৰামোহন বৰুৱাৰ *'এডভোকেট অৱ আসাম'* ছপোৱা প্ৰেছটো আনিছিল। এই প্ৰেছৰ স্বত্বাধিকাৰী আছিল বৰপেটাৰ ভোগজুৰ বেপাৰী।

**ৰজনীকান্ত বৰদলৈ ঃ** বৰপেটাৰ অভিজ্ঞতাৰ পৰাই ৰজনীকান্ত বৰদলৈয়ে *'মনোমতী'* নামৰ উপন্যাসখন ৰচনা কৰিছিল। উপন্যাসখনৰ প্ৰথম অধ্যায়ত বৰপেটা কীৰ্তন ঘৰৰ দৌল উৎসৱৰ এক মনোৰম বৰ্ণনা আগবঢ়াইছে। বৰনগৰীয়া চণ্ডীনাৰায়ণ বৰুৱা, মনোমতী, পমিলা প্ৰভৃতি চৰিত্ৰক কেন্দ্ৰ কৰি ৰচনা কৰা উপন্যাসখনত বৰপেটাৰ এক মনোৰম দৃশ্যক নিখুঁতভাৱে ফুটাই তুলিবলৈ তেওঁ চেষ্টা কৰিছে। বৰদলৈয়ে *'মনোমতী', 'দীপিকা ছন্দ'* আৰু *'মিৰি জীয়ৰী'* নামৰ উপন্যাস বৰপেটাৰ 'সনাতন ধৰ্ম যন্ত্ৰ'ত ১৮৯৫ খ্ৰীষ্টাব্দত ছপা কৰি প্ৰকাশ কৰে।

**মাধৱচন্দ্ৰ বৰদলৈ ঃ** মাধৱচন্দ্ৰ বৰদলৈ চৰকাৰী বিষয়া ৰূপে বৰপেটাত কৰ্মৰত আছিল। ১৮৯৭ খ্ৰীষ্টাব্দত অসমত হোৱা বৰ ভূঁইকঁপৰ পিছত বৰপেটাবাসী আৰু চহৰখনৰ উন্নতিৰ বাবে তেওঁ অশেষ কষ্ট স্বীকাৰ কৰিছিল। বৰপেটাতেই তেওঁ মাধৱ কন্দলী বিৰচিত 'ৰামায়ণ' সম্পাদনা কৰি প্ৰকাশ কৰিছিল। ৪৬৫ পৃষ্ঠাজোৰা ৰামায়ণত ১৬ পৃষ্ঠাৰ পাতনিসহ ১৯০০ খ্ৰীষ্টাব্দত কলিকতাত ছপাই আনিছিল। বৰদলৈৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত দ্বিতীয়খন পুথি হ'ল পুৰুষোত্তম গজপতি বিৰচিত *'দীপিকা ছন্দ'*। *'হৰগৌৰী সংবাদ', 'আদি যামল সংহিতা'* আৰু *'হংসকাকি সংহিতা'*ৰ সাৰাংশ শ্লোকেৰে পুৰুষোত্তম গজপতিয়ে *'দীপিকা ছন্দ'* পুথিখন ৰচনা কৰিছিল। এই পুথিখন বৰদলৈয়ে মাধৱচন্দ্ৰ শৰ্মা বড়দলৈ নামেৰে সম্পাদনা কৰি বৰপেটাৰ 'সনাতন ধৰ্ম যন্ত্ৰ'ত ছপা কৰাই ১৮৯৫ চনত প্ৰকাশ কৰিছিল।

**শিৱনাথ ভট্টাচাৰ্য্য ঃ** ঊনবিংশ শতিকাৰ অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাত শিৱনাথ ভট্টাচাৰ্য্য এজন অন্যতম বাটকটীয়া। ১৮৮৬ খ্ৰীঃত ডিব্ৰুগড়ৰ 'ভট্টাচাৰ্য্য এজেঞ্চি' নামেৰে গ্ৰন্থ বিপণী খুলি অসমৰ বৌদ্ধিক বিকাশত উল্লেখযোগ্য অৱদান আগবঢ়াই গৈছে। ভট্টাচাৰ্য্যই প্ৰথম অৱস্থাত অসমৰ লেখকসকলৰ নিৰ্বাচিত পাণ্ডুলিপি সংগ্ৰহ কৰি কলিকতাৰ ছপাশালত মুদ্ৰিত কৰাই গ্ৰন্থ প্ৰকাশ কৰিছিল। ভট্টাচাৰ্য্যৰ বাছনিত বৈষ্ণৱ সাহিত্যৰ গ্ৰন্থসমূহৰ লগতে অসমীয়া মানুহৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত মন্ত্ৰ, বেজালী, জ্যোতিষ শাস্ত্ৰ, অসমীয়া ফকৰা-যোজনা, আইনাম, বিয়ানাম, দিহানাম, বিহুনাম আদি বিষয়ক গ্ৰন্থই প্ৰাধান্য পাইছিল। পঢ়াশালিৰ পাঠ্যপুথি, বিশেষকৈ প্ৰাথমিক স্তৰৰ পাঠ্যপুথি, ল'ৰাপুথি, ল'ৰাশিক্ষা আদি প্ৰকাশ কৰিছিল। অসমীয়া পঢ়ুৱৈ সমাজক ৰুচিপূৰ্ণ গ্ৰন্থৰ যোগান ধৰাটো 'ভট্টাচাৰ্য্য এজেঞ্চি'ৰ অন্যতম এক উল্লেখযোগ্য অৱদান।

**অনাদৰ দাস উকিল ঃ** ঊনবিংশ শতিকাত অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাত বৰপেটাৰ তদানীন্তন বড়িগাঁৱৰ নিবাসী অনাদৰ দাস উকিল, অসমীয়া পঢ়ুৱৈৰ মাজত এজন গ্ৰন্থ প্ৰকাশক ৰূপে পৰিচিত।

অসমীয়া ভাষাৰ প্ৰাচীন গদ্য সাহিত্য ৰূপে পৰিচিত ভট্টদেৱৰ *‘কথা গীতা’* বৰপেটাৰ পৰা অনাদৰ দাস উকিলে ১৮৭৫ খ্ৰীষ্টাব্দত গ্ৰন্থাকাৰে ছপা কৰি উলিয়াইছিল। হেমচন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা *‘কথা গীতা’*ৰ সম্পাদনাৰ সময়ত অনাদৰ দাস উকিলৰ সম্পাদিত *‘কথা গীতা’*ৰ পৰা সহায় লৈছিল।

**ঘনশ্যাম চৌধুৰী ঃ** বৰপেটাৰ পৰা ঘনশ্যাম চৌধুৰীৰ দ্বাৰা ১৮৯৮ চনত *‘ডাক ভনিতা’* নামৰ গ্ৰন্থখন প্ৰকাশিত হৈছিল। উক্ত গ্ৰন্থখন সম্প্ৰতি লণ্ডনৰ ব্ৰিটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে।

**বিষয় মহাজন ঃ** গোবিন্দৰাম চৌধুৰীয়ে *‘সূতীকা পটল’* নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল। সেই গ্ৰন্থখন ছপা কৰিছিল বৰপেটাৰ বিষয় মহাজনে। ভূমিকম্পৰ বিষয়েও গোবিন্দৰাম চৌধুৰী[৪১] য়ে এখন কবিতা পুথি ৰচনা কৰি প্ৰকাশ কৰিছিল।

**শ্যামলাল চৌধুৰী ঃ** বৰপেটাৰ শ্যামলাল চৌধুৰীয়ে *খটাসুৰ বধ, কুৰ্মাৱলী যুদ্ধ, অশ্বকৰ্ণ যুদ্ধ* আৰু *জঙ্ঘাসুৰৰ বধ* নামেৰে চাৰিখন গ্ৰন্থ একেলগে ছপা কৰি প্ৰকাশ কৰিছিল।

**ডাইবৰ ৰাম বেপাৰী ঃ** ডাইবৰ ৰাম বেপাৰীয়ে, শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱকৃত আধ্যাত্মিক ৰাগ-তালেৰে সৃষ্টি কৰা গীত সম্ভাৰ সংকলন কৰি *‘বৰগীত’* শীৰ্ষক গ্ৰন্থ প্ৰকাশ কৰিছিল। বেপাৰীয়ে, শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত *‘কীৰ্ত্তন’* শাস্ত্ৰখনো সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। সংগ্ৰাহক আৰু সংকলক আছিল বৰপেটাৰ মনহৰি দাস আৰু গ্ৰন্থখনৰ প্ৰথম প্ৰকাশক আছিল পীতাম্বৰ দাস।

## ৩.১২ অসমীয়া সাহিত্য জগতলৈ অৱদান আগবঢ়োৱা অসমীয়া মহিলা লেখকসকলৰ ভূমিকা ঃ

বিশ্বৰ সাহিত্য জগতত তথা ভাৰতবৰ্ষৰ সাহিত্য জগততো অতীত ইতিহাস ফঁহিয়াই চালে দেখা যায়, সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত মহিলা সাহিত্যিকৰ সাহিত্যকৃতি চহকী নহয়। অসমৰ ছবিখন চাবলৈ যাওঁতে, অসমৰ কাষৰীয়া ৰাজ্য বঙ্গীয় সাহিত্যৰ সৃষ্টি সম্ভাৰতো চকু ফুৰাই চোৱা হৈছিল। ঊনবিংশ শতিকাৰ বঙ্গীয় সাহিত্যৰ ইতিহাসত বঙ্গীয় মহিলাৰ স্থিতিও সবল নাছিল।

ঊনবিংশ শতিকাত অসমীয়া ভাষা সাহিত্যৰ চৰ্চা কৰা মহিলাৰ সংখ্যা তেনেই সীমিত আছিল। এই শতিকাৰ পূৰ্বেও অসমত, অসমীয়া মহিলা সাহিত্যিক ৰূপে কেৱল পদ্মাপ্ৰিয়া আইৰ বিষয়েহে তথ্য পোৱা যায়। ঊনবিংশ শতিকাত যি কেইগৰাকী মহিলাই সাহিত্য চৰ্চাত মনোনিবেশ কৰিছিল তাৰ ভিতৰত প্ৰধানকৈ ৩ (তিনি) গৰাকী মহিলাই নিজ নিজ লিখনি সম্ভাৰেৰে সাহিত্যিক অৱদান আগবঢ়াই থৈ গৈছে। সেইসকলৰ ভিতৰত তলত উল্লেখ কৰা মহিলাসকল আছিল বিশেষভাৱে উল্লেখযোগ্য।

[৪১] গোবিন্দৰাম চৌধুৰী প্ৰসন্নলাল চৌধুৰীৰ ককাদেউতা।

**তাৰিণী দেৱী**[৪২] (১৮২৯-১৮৯২ খ্ৰীষ্টাব্দ)ঃ তাৰিণী দেৱীয়ে জীৱনৰ শেষৰ ফালে সাহিত্য চৰ্চাত মনোনিৱেশ কৰি *'সত্ৰ গীত', 'আৰতি', 'ভাদ মহীয়া নাম', 'জন্মাষ্টমীৰ নাম', 'বলিচলনৰ নাম'* আদি আধ্যাত্মিক দিশৰ প্ৰাৰ্থনা পুথি সংকলন কৰি গ্ৰন্থাকাৰে প্ৰকাশ কৰিছে।

**পদ্মাৱতীদেৱী ফুকননী** (১৮৫৩-১৯২৭)ঃ আনন্দৰাম ঢেকিয়াল ফুকন আৰু মাহিন্দী দেৱীৰ কন্যা আৰু নন্দীশ্বৰ ফুকনৰ পত্নী পদ্মাৱতীদেৱী ফুকননীয়ে ১৮৮১ খ্ৰীষ্টাব্দত *'সুধৰ্ম্মাৰ উপাখ্যান',* ১৮৮৪ *'হিত-সাধিকা'* পুথি লিখাৰ উপৰি *'জোনাকী', 'বাঁহী'* আৰু *'আসাম বন্ধু'* আলোচনীৰ বিভিন্ন শিতান নিজ লিখনিৰে সমৃদ্ধ কৰিছিল। সেই সময়ত প্ৰকাশিত আলোচনীত ফুকননীৰ লেখনিসমূহে তদানীন্তন নাৰী সমাজক উদ্বুদ্ধ কৰিছিল।

**বিযুপ্ৰিয়া দেৱী**[৪৩] ঃ (জন্ম ১৮৩৯ খ্ৰীষ্টাব্দ) বিষ্ণুপ্ৰিয়া দেৱীৰ *'নীতি-কথা'* গ্ৰন্থখন স্বামী গুণাভিৰাম বৰুৱাই কলিকতাত মুদ্ৰণ কৰাই প্ৰকাশ কৰিছিল। *'নীতি কথা'* নামেৰে গ্ৰন্থ ৰচনা কৰি সেই সময়ৰ পঢ়ুৱৈক যথেষ্ট উপকৃত কৰাৰ লগতে *'সাধুকথাৰ পুথি'* শীৰ্ষক পুথিখনেৰে তেওঁ অসমৰ গ্ৰন্থ প্ৰকাশন ব্যৱস্থাত অৱদান আগবঢ়াইছে।

**স্বৰ্ণলতা দেৱী**[৪৪] **(বৰুৱা)** (১৮৭১-১৯৩২) ঃ *'আৰ্হি তিৰুতা'* নামৰ গ্ৰন্থৰ লেখক। গ্ৰন্থখন বিংশ শতিকাত প্ৰকাশিত হয়। বৈবাহিক সূত্ৰে স্বৰ্ণলতা দেৱীয়ে ৰচনা কৰা গ্ৰন্থ সমূহত 'ৰায়' উপাধিৰে পৰিচয় প্ৰদান কৰিছে। তেওঁৰ *'আৰ্হি তিৰুতা'* গ্ৰন্থখনত ৯(ন) গৰাকী স্বনামধন্যা আদৰ্শ নাৰীৰ বিষয়ে আলোচনা কৰা হৈছে। এই গ্ৰন্থখন এগৰাকী অসমীয়া মহিলাই লিখা প্ৰথম জীৱনমূলক গ্ৰন্থ। কৰমেতি বাই, মীৰাবাঈ, ৰূবেয়া, ফ্ৰ'ৰেন্স নাইটিংগেল, শচী আই, জয়মতী কুঁৱৰী, মেৰী কাৰ্পেণ্টাৰ আদি তিৰোতাসকলৰ বিভিন্ন দিশ ফঁহিয়াই দি স্বৰ্ণলতা ৰায়ে ঊনবিংশ শতিকাৰ এগৰাকী প্ৰগতিবাদী নাৰী লেখকৰূপে পৰিচিত হৈ পৰে। গ্ৰন্থখন লেখিকাৰ পিতৃ গুণাভিৰাম বৰুৱাই প্ৰকাশ কৰিছিল।

---

৪২ নগৰ্ঞা সাহিত্যিকৰ পৰিচয়সূচক গ্ৰন্থপঞ্জী, সম্পাদনা ঃ ৰেব বৰা, নগাঁও জিলা সাহিত্য সভা, নগাঁও। **টোকা ঃ** 'অসম বুৰঞ্জি পুথি' শীৰ্ষক গ্ৰন্থৰ লিখক হলিৰাম ঢেকিয়াল ফুকন আৰু তেওঁৰ দ্বিতীয় পত্নী কল্যাণী দেৱীৰ কন্যা তাৰিণী দেৱী জখলাবন্ধাৰ সত্ৰাধিকাৰ ৰঘুদেৱ গোস্বামীৰ পত্নী।

৪৩ গুণাভিৰাম বৰুৱাই বিধৱা বিবাহ প্ৰথাৰে ১৮৭১ খ্ৰীষ্টাব্দত বিয়া কৰোৱা দ্বিতীয় পত্নী। বিষ্ণুপ্ৰিয়া দেৱীৰ পূৰ্বৰ স্বামীৰ নাম আছিল পৰশুৰাম বৰুৱা।

৪৪ স্বৰ্ণলতা ৰায় গুণাভিৰাম বৰুৱাৰ জীয়াৰী। **উৎস ঃ** বিংশ শতিকাৰ অসমীয়া লেখিকাৰ নিৰ্বাচিত কবিতা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত প্ৰকাশিত।